# সাহিত্য প্ৰসংগ

মঞ্জিৰা শৰ্মা

# সাহিত্য প্ৰসংগ

মঞ্জিৰা শৰ্মা

পূৰ্বায়ণ
প্ৰকাশন

"**Sahitya Prasanga**" : A collection of articles written by Manjira Sarma and published by Purbayon Publication, Panbazar, Guwahati- 781001
**First Edition :** April, 2022 **Price :** Rs. 150

# সাহিত্য প্ৰসংগ

ISBN : 978-93-93881-74-8

প্ৰথম প্ৰকাশ ঃ এপ্ৰিল, ২০২২

বেটুপাত ঃ অভিজিৎ বৰা

গ্ৰন্থস্বত্ব ঃ লেখক

মূল্য ঃ ১৫০/-

প্ৰকাশক ঃ
পূৰ্বায়ণ প্ৰকাশন
যশোৱন্ত ৰোড, পাণবজাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ সমীপত
পাণবজাৰ, গুৱাহাটী-১, অসম
Email- purbayonindia21@gmail.com
website: purbayonpublication.com
✆ ৯৮৬৪৪২২১৫৭

# অৰ্পণ



কবিৰ ভাষাতেই কওঁ—

হয়তো নহ'ব পাৰে মোৰ আই সবাতো শুৱনি
তথাপি আপোন মোৰ আই।
গছ-লতা ফুলে ভৰা এইখন ধুনীয়া ধৰণী
তেৱেঁ মোক দিলেহি চিনাই।।

মা— বন্তি দেৱীৰ হাতত অৰ্পণ কৰিলোঁ

শ্ৰদ্ধাৰে
মঞ্জিৰা শৰ্মা

# পাতনি

আজৰি পৰত কেতিয়াবা কিবা ভাব-চিন্তা মনলৈ আহিলে তাক লিখি থৈছিলোঁ। কেতিয়াবা দূৰদৰ্শনৰ বাবে তথ্যচিত্ৰ লিখাৰ তাগিদাত লিখিছিলোঁ, কেতিয়াবা কোনো অনুষ্ঠানৰ বাবে সংগীতালেখ্য লিখি দিবলৈ কোৱাৰ তাগিদাতো লিখিছিলোঁ। বিভিন্ন সময়ত বক্তৃতানুষ্ঠানলৈও আমন্ত্ৰিত হ'লে টোকা কৰি থৈছিলোঁ। আটাইবোৰ সামৰি এককৰাৰ এক ক্ষুদ্ৰ প্ৰয়াস মাথোঁ এই 'সাহিত্য প্ৰসংগ'। ভুল-ভ্ৰান্তিৰ বাবে মাৰ্জনা বিচাৰিছোঁ।

শ্ৰদ্ধাৰে
মঞ্জিৰা শৰ্মা

# সূচীপত্ৰ


❑ উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ /৯

❑ প্ৰতিবাদ আৰু যন্ত্ৰণাৰ অন্য নাম ঃ মামণি ৰয়ছম গোস্বামী /১৬

❑ ড° ভূপেন হাজৰিকা ঃ আমাৰ হৃদয়ৰ স্থায়ী বাসিন্দা /২৩

❑ বিনীতা বৰা দেৱচৌধুৰীৰ কবিতা ঃ এক সম্যক আলোচনা /৩০

❑ ঐতিহ্য আৰু আধুনিকতাৰ যৌগিক সংশ্লেষণৰ পৰিণতিত বৰ্তমানৰ অসমীয়া সংস্কৃতি /৩৯

❑ গোৱালপৰীয়া লোকগীতত সমাজৰ চিত্ৰ /৪৬

❑ পৃথিৱীৰ অসুখ /৫২

❑ আত্মসন্মান /৫৮

❑ শিল্পী তুমি তিনিওকালৰ /৬০

❑ যুগনায়ক স্বামী বিবেকানন্দ /৬৬

❑ ঘৰখনেই শিক্ষাৰ কঠীয়াতলী /৭১

❑ প্ৰকৃতি ঃ সংৰক্ষণ আৰু সংবৰ্ধন /৭৪

# উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈ

অসমীয়া সাহিত্যাকাশত ৰজনীকান্ত বৰদলৈ এটি উজ্জ্বল নক্ষত্ৰ। জোনাকী যুগৰ পৰা আৰম্ভ কৰি আৱাহন যুগলৈকে অৰ্ধশতাব্দী কাল তেওঁ নিৰৱচ্ছিন্নভাৱে নানা দিশত অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিলৈ অবিস্মৰণীয় অৱদান আগবঢ়াই গৈছে। সাহিত্যৰ অন্যান্য দিশতকৈ উপন্যাসৰ ক্ষেত্ৰত বৰদলৈ অদ্বিতীয় সাহিত্যিক ৰূপে সন্মানিত হৈ আহিছে। ঐতিহাসিক পটভূমিত আমাৰ সমাজখনক বুজিবলৈ যত্ন কৰাই হ'ল উপন্যাসৰ ঘাই তাৎপৰ্য।[১] অসমীয়া সাহিত্যৰ আগশাৰীৰ সু-প্ৰসিদ্ধ সমালোচকেও সেইবাবেই বৰদলৈক অতিক্ৰম কৰি যাব পৰা ঐতিহাসিক ঔপন্যাসিক দ্বিতীয় এজন আজিকোপতি ওলোৱা নাই বুলি দ্বিধাহীনভাৱে এক তাৎপৰ্যপূৰ্ণ মন্তব্য দিব পাৰিছে।[২]

**জীৱনপঞ্জী ঃ** এই গৰাকী মহান সাহিত্যিকৰ জীৱনপঞ্জী বৈচিত্ৰ্যময় আৰু আধুনিক যুগৰ সাহিত্যানুৰাগীসকলৰ বাবে প্ৰেৰণাৰ উৎসস্বৰূপ। ১৮৬৭ চনৰ ২৪ নৱেম্বৰত গুৱাহাটীৰ কুকুৰমূতা গাঁৱত[৩] বিজয়খড়ি বংশৰ সুপুৰুষ নৱকান্ত বৰদলৈৰ ঔৰসত তথা সংগীতজ্ঞ দুৰ্বাদত্ত চাংকাকতীৰ জীয়েক স্বৰ্ণময়ী দেৱীৰ গৰ্ভত ৰজনীকান্ত বৰদলৈৰ জন্ম হয়। শিশুকালতেই দেউতাকক হেৰুৱাই বহুতো দুখ-কষ্টৰ মাজেদি ডাঙৰ-দীঘল হৈয়ো মোমায়েক দুৰ্লভ আৰু মাকৰ অভিভাৱকত্বৰ বাবে ৰজনীকান্তই জীৱনৰ পিছল বাটতো খোপনি ৰাখিব পাৰিছিল আৰু যথাসময়ত কলিকতালৈ গৈ কলেজীয়া শিক্ষা গ্ৰহণ কৰিব পাৰিছিল। কলিকতাত থকা সময়ত তেওঁ আন প্ৰৱসুৱা অসমীয়াসকলৰ দৰে জন্মভূমি আৰু মাতৃভাষাৰ হকে কাম কৰিবলৈ দৃঢ় সংকল্প লৈছিল। জোনাকী যুগৰ এইগৰাকী ব্যক্তি নিঃসন্দেহে এক অনুকৰণীয় সাহিত্যিক।

**কৰ্মজীৱন ঃ** ৰজনীকান্ত বৰদলৈয়ে ১৮৯০ চনৰ মাৰ্চ মাহত কলিকতা এৰি গুৱাহাটীলৈ আহিয়েই ৮ এপ্ৰিলৰ দিনাখন ডিষ্ট্ৰিক্ট কমিছনাৰ অফিচত মাহিলি চল্লিশ টকা দৰমহাত কেৰাণীৰ চাকৰিত যোগদান কৰে। সেয়ে তেওঁৰ কৰ্মজীৱনৰ সূচনা। তেওঁ ৰাণী মৌজাত ছুপাৰিন্‌টেণ্ডেণ্ট হিচাপেও কাম কৰি বিশেষ দক্ষতাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। তাত কাম কৰাৰ তৃতীয় বছৰত ১৮৯২ চনত তেওঁ প্ৰমোচন পায় আৰু Sub-Deputy Collector হিচাপে উত্তৰ লখিমপুৰলৈ বদলি হয়। তাতো দুবছৰ কাম কৰাৰ পিছত একে কামতে বৰপেটালৈ বদলি হৈ আহে। ১৮৯৭ চনৰ পৰা প্ৰায় দুবছৰ কাল এখন এখনকৈ কেইবাখনো ঠাইলৈ বদলি হোৱাৰ পিছত ১৯০১ চনত ই. এ. চি পদলৈ প্ৰমোচন হয়।

**ৰজনীকান্ত বৰদলৈ সমগ্ৰ ৰচনাৰ পৰিচয় ঃ**

মূলতঃ ৰজনীকান্ত বৰদলৈ আছিল এজন সাধক সাহিত্যিক। নিৰলস সাহিত্যসেৱী ৰজনীকান্ত বৰদলৈয়ে অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ বেদীলৈ বিবিধ উপচাৰ আগবঢ়াই গৈছে। তেওঁৰ সমগ্ৰ ৰচনাৱালীক আমি এইধৰণে দেখুৱাব পাৰোঁ ঃ

**ক. উপন্যাসৰাজি ঃ** (১) মিৰি-জীয়ৰী (১৮৯৪, ১৮৯৫), (২) মনোমতী (১৮৯৭, ১৯০০), (৩) দন্দুৱা-দ্ৰোহ (১৯০৯-১৯২৮), (৪) ৰঙ্গিলী (১৯১০, ১৯২৫), (৫) নিৰ্মল ভকত (১৯০৯, ১৯২০, ১৯২৫), (৬) তাম্ৰেশ্বৰীৰ মন্দিৰ (১৯২৬, ১৯৩৬), (৭) ৰাধা-ৰুক্মিণীৰ ৰণ (১৯২৮) আৰু ৰহদৈ লিগিৰী (১৯৩০) (পুথিবোৰৰ প্ৰথম চনটো লিখাৰ, দ্বিতীয় চনটো প্ৰকাশৰ)

**খ. আখ্যানমূলক ৰচনা ঃ** (১) খাম্বা-খাইৱীৰ সাধুকথা (১৯৩২, আৱাহন)

**গ. নাটক ঃ** সাবিত্ৰী সত্যৱান (১৮৯০ চনত কনকলাল বৰুৱা আৰু গোপালকৃষ্ণ দে'ৰ সৈতে গুৱাহাটীত লিখা)

**ঘ. চুটি গল্প ঃ** গা-ধন, প্ৰেমৰ উপাসক, সৌন্দৰ্যৰ উপাসক।

**ঙ. ব্যংগ ৰচনাৰ পুথি ঃ** ভোলাই শৰ্মা

**চ. বুৰঞ্জীমূলক প্ৰবন্ধ আলোচনা ঃ** শদিয়া ৰাজ্যৰ পুৰণি তত্ত্ব মায়ামৰা সত্ৰসকলৰ বিষয়ে, মণিপুৰী জাতি।

**ছ. বিবিধ বিষয়ক প্ৰবন্ধ-পাতি ঃ** অসমত উপন্যাসৰ সঁজুলি, শৰৎ চট্টোপাধ্যায়ৰ উপন্যাসাৱলী, শৰীৰ তত্ত্ব, ৰক্তাহাৰী পাদপ্, চেতন প্ৰাণী আৰু

উদ্ভিদৰ পাৰ্থক্য কি? মনোবিজ্ঞান, সত্যানুসন্ধান, সংস্কৃত শিক্ষাৰ বিষয়ে, ভদ্ৰচৌৰ্যৰ বিষয়ে, বৰদৈচিলালৈ, মই স্বাধীন নে? ইত্যাদি।

**জ. ভ্ৰমণ কাহিনী ঃ** পুৰী ভ্ৰমণ, ডিব্ৰুগড় অঞ্চলৰ জয়পুৰ মৌজাৰ সীতাকুণ্ড দৰ্শন, ডিব্ৰুগড়ৰ আইথান দৰ্শন।

**ঝ. জীৱনৰ অভিজ্ঞতা বিষয়ক ৰচনা ঃ** আত্মজীৱন চৰিত, মোৰ সাহিত্যিক জীৱনৰ অতীত কাহিনী, বেজবৰুৱাৰ সোঁৱৰণীত, মোৰ জীৱনৰ অভিজ্ঞতা।

**ঞ কবিতা ঃ** মানৱ প্ৰতি আক্ৰমণৰ গীত।

**ট. পাঠ্যপুথি ঃ** জ্ঞান-সোপান।

**ঠ. সংস্কৃতি বিষয়ক অসমীয়া আৰু ইংৰাজী ৰচনা ঃ** অসমীয়ানীৰ সাজপাৰ, The Religion of the Miris, Potteries of Assam, The Weaving Industries of Assam. On the Fisheries of Assam, Notes on the Assamese Language, The Chutiyas of Assam, Lecture in the postal Union, About the Mayamariyas

**ড. সম্পাদনা ঃ** অসম প্ৰদীপিকা।

**ঢ. বক্তৃতা আৰু অভিভাষণ ঃ** দেৱদামোদৰ আৰু হিন্দু ধৰ্ম, গোলাঘাটৰ চুতীয়া সন্মিলনত দিয়া বক্তৃতা, মহাপুৰুষ শংকৰদেৱ, (শংকৰদেৱৰ তিথি উপলক্ষে ডিব্ৰুগড়ত পতা সভাত দিয়া লিখিত ভাষণ), দ্বিতীয় মিৰি সন্মিলনত দিয়া বক্তৃতা, ডাঙ্গৰী কছাৰী সন্মিলনত দিয়া বক্তৃতা, অসম সাহিত্য সভাৰ নগাঁও অধিৱেশনৰ সভাপতিৰ অভিভাষণ, নৰদেৱ গোস্বামী প্ৰভুৰ তিথি উপলক্ষে দিয়া বক্তৃতা।

**বৰদলৈ ঃ অসমীয়া সাহিত্যৰ 'স্কট'**

মানৱ সমাজত সাহিত্যৰ ক্ৰমোন্নতিৰ ইতিহাসত উপন্যাসৰ জন্ম আপেক্ষিকভাৱে অৰ্বাচীন। বৰদলৈৰ আগতে দুই এজনে যত্ন কৰিছিল যদিও দৰাচলতে উপন্যাস কলাক ৰূপ দি সজীৱ কৰিব পৰা তুলিকা হাতত লৈ নিপুণ শিল্পী বৰদলৈহে ওলাল ঃ তেওঁৰ তুলিকাই সৃষ্টি কৰিলে মিৰি জীয়ৰী, মনোমতী, ৰঙ্গিলী, নিৰ্মল ভকত, ৰহদৈ-লিগিৰী, তাম্ৰেশ্বৰীৰ মন্দিৰ, দন্দুৱা-দ্ৰোহ আৰু ৰাধা-ৰুক্মিণীৰ ৰণ। ঊনবিংশ শতিকাৰ শেষ দশকৰ পৰা বিংশ শতিকাৰ আদি ভাগৰ ভিতৰত তেওঁৰ হাততে আমাৰ সাহিত্যত উপন্যাসে প্ৰতিষ্ঠা লাভ কৰিলে। ভৱিষ্যতলৈ উপন্যাস সাহিত্যৰ ৰঙীন সৌধ নিৰ্মাণ কৰিবৰ সুবিধাৰ কাৰণে তেওঁ যেন শিল্প প্ৰতিভাৱে নিকপকপীয়া ভেটি সাজি থৈ গ'ল।

বুৰঞ্জীৰ ভেটিত উপন্যাস লেখক হিচাপে ৱাল্টাৰ স্কট ইংৰাজ সাহিত্যৰ ৰোমাণ্টিক যুগৰ শ্ৰেষ্ঠ ঔপন্যাসিক। স্কটৰ প্ৰভাৱ আৰু তেওঁৰ উপন্যাসৰ ভালেমান বৈশিষ্ট্য আমাৰ বৰদলৈৰ উপন্যাসত লক্ষ্য কৰা যায়। সেয়েহে তেওঁক অসমীয়া সাহিত্যৰ 'স্কট' বুলিব পাৰি। 'স্কট' যেনেকৈ ইংৰাজী সাহিত্যৰ ৰোমাণ্টিক যুগৰ শ্ৰেষ্ঠ ঐতিহাসিক ঔপন্যাসিক, ৰজনীকান্ত বৰদলৈও অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগৰ শ্ৰেষ্ঠ ঐতিহাসিক ঔপন্যাসিক।

দেশৰ অতীতৰ প্ৰতি শ্ৰদ্ধা আৰু আকৰ্ষণ- ৰোমাণ্টিক যুগৰ সাহিত্যিকসকলৰ এটা প্ৰধান বৈশিষ্ট্য যিটো স্কটৰ সাহিত্যত সম্পূৰ্ণৰূপে লক্ষ্য কৰা যায়। অসমৰ অতীতৰ প্ৰতি শ্ৰদ্ধা আৰু আকৰ্ষণ যে বৰদলৈৰ অন্তৰত ওপচি আছে, তাৰ প্ৰমাণ তেওঁৰ উপন্যাসে দিছে। স্কটে উপন্যাসাৱলীৰ মাজেদি স্কটলেণ্ডৰ অতীতৰ ছবি উজ্জ্বল আৰু সজীৱ কৰি তোলাৰ নিচিনাকৈ বৰদলৈও তেওঁৰ উপন্যাসসমূহৰ মাজেদি অতীত অসমৰ ছবি উজ্জ্বল আৰু জীৱন্ত কৰাত কলা নিপুণতা দেখুৱাইছে। স্কটৰ দৰে বৰদলৈয়েও উপন্যাসৰ কাহিনী গোটোৱাত ভালেমান ঠাইত জনশ্ৰুতি, জনবিশ্বাস, বেলাড আদিৰ ওপৰত নিৰ্ভৰ কৰিছে।

স্কটে তেওঁৰ উপন্যাসত ইতিহাসক কিভাৱে ৰূপ দিছে এই কথা সমালোচক কাৰ্লাইলে প্ৰশংসা কৰি কৈছে— These historical novels have taught all men this truth, which looks like a truism, and yet was as good as unknown to the writers of history and others, till so taught that the bygone ages of the world were actually filled by living men not by state papers, controversies and abstraction of men.... It is a great service, fertile in consequence, that this scott has done, a great truth laid open by him. এই প্ৰশংসাৰ ছিটিকনি বৰদলৈৰ গাতো নপৰাকৈ থকা নাই। বৰদলৈয়ে তেওঁৰ বেছিভাগ উপন্যাসৰ কাহিনীৰ মূল ঘটনা হিচাপে ইতিহাসৰ প্ৰসিদ্ধ ঘটনা নলৈ তাৰ লগত সম্বন্ধ থকা সৰু সৰু ঘটনা কাহিনীৰ বিষয়ীভুক্ত কৰিছে। সেইবোৰৰ ভালেমান হয়তো ঐতিহাসিকে নাজানে, কিন্তু বৰদলৈৰ শিল্প-প্ৰতিভাৰ পৰশত সেইবোৰে ইতিহাসৰ লগত জড়িত হৈ চিৰকলীয়া সত্য প্ৰকাশ কৰাত সহায় কৰিছে।

স্কটে দেশৰ অতীতক ভালপোৱাৰ উপৰি দেশৰ মাটিকো সমানে ভাল পাইছিল। বৰদলৈয়ো সৌন্দৰ্য আৰু ঐতিহ্য বিমণ্ডিত অসম ভূমিক গভীৰভাৱে ভাল পাইছিল। উপন্যাসসমূহৰ মাজত থকা কিছুমান বৰ্ণনাই এই কথাৰ প্ৰমাণ দিয়ে।

স্কট মনোবৈজ্ঞানিক নহয়। সেয়ে তেওঁৰ উপন্যাসত চৰিত্ৰাৱলীৰ মাজেদি

মনস্তাত্ত্বিক বিশ্লেষণ ঠিকমতে প্ৰকাশ হোৱা নাই। বৰদলৈও মনোবৈজ্ঞানিক নহয়, তেওঁৰ উপন্যাসৰ চৰিত্ৰসমূহতো মনস্তাত্ত্বিক বিশ্লেষণ নাই।

স্কটৰ উপন্যাসত অতিপ্ৰাকৃত বা অলৌকিকতাৰ সমাৱেশ আছে, আমাৰ বৰদলৈও ইয়াৰ পৰা মুক্ত হ'ব পৰা নাই। তেওঁৰ প্ৰতিখন উপন্যাসতে কম-বেছি পৰিমাণে অতি প্ৰাকৃত বা অলৌকিকতাৰ সমাৱেশ লক্ষ্য কৰা যায়। স্কটৰ 'Bride of Lammar moor'ৰ ট্ৰেজেডীত অদৃষ্টৰ পৰিহাস দেখা পোৱা যায়। বৰদলৈৰ 'মিৰি-জীয়ৰী'ৰ মাজেদিও অদৃষ্টৰ বিকট হাঁহি বিৰিঙি উঠিছে।

**বৰদলৈৰ ৰচনাৰীতি ঃ**

সাহিত্যিকৰ মন, বস্তুজগত আৰু প্ৰকাশৰ কৌশলেই সাহিত্যৰ জন্ম দিয়ে। প্ৰকাশৰ মাজেৰে সাহিত্যৰ প্ৰাণ বস্তুটো মূৰ্তিমন্ত হৈ উঠে। সাহিত্যৰ ৰচনাৰীতি অনুসৰি সি ৰসাল বা ৰসহীন হয়। ৰজনীকান্ত বৰদলৈৰ ৰচনাসমূহৰ প্ৰকাশভংগী তথা ৰচনাশৈলীৰ কথা ভাবিলে দেখা যায় যে তেওঁৰ প্ৰেৰণাৰ উৎস আছিল অসম দেশ আৰু ইয়াৰ প্ৰাকৃতিক, সামাজিক, ঐতিহাসিক আৰু সাংস্কৃতিক সম্পদৰাজি। 'আচলতে দেশপ্ৰেম বৰদলৈৰ উপন্যাস ৰচনাৰ এটি মূল প্ৰেৰণা।'[৪] কলিকতাৰ পৰা শিক্ষা সাং কৰি অসমলৈ অহাৰ সময়তে তেওঁ অসমৰ পটভূমিৰ বুৰঞ্জীমূলক ঘটনাৰ আধাৰত 'স্কট' আৰু বংকিমচন্দ্ৰ চট্টোপাধ্যায়ৰ দৰে এলানি উপন্যাস লিখিবলৈ সংকল্প লৈছিল। তদুপৰি তেওঁৰ উপন্যাসৰ লক্ষ্য আছিল অসমীয়া উঠি অহা চামক স্বদেশপ্ৰীতি আৰু ধৰ্মৰ আদৰ্শৰ প্ৰতিহে আকৃষ্ট কৰা। আধ্যাত্মিকতা আৰু স্বদেশানুৰাগৰ মহিমাৰে তেওঁৰ ৰচনাসমূহ মহিমামণ্ডিত। তদুপৰি দেশৰ কল্যাণৰ অৰ্থে সাহিত্য সাধনাত ব্ৰতী হোৱা বাবে তেওঁৰ সাহিত্যত অসমীয়া সমাজ জীৱনৰ ছবি অংকিত হৈছে। সেইবিলাকৰ ভিতৰত আছে অসমীয়া গ্ৰাম্য সমাজৰ ছবি, ভাওনা-বিহু-দুৰ্গোৎসৱ আদি আনন্দমুখৰ উৎসৱৰ ছবি। আহোম স্বৰ্গদেউসকলৰ ভিতৰচ'ৰাৰ ছবি, মানৰ আক্ৰমণৰ ভয়াবহ ছবি, সাধু-সন্ন্যাসীৰ লগত অসমীয়া লোকৰ সান্নিধ্যৰ ছবিও তেওঁ তেওঁৰ উপন্যাসমূহত অংকন কৰিছে।

বৰদলৈৰ আন এটা বিশেষ মন কৰিলগীয়া কথা হ'ল চৰিত্ৰসমূহৰ কথোপকথনৰ ভাষা। সেই ভাষাও সহজ-সৰল, পোনপটীয়া আৰু বহু সময়ত ই সংলাপধৰ্মী অৰ্থাৎ নাটকীয় ৰূপ লৈছে। সেইবুলি কথোপকথৰ মাত্ৰাধিক্যই কোনো এখন উপনাসৰ প্ৰকৃত উপন্যাসৰ সৌন্দৰ্যক ম্লান কৰা নাই। ইয়ো তেওঁৰ ৰচনাৰীতিৰে এক অনুকৰণীয় কৌশল।

বৰদলৈৰ বাক্যৰ গাঁথনি কেতিয়াবা চুটি, সৰল, প্ৰকাশভংগী নিতান্ত প্ৰাঞ্জল আৰু নিমজ, কেতিয়াবা দীঘলীয়া। সংস্কৃত সন্ধি, সমাসযুক্ত শব্দৰ স্বাভাৱিক প্ৰয়োগো চকুত পৰে স্থানভেদে। সাধাৰণতে ধৰ্মৰ কথাত, ৰাজকীয় বিশেষ পৰিৱেশ আদিত আজিও তেনে গদ্যই স্থান পাইছে। কিন্তু শব্দ, উপমা বাক্যাদিৰ প্ৰয়োগত প্ৰাসংগিকতা ৰক্ষা কৰাটো চকুত পৰে। সিও বৰদলৈৰ ৰচনাৰীতিৰ আন এটা বৈশিষ্ট্য— "কামৰূপ জিলাৰতো কথাই নাই, অসংখ্য মঠ-মন্দিৰে ভৰা, য'ত কামাখ্যা মাতৃৰ মন্দিৰে এতিয়াও ভাৰতবৰ্ষৰ সকলো ঠাইৰ ধৰ্মপ্ৰাণ হিন্দুকে আকৰ্ষণ কৰিবই লাগিছে। গোৱালপাৰা জিলাতো মঠ-মন্দিৰ, গুহা ইত্যাদি আছে, কোনে কয় পাণ্ডৱবৰ্জিত দেশ। আসাম দৰাচলতে স্বৰ্গপুৰী।" দৈনন্দিন জীৱনত, ঘৰুৱা পৰিৱেশত কিম্বা বন্ধু-বান্ধৱৰ লগত কথা-বতৰা, আলাপ-আলোচনাত সচৰাচৰ ব্যৱহাৰ কৰা বাক্যৰ প্ৰয়োগ বৰদলৈৰ ৰচনাৰীতিৰ বিশেষত্ব। তেনে কথা-বাৰ্তাৰ চুটি চুটি বাক্যই তেওঁৰ ৰচনাক যে কেৱল চিত্ৰপ্ৰধান ৰূপহে দিছিল এনে নহয়, একে সময়তে তাত ব্যৱহাৰ কৰা উপমা-পটন্তৰে সেই বৰ্ণনাক অধিক আকৰ্ষণীয় তথা মনোগ্ৰাহী কৰি তুলিছিল। যেনে— 'তুলা উৰাদি উৰিবা', 'তই নাজাননে। বাঘৰে আৰু ছাগৰে কি মিতিৰ হ'ব পাৰে।' তদুপৰি সঘনাই ব্যৱহাৰ হোৱা দ্বিৰুক্তিবাচক শব্দ, অনুকাৰ, অনুৰূপ শব্দাদিয়ে তেওঁৰ গদ্যৰীতি অধিক ৰসাল আৰু তাৎপৰ্যপূৰ্ণ কৰি তুলিছে- অলিয়ালি, বলিয়ালি, উমলি, জামলি, কৰি ধৰি, খোজা, বঢ়া, খুউৱা, বুউৱা, গছ-বিৰিখ, জাত-কুল, চৰা-চকা পণ্ডিত ইত্যাদি। নতুনকৈ সৃষ্টি কৰা শব্দ কিছুমানো বৰদলৈৰ শব্দচয়নৰ এটি বিশেষত্ব। যেনে- অবিধি (বিধি অৰ্থত নহয়), অভাবুক (চিন্তা নকৰা লোক), কৃপালু (কৃপা কৰা অৰ্থত), জিকাৰ (জয় লাভ কৰোঁতাজন) ইত্যাদি। বানান ৰীতিতো বৰদলৈয়ে ঐ কাৰৰ ব্যৱহাৰ নকৰি তাৰ ঠাই 'অই' লিখিছিল। যেনে— কই, কইছিল, গইছিলো ইত্যাদি। বৰদলৈৰ ৰচনাত কামৰূপী খান - নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ অধিক। যেনে— এখান, কাপোৰখান, তামোলখান, দেশখান ইত্যাদি। আন এটা মন কৰিবলগীয়া কথা হ'ল অঞ্চল বিশেষৰ লোক-বিশ্বাস, প্ৰবাদ-পটন্তৰ, কিংবদন্তিৰ ওপৰত তেওঁৰ বিশ্বাস আৰু শ্ৰদ্ধা। সিও তেওঁৰ গদ্যক প্ৰভাৱান্বিত কৰিছে।

উপসংহাৰ ঃ অসমীয়া সাহিত্যত বৰদলৈৰ ৰচনাসমূহ নিঃসন্দেহে এক আপুৰুগীয়া সম্পদ। তাৰ মৰ্যাদা আৰু অন্তৰ্নিহিত মহীয়সী শক্তি কালৰ আঁচোৰ খাই নিষ্প্ৰভ হোৱা নাই, বৰং অধিক উজ্জ্বল হৈহে উঠিছে। আবাল-বৃদ্ধ-বনিতা

সকলোকে বৰদলৈৰ লেখাই বিমল আনন্দ দিয়ে। অসমৰ বুকুত থকা জনজাতি আৰু অজনজাতি সকলোকে আপোন বুলি সাবটি লৈ অসমীয়া ভাষা-সাহিত্যৰ অন্তৰ্ভুক্ত কৰি বৰদলৈয়ে যি এক অক্ষয় কীৰ্তি ৰাখি গ'ল, তাৰ তুলনা নাই। বৰদলৈ সেইবাবে আজিও অমৰ। উপন্যাসসমূহে বৰদলৈক চিৰনতুন কৰি ৰাখিছে। বৰদলৈ যথাৰ্থতেই অসমীয়া ভাষা-সাহিত্যৰ জগতত উপন্যাস সম্ৰাট।

প্ৰসংগ টোকা ঃ

১. নেওগ, মহেশ্বৰ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃঃ ৩০৪
২. শৰ্মা, সত্যেন্দ্ৰ, অসমীয়া উপন্যাসৰ ভূমিকা, পৃঃ ৭১
৩. বৰ্তমানৰ হেদায়েত্‌পুৰৰ অধিকাংশৰ উপৰিও গান্ধীবস্তিৰ পশ্চিমাংশ এই গাঁৱৰ এলেকাধীন আছিল।
৪. গোস্বামী, সতেন্দ্ৰনাথ, ১৯৭২, নিবন্ধগুচ্ছ, পৃঃ ৫৫-৫৬

*****

# প্ৰতিবাদ আৰু যন্ত্ৰণাৰ অন্য নাম ঃ মামণি ৰয়ছম গোস্বামী

**নীৰৱে লিখিলে 'দস্তাবেজ'ৰ শেষ পৃষ্ঠা ঃ**

ন মাহৰো অধিক সময় ধৰি চলিছিল জীৱন-মৃত্যুৰ এখন নিদাৰুণ যুঁজ। নিথৰ, নিৰ্বাক হৈ জি এম চি এইচৰ আই চি ইউত মৃত্যুৰ স'তে যুঁজি গৈছিল জ্ঞানপীঠ বিজয়িনী জ্ঞানমালিনীয়ে। জীৱন-মৃত্যুৰ যুঁজত অৱশেষত হাৰ মানিলে অসমৰ বৰপুত্ৰী, সাহিত্য সম্ৰাজ্ঞী মামণি ৰয়ছম গোস্বামীয়ে। সোঁৱৰণী হৈ পৰিল জ্ঞান আৰু সৃজনী প্ৰতিভাৰ অক্ষয় ভাণ্ডাৰ ড° ইন্দিৰা গোস্বামী অথবা সকলোৰে পৰিচিত মামণি ৰয়ছম আৰু বহুতৰ মামণি বাইদেউ। ২৯ নৱেম্বৰ ২০১১ চনৰ মঙলবাৰে পুৱা ৭.৪৫ বজাত চিৰদিনলৈ নুমাই থাকিল ঢিমিকি ঢিমিকি জ্বলি থকা মামণি বাইদেউৰ জীৱনবন্তি, জীৱনৰ দস্তাবেজ সামৰি চিৰদিনলৈ গুচি গ'ল 'আধালেখা দস্তাবেজ'ৰ স্ৰষ্টাই।

**ধন্য সেই পিতৃ-মাতৃ যিয়ে জন্ম দিলে এই মহীয়সীক ঃ**

১৯৪২ চনৰ ১৪ নৱেম্বৰত পিতৃ উমাকান্ত গোস্বামীৰ ঔৰসত আৰু মাতৃ অম্বিকা দেৱী গোস্বামীৰ গৰ্ভত জন্ম হৈছিল ইন্দিৰা গোস্বামীৰ। গুৱাহাটীত জন্ম হোৱা ইন্দিৰাৰ শৈশৱ, কৈশোৰ অথবা যৌৱনৰ অলেখ দিন অতিবাহিত হৈছিল পিতৃৰ জন্মগাঁও পলাশবাৰীৰ বৰিহাট আমৰাংগাৰ গ্ৰাম্য পৰিৱেশত। গুৱাহাটীৰ তাৰিণী চৰণ চৌধুৰী স্কুলত আৰু শ্বিলঙত স্কুলীয়া শিক্ষা লোৱাৰ পিছত ১৯৬৩ চনত তেওঁ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ১৯৭৩ চনত ৰামায়ণী সাহিত্যৰ ওপৰত গৱেষণা কৰি পি এইচ ডি ডিগ্ৰী অৰ্জন কৰে।

**জীৱনৰ কাৰুণ্যই যাৰ সাহিত্যত দিছিল অনন্য প্ৰাণ ঃ**

বৈবাহিক জীৱনৰ মাত্ৰ ১৮ মাহৰ পিছতে দুৰ্ভাগ্যজনকভাৱে এটা শোকাৱহ পথ দুৰ্ঘটনাত মামণি ৰয়ছমৰ স্বামী অভিযন্তা মাধৱেন ৰয়ছম আয়েংগাৰৰ মৃত্যু হয়। দুৰ্যোগৰ ধুমুহা নামি আহে মামণি ৰয়ছমৰ জীৱনলৈ। অকাল বৈধব্যৰ যন্ত্ৰণাত কাতৰ হৈ মামণি ৰয়ছমৰ মনলৈ আত্মহত্যাৰ চিন্তাও আহিবলৈ ধৰে বাৰে বাৰে। তেওঁৰ আত্মজীৱনী 'আধালেখা দস্তাবেজ'তেই প্ৰকাশ পাইছে সেই দুঃসহ সময়ৰ প্ৰতিটো মুহূৰ্তৰ সঠিক চিত্ৰ। পিছে সেই দুখক বুকুৰ পঁজাত ঠাই দিয়েই জীয়াই থাকিবলৈ সংকল্পবদ্ধ হ'ল মামণি ৰয়ছম। ব্যক্তিগত দুখৰ অনুভৱে যেন শাণিত কৰি তোলে তেওঁৰ সৃষ্টিশীল কলম। অবিৰত সৃষ্টিৰে তেওঁ পাঠক সমাজক উপহাৰ দি গ'ল— 'নীলকণ্ঠী ব্ৰজ', 'মামৰে ধৰা তৰোৱাল', 'অহিৰণ', 'উদয় ভানুৰ চৰিত্ৰ', 'সংস্কাৰ ইত্যাদি', 'চেনাবৰ স্ৰোত', 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা', 'আধালেখা দস্তাবেজ' আদিৰ দৰে বহু কালজয়ী গ্ৰন্থ। মানৱদৰদী মামণি ৰয়ছমৰ কাপ-মৈলামেৰে নিগৰি নিগৰি পৰিল নিৰ্মম বাস্তৱৰ বহুৰঙী চিত্ৰ। উদ্ভাসিত হৈ উঠিল দৰিদ্ৰ, নিপীড়িত, পদদলিত শ্ৰমিকৰ জীৱন, ঔৰ্ধ্বদৈহিকৰ বাবে আঁচলৰ গাঁঠিত ধন সাঁচি থোৱা ব্ৰজধামৰ ৰাধেশ্যামসকলৰ মৰ্মন্তুদ কাহিনী। তেওঁৰ সবল মনটোত, ঘটনাবহুল জীৱনটোত যেন থূপ খাই আছিল কঠিন বাস্তৱৰ বহু নিৰ্মম কাহিনী। তাৰ সঠিক চিত্ৰায়ণেৰে এসময়ত আত্মহত্যা কৰিবলৈ লগত নিদ্ৰা বড়ি সাঁচি ৰখা মানুহগৰাকীয়ে পিছলৈ জগতবাসীৰ ওচৰত দাঙি ধৰিছিল সৃষ্টিৰ ৰত্নভাণ্ডাৰ। তাৰেই ফলত ২০০০ চনত দেশৰ সাহিত্য বিষয়ক সৰ্বোচ্চ সন্মান 'জ্ঞানপীঠ' বঁটাৰে বিভূষিত হয় তেওঁ। অকল এয়াই নহয়, সাহিত্য অকাডেমি, ভাৰত নিৰ্মাণ বঁটা, বিদ্যাসাগৰ স্বৰ্ণফলক, পদ্মশ্ৰী, তুলসী দাস বঁটা, কমল কুমাৰী বঁটা, এম্বেছাডৰ ফৰ পীচ, প্ৰিন্স ক্ল'জ এৱাৰ্ড আদি বহু বিৰল সন্মানৰ অধিকাৰী হয় মামণি ৰয়ছম। তেওঁৰ অমৰ সৃষ্টিসমূহ হ'ল—

**গল্প সংকলন ঃ**

চিনাকি মৰম (১৯৬২), কইনা (১৯৬৬), হৃদয় এক নদীৰ নাম (১৯৯০), মামণি ৰয়ছমৰ স্বনিৰ্বাচিত গল্প (১৯৯৮) (হিন্দী ভাষালৈ অনূদিত) আৰু মামণি ৰয়ছম গোস্বামীৰ প্ৰিয় গল্প (১৯৯৮)।

**উপন্যাস সংকলন ঃ**

চেনাবৰ স্ৰোত (১৯৭২), নীলকণ্ঠী ব্ৰজ (১৯৭৬), ইংৰাজী-হিন্দী ভাষালৈ

অনূদিত, অহিৰণ (১৯৮০), মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস (১৯৮০), বাংলা ভাষালৈ অনূদিত, দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা (১৯৮৮), ইংৰাজী, পাঞ্জাবী, কানাড়া, হিন্দী, তেলুগু, বাংলা, নেপালী ভাষালৈ অনূদিত, সংস্কাৰ, উদয় ভানুৰ চৰিত্ৰ ইত্যাদি (১৯৮৯), ঈশ্বৰী জখমী যাত্ৰী ইত্যাদি (১৯৯১), তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা (১৯৯৪), হিন্দী ভাষালৈ অনূদিত, মামণি ৰয়ছম গোস্বামীৰ উপন্যাস সমগ্ৰ (১৯৯৮), দাশৰথীৰ খোজ (১৯৯১), ছিন্নমস্তাৰ মানুহটো (২০০১), হিন্দী, কানাড়া, মাৰাঠী ভাষালৈ অনূদিত, থেংফাখ্ৰী তহছিলদাৰৰ তামৰ তৰোৱাল (২০০৬)।

আত্মজীৱনীমূলক গ্ৰন্থ ঃ

'আধালেখা দস্তাবেজ' (১৯৮৮), ইংৰাজী, নেপালী, মাৰাঠী ভাষালৈ অনূদিত, দস্তাবেজৰ নতুন পৃষ্ঠা (২০০৭)।

জীৱনী গ্ৰন্থ ঃ

মহীয়সী কমলা (১৯৯৫), মা (২০০৮)।

অনুবাদ গ্ৰন্থ ঃ

প্ৰেমচন্দৰ চুটিগল্প, আধা ঘণ্টা সময়, জাতক কথা, কলম আৰু আহ্নিক।

ইংৰাজী গ্ৰন্থ ঃ

ৰামায়ণা ফ্ৰম গংগা টু ব্ৰহ্মপুত্ৰ (১৯৯৬)।

সম্পাদনা গ্ৰন্থ ঃ

এৰি অহা দিনবোৰ (ড° মলয়া খাউণ্ডৰ সৈতে যৌথ সম্পাদনা), ইণ্ডিয়ান ফ'কলৰ।

আনহাতে দেশ-বিদেশৰ বিভিন্ন পত্ৰিকা, গৱেষণা পত্ৰিকা আদিত মামণি ৰয়ছম গোস্বামীৰ বহুকেইখন মূল্যৱান ৰচনা, গৱেষণা পত্ৰ প্ৰকাশিত হৈছে।

মামণি ৰয়ছম গোস্বামীৰ কাহিনীবোৰৰ প্ৰধান উপজীব্য দুটা। এটা হৈছে সমাজৰ বিভিন্ন স্তৰৰ বিভিন্ন প্ৰান্তৰ নিৰ্যাতিত, নিপীড়িত, অসহায় লোকসকলৰ জীৱন যন্ত্ৰণা, যাক ইমান মৰ্মস্পৰ্শী আৰু জীৱন্তভাৱে অতি কমসংখ্যক লোকেহে ৰূপায়িত কৰিব পাৰিছে। দ্বিতীয় বৈশিষ্ট্য হৈছে এনে নিপীড়িত বা অৱহেলিতসকলৰ মাজত থাকি দৃঢ়তা আৰু বীৰত্বৰে সংগ্ৰাম কৰি নাৰীসত্তাক গৌৰৱান্বিত কৰা ব্যতিক্ৰমী মহিলা। ভাৰতৰ সমাজ ব্যৱস্থাৰ এই দুই গুৰুত্বপূৰ্ণ দিশ অংকন কৰি তেওঁ সমাজ সচেতন পাঠকসকলৰ বিবেক আলোড়িত কৰি থৈ গ'ল। ব্যক্তিগত

জীৱনত তেওঁ আছিল অতি মাৰ্জিত ৰুচিৰ কৰুণাময়ী নাৰী, যি অকাতৰে সহায়প্ৰাৰ্থীক সকলোধৰণৰ সহায়ৰ হাত আগবঢ়াইছিল।

**কৰ্মজীৱন ঃ**

গোৱালপাৰাৰ সৈনিক স্কুলত শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰি ১৯৭০ চনত তেওঁ দিল্লী বিশ্ববিদ্যালয়ত যোগদান কৰে। ৰামায়ণী সাহিত্যৰ আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন গৱেষিকা হিচাপেও স্বীকৃতি লাভ কৰা মামণি ৰয়ছম গোস্বামীয়ে জীৱন কালত শিক্ষায়তনিক দিশতো অসামান্য বৰঙণি আগবঢ়াই থৈ যায়। ৰামায়ণী সাহিত্যৰ প্ৰতি থকা তেওঁৰ আকৰ্ষণক প্ৰতিফলিত কৰিয়েই যেন তেওঁ গুৱাহাটীৰ গান্ধীবস্তিত থকা তেওঁৰ বাসভৱনটোৰ নাম ৰাখে 'ৰামাঞ্জলি'।

**শান্তিৰ যুঁজৰ অবিসম্বাদী নায়িকা আছিল মামণি ৰয়ছম ঃ**

বন্ধকোঠাত বহি কেৱল উপন্যাস বা সৃষ্টিৰ জগতত শান্তিৰ সন্ধান কৰা সাহিত্যিক নাছিল মামণি ৰয়ছম গোস্বামী। গোস্বামী আছিল শান্তিৰ মাজেৰে ৰূপান্তৰৰ স্বপ্ন দেখা সৃষ্টিকৰ্মী। সেইবাবে বিশ্বৰ আন বহু শিল্পী-সাহিত্যিকৰ দৰে ঘৰৰ ভিতৰতে নাথাকি ৰাইজৰ এজন হৈ সক্ৰিয়ভাৱে শান্তি প্ৰতিষ্ঠাৰ কৰ্মী আছিল তেওঁ। গভীৰ সমাজ বীক্ষাৰে তেওঁ সন্ধান কৰিছিল এখন শান্তিপূৰ্ণ সমাজৰ। তাৰেই ফলত আলফাই 'পিপল্‌ছ কনছালটেটিভ গ্ৰুপ' গঠন কৰি মামণি ৰয়ছম গোস্বামীক ইয়াৰ মুখ্য সমন্বয়ৰক্ষীৰ দায়িত্ব অৰ্পণ কৰাৰ উপৰি শান্তি প্ৰক্ৰিয়া সমন্বয়ৰক্ষী সমিতিৰো অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰিছিল। বিদ্ৰোহী সংগঠন আৰু নাগৰিক সমাজ উভয় শিবিৰতেই মামণি ৰয়ছম গোস্বামীৰ যে গ্ৰহণযোগ্যতা আছিল, ইয়েই তাৰ উৎকৃষ্ট প্ৰমাণ। সমান্তৰালভাৱে চৰকাৰৰ বাবেও আস্থাভাজন আছিল বিশিষ্ট সাহিত্যিকগৰাকী। কেন্দ্ৰীয় চৰকাৰ আৰু আলফাৰ মাজত বহু প্ৰত্যাশিত শান্তি আলোচনা আৰম্ভ কৰাৰ বাটত থকা হেঙাৰ আঁতৰোৱাৰ বাবে ২০০৫ চনৰ ৮ ছেপ্টেম্বৰত আলফাই গোস্বামীৰ নেতৃত্বত পি চি জি গঠন কৰিছিল। কিন্তু প্ৰকৃতাৰ্থত সেই বছৰৰ মে'-জুন মাহতেই গোস্বামীয়ে আলফা আৰু চৰকাৰ উভয়ৰ সৈতে সংযোগ স্থাপন কৰিছিল। প্ৰধানমন্ত্ৰীৰ সেই সময়ৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাৰ সৈতে চিঠিৰ আদান-প্ৰদান আৰু সঘন টেলিফোন বাৰ্তালাপেৰে পি চি জি আৰু চৰকাৰৰ মাজত শান্তি আলোচনা আৰম্ভ কৰাৰ বাট মুকলি কৰিছিল গোস্বামীয়ে। এঘাৰজনীয়া পি চি জিৰ সৈতে প্ৰধানমন্ত্ৰীৰ উপস্থিতিত নতুন দিল্লীত প্ৰথমলানি আলোচনা হৈছিল ২০০৫ চনৰ ২৬ অক্টোবৰত। ২০০৬ চনৰ ৭ ফেব্ৰুৱাৰীত

দ্বিতীয়লানি আলোচনা আৰু ২০০৬ চনৰ ২২ জুনত কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উপস্থিতিত তৃতীয়লানি আলোচনা সম্পন্ন হৈছিল। তৃতীয়লানি বৈঠকত আলফা আৰু চৰকাৰৰ মাজত বহু আকাংক্ষিত আলোচনাৰ বাট মুকলি হৈছিল আৰু চৰকাৰে পাঁচ বন্দী আলফা নেতাক মুকলি কৰি দিবলৈ সন্মত হোৱাৰ বিপৰীতে পি চি জিয়ে আলফাক আলোচনাৰ উপযোগী হিংসামুক্ত পৰিৱেশ গঢ়াত অৰিহণা যোগাবলৈ সন্মত হৈছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে মূৰকত সেয়া হৈ উঠাগৈ নাছিল। পি চি জিৰ নজন সদস্যই (মুখ্য সমন্বয়ৰক্ষী মামণি ৰয়ছম গোস্বামী, সমন্বয়ৰক্ষী ৰেৱতী ফুকনক বাদ দি) চৰকাৰৰ অৱহেলা আৰু অনীহাত ক্ষুব্ধ হৈ ২০০৬ চনৰ ২৮ ছেপ্টেম্বৰত আলোচনা প্ৰক্ৰিয়াটোৰ পৰা আঁতৰি আহে। শান্তি আলোচনাৰ পৰা পি চি জি আঁতৰি অহাৰ পিছতো কিন্তু গোস্বামীয়ে শান্তি প্ৰতিষ্ঠাৰ আশা নেৰিলে। নিজা উদ্যোগ, নিজা প্ৰচেষ্টাৰে শান্তি আলোচনাৰ অনুকূল পৰিৱেশ ৰচনাৰ হকে অবিৰাম প্ৰচেষ্টা চলাই গ'ল তেওঁ। সাহিত্যিকগৰাকীয়ে কেতিয়াও আলোচনা প্ৰক্ৰিয়াক লৈ বিভাজনমুখী চিন্তাক অগ্ৰাধিকাৰ দিয়া পৰিলক্ষিত হোৱা নাছিল। তথাপি আলোচনাক লৈ পৰেশ বৰুৱা আৰু অৰবিন্দ ৰাজখোৱাৰ নেতৃত্বত আলফা দুটা শিবিৰত বিভক্ত হ'লেও দুয়োটা শিবিৰৰ মাজতেই অক্লান্ত শান্তি সন্ধানীগৰাকীৰ বিশ্বাসযোগ্যতা আৰু গ্ৰহণযোগ্যতা বৈ গ'ল।

**ৰয়ছমৰ সৃষ্টিৰ আধাৰত নিৰ্মিত হৈছিল চলচ্চিত্ৰ, ধাৰাবাহিক, টেলিফিল্ম ঃ**

মামণি ৰয়ছম গোস্বামীৰ সৃষ্টিৰ ৰসত ডুব গৈছিল সমাজৰ সকলো শ্ৰেণীৰ পাঠক। হয়তো এই কাৰণতে চেলুলয়ডো আকৰ্ষিত হৈছিল বিশিষ্ট লেখিকাগৰাকীৰ যাদুকৰী সৃষ্টিৰ প্ৰতি। দুখন পূৰ্ণদৈৰ্ঘ্যৰ ছবি, তিনিখন ধাৰাবাহিক আৰু বহুকেইখন টেলিফিল্ম নিৰ্মাণ হৈছিল তেওঁৰ অনবদ্য উপন্যাস আৰু গল্পৰ কাহিনীৰ আধাৰত। ১৯৮৮ চনত প্ৰকাশ পোৱা তেওঁৰ অন্যতম জনপ্ৰিয় উপন্যাস 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'ৰ কেইটামান নিৰ্বাচিত চৰিত্ৰক লৈ বিশিষ্ট শিল্পী ডাঃ সান্ত্বনা বৰদলৈয়ে নিৰ্মাণ কৰিছিল 'অদাহ্য' ছবিখন। এই ছবিখনে ৰাজ্যলৈ আনিছিল ৰাষ্ট্ৰীয় বঁটা আৰু আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি তথা উচ্চ প্ৰশংসা। ১৯৯৬ চনত 'অদাহ্য' ছবিয়ে ৰজত কমল বঁটা লাভ কৰাৰ লগতে এই ছবিত অনন্য চিত্ৰগ্ৰহণৰ কাম কৰাৰ বাবে প্ৰয়াত মৃণালকান্তি দাসে লাভ কৰিছিল শ্ৰেষ্ঠ চিত্ৰগ্ৰহণকাৰীৰ ৰাষ্ট্ৰীয় বঁটা। আনহাতে ভাৰতীয় পেনোৰামালৈ নিৰ্বাচিত হোৱাত 'অদাহ্য' ছবিখন বিশ্বৰ প্ৰায় কুৰিখন আন্তঃৰাষ্ট্ৰীয় ছবি মহোৎসৱত প্ৰদৰ্শিত হৈ উচ্চ প্ৰশংসা লাভ কৰে। আনহাতে 'দঁতাল হতীৰ উঁয়ে খোৱা হাওদা'ৰ কাহিনী লৈ বিশিষ্ট শিল্পী দুলাল ৰয়ে ১৯৯৬ চনত দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় চেনেলৰ বাবে

নিৰ্মাণ কৰিছিল 'কামৰূপ কী কাহানী' নামৰ হিন্দী ধাৰাবাহিকখন। ধাৰাবাহিকখনৰ চিত্ৰনাট্য লিখিছিল ৰমা ঘোষে। ১৯৯৭ চনত মামণি ৰয়ছম গোস্বামীৰ 'সংস্কাৰ' নামৰ গল্পৰ আধাৰত একে নামৰ ছবি নিৰ্মাণ কৰিছিল ৰঞ্জিত দাসে। কিন্তু ছবিখন চিত্ৰগৃহলৈ নাহিল। কলকাতা ছবি মহোৎসৱ আৰু দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় চেনেলত প্ৰদৰ্শিত ছবিখনে চলচ্চিত্ৰ ৰসিকৰ পৰা উচ্চ প্ৰশংসা লাভ কৰে। আনহাতে মামণি ৰয়ছম গোস্বামীৰ আত্মজীৱনী 'আধালেখা দস্তাবেজ'ৰ আধাৰত এছ কোহলিয়ে এখন ধাৰাবাহিক নিৰ্মাণ কৰিছিল। তদুপৰি 'ভিক্ষাৰ পাত্ৰ ভাঙি'ৰ আধাৰত নিৰ্মাণ কৰা এখন হিন্দী ধাৰাবাহিক দূৰদৰ্শনত সম্প্ৰচাৰ হৈছিল।

**আমৰাংগা ঃ য'ত অংকুৰিত হৈছিল তেওঁৰ সৃষ্টিৰ বীজ ঃ**

বৈবাহিক জীৱনৰ ওঠৰটা মাহৰ পিছতেই বৈধব্যক আঁকোৱালি লোৱা মামণি ৰয়ছম স্বপ্নভংগৰ হতাশাত ভাগি পৰিছিল। বিষাদস্তব্ধ জঠৰ হৈ বিশাল চকুযুৰিত শূন্যতা লৈ উভতি আহিছিল আমৰাংগালৈ। সৰুতেই হেৰাই যোৱা পিতৃৰ সান্ত্বনাৰ উমাল সান্নিধ্যৰ প্ৰচ্ছায়া বিচাৰি হাহাকাৰ কৰি উঠিছিল তেওঁৰ আহত হৃদয়। সিদিনা আমৰাংগাৰ উদাৰ আকাশে গভীৰ আৱেগেৰে তেওঁক আৱৰি ৰাখিছিল। ইয়াৰ মানুহৰ আকাশ-বতাহৰ নিভাঁজ মৰমৰ ছাঁতেই বৈ ভাগি চূৰমাৰ হৈ পৰা সপোনবোৰ সামৰি-সুতৰি লৈছিল তেওঁ। পুনৰ চেষ্টা কৰিছিল থিয় হ'বলৈ। ওৰেটো জীৱন আমৰাংগা আৰু ইয়াৰ সহজ-সৰল গঞা ৰাইজৰ মৰমৰ স্মৃতি বুকুত সাবটিয়েই বিশ্ব ভ্ৰমি ফুৰিছিল তেওঁ। আমৰাংগাৰ মানুহৰ জীৱনেই হৈ পৰিছিল তেওঁৰ মহৎ সৃষ্টিৰ উপন্যাসৰ মূল উপজীব্য। ইয়াৰ মানুহৰ হৃদয়ৰ কান্দোনেই হৈছিল তেওঁৰ কলমৰ প্ৰতিবাদী ভাষা। জীৱনৰ ঘাত-প্ৰতিঘাতৰ মাজতো সতেজ হৈ ৰৈছিল স্মৃতিৰ দেৱালে দেৱালে অংকিত আমৰাংগাবাসীৰ সঁচা মৰমৰ ৰং। সুদূৰ দিল্লী, মুম্বাই, মথুৰা, ইউৰোপ— য'লৈকে নাযাওক কিয়, অৱলা-নিছলা আমৰাংগাবাসীৰ দুখ-বেদনাৰ হুমুনিয়াহে অহৰহ খেদি ফুৰিছিল তেওঁক। চিকিৎসাৰ অভাৱত আঁহত গছৰ তলত নিঃসংগভাৱে শুই শুই ৰোগীয়ে অসহায়ভাৱে আকাশলৈ চাই মৃত্যুভিক্ষা কৰাৰ কৰুণ স্মৃতিয়ে প্ৰতিনিয়ত ভাঙি নিছিল তেওঁৰ হৃদয়। 'মই নোৱাৰিলোঁ। তুমি পাৰিলে আমৰাংগাৰ মানুহৰ বাবে এখন হাস্পতাল কৰিবা'— পিতৃ উমাকান্ত গোস্বামীয়ে ল'ৰালিতে তেওঁক কৈ থৈ যোৱা এই কথাষাৰে নতুন আশাৰ স্ৰোত হৈ তেওঁক প্ৰতিক্ষণে প্ৰেৰণা যোগাইছিল। ভগা-গঢ়াৰ এইঅহৰহ ছায়াযুদ্ধত বিহ্বল অসহায় হৈপৰিছিল তেওঁৰ হৃদয়। অৱশেষত সুদীৰ্ঘ অপেক্ষাৰ অন্ত পৰিল। ইউৰোপৰ স্বনামধন্য প্ৰিন্সিপাল ক্লজ ফাউণ্ডেচনে তেওঁলৈ

বঁটা হিচাপে আগবঢ়ালে ৪০ লাখ টকা। জীৱনৰ অন্তিমটো আশা পূৰ্ণ হ'বলৈ আৰম্ভ কৰা দেখি আনন্দত উদ্বাউল হৈ পৰিল তেওঁ। উদভ্ৰান্ত হৈ ইউৰোপৰ পৰা আমৰাংগালৈ তেওঁ ঢাপলি মেলিলে। গাঁৱৰ গুৰুজনৰ স'তে আলোচনা কৰি পিতৃয়ে দান কৰি যোৱা এডোখৰ মাটিত থকা এখন প্ৰাথমিক চিকিৎসালয়ক ১২খন বিছনাযুক্ত হাস্পতাললৈ উন্নীত কৰাৰ সিদ্ধান্ত ল'লে তেওঁ।

**মহাশ্বেতা দেৱীৰ মহাপ্ৰয়াণত আধুনিক ভাৰতীয় সাহিত্যৰ এটা যুগৰ অৱসান হ'ল ঃ**

সুধাকণ্ঠই কৈ গৈছে, 'মামণিৰ লিটাৰেচাৰৰ কোৱালিটী বহুত হাই, ম'ৰ ডেন্ জ্ঞানপীঠ। তেওঁক দেখিলেই মোৰ মহাশ্বেতা দেৱীৰ নিচিনা লাগে।' সঁচাকৈয়ে এই মহাশ্বেতাই আমাক যি কালজয়ী লিখনিসমূহ দিলে, সি নিঃসন্দেহে ভাৰতীয় সাহিত্যক সমৃদ্ধ কৰিছে। মামণি ৰয়ছম গোস্বামী এগৰাকী নাৰী, যাৰ অন্তৰত আনন্দ আছিল, প্ৰেম আছিল, আনৰ প্ৰতি দৰদ আছিল আৰু সাহস আছিল। আধুনিক অসমীয়া চুটিগল্প আৰু উপন্যাসক বিষয়বস্তু, কথনৰীতি আৰু পৃষ্ঠভূমিৰে মামণি ৰয়ছমে এক নতুন আয়তন দান কৰিছে। অসমীয়া গল্প-উপন্যাসৰ পৃষ্ঠভূমি গোস্বামীয়ে অসমৰ পৰা বহু দূৰলৈ লৈ গৈ আধুনিক অসমীয়া সাহিত্যৰ পৃষ্ঠভূমিক বিস্তৃতি দান কৰিছে। মামণি ৰয়ছম গোস্বামীৰ গল্প-উপন্যাসৰ কথনৰীতি কাব্যিক। ড° গোস্বামীয়ে ৰামায়ণী সাহিত্যৰ অধ্যয়নকো এক নতুন মাত্ৰা দান কৰিলে। তেওঁৰ গল্প-উপন্যাসসমূহত নাৰী দৃষ্টিকোণ এটা সকলোৰে চকুত পৰিলেও তেওঁ ঠিক নাৰীবাদী লেখিকা নহয়, তেওঁ গভীৰ মানৱতাবাদী লেখিকা। সৃষ্টিশীল ৰচনাৰ মাজেদি অসমীয়া সাহিত্যক নতুন মৰ্যাদা দান কৰি ড° গোস্বামীয়ে নিজেও অমৰত্ব লাভ কৰিছে।

জগলীয়া নদীৰ পাৰে পাৰে বৈ গৈ বিশ্ব সাহিত্যৰ মহাসমুদ্ৰক উদ্বেলিত কৰা জীৱন অহিৰণৰ মহাশক্তিমান সুঁতি আজি স্তব্ধ। হেৰাই গ'ল এটি প্ৰতিবাদী কলমৰ প্ৰতিবাদী নিনাদ। গালিবৰ লগতে দিল্লীৰ আত্মাৰো মৃত্যু হ'ল বুলি দিল্লীৰ নিষ্ঠুৰতাক উপহাস কৰিবলৈ আজি আৰু কোনো নাই। চিৰকালৰ বাবে উকা হৈ ৰ'ল অসমীয়াৰ হৃদয়ত প্ৰাণৰ সঞ্চাৰ কৰা বিশ্ব সাহিত্যৰ এটি পৃষ্ঠা। গালিবৰ লগতে দিল্লীৰ আত্মাৰ মৃত্যু হোৱা বুলি ক'লেও অসমৰ আত্মাৰ অবিনশ্বৰতাৰ প্ৰমাণ হৈ ৰ'ব ড° মামণি ৰয়ছম গোস্বামী। অসমৰ সাহিত্য আকাশত এটি উজ্জ্বল জ্যোতিষ্ক হৈ ড° মামণি ৰয়ম গোস্বামী জিলিকি থাকিব চিৰদিন, চিৰকাল।

*****

# ড° ভূপেন হাজৰিকা ঃ আমাৰ হৃদয়ৰ স্থায়ী বাসিন্দা

"ড° ভূপেন হাজৰিকা— এয়া এজন ব্যক্তিৰ এটি মাথোঁ নাম নহয়, সাহিত্য আৰু কলা-সংস্কৃতিৰ জগতত সুৰ আৰু কণ্ঠৰে, গীত আৰু গদ্যৰে সজোৱা এক বৰ্ণাঢ্য বিচিত্ৰানুষ্ঠানৰ নাম ভূপেন হাজৰিকা। শৈশৱ কালৰে পৰা আৰম্ভ হোৱা জীৱনজোৱা সাংস্কৃতিক পৰিক্ৰমালৈ লক্ষ্য কৰিলে দেখা যায় যে কণ্ঠকলাৰ পৰা কাব্যকলালৈ, গীতিসাহিত্যৰ পৰা গদ্য সাহিত্যলৈ, পৰিৱেশ্য সংগীতৰ পৰা নেপথ্য সংগীতলৈ, মঞ্চ নাট্যৰ পৰা চিত্ৰনাট্যলৈ, অনাতাঁৰ কেন্দ্ৰৰ পৰা দূৰদৰ্শন কেন্দ্ৰলৈ, বিশ্ববিদ্যালয়ৰ পৰা বিধানসভালৈ, আলোচনী সম্পাদনাৰ পৰা সাহিত্য সমালোচনালৈ, ইতিহাস চৰ্চাৰ পৰা অনুবাদ সাহিত্যলৈ, অসমৰ পৰা সমগ্ৰ বিশ্বৰ দেশ-বিদেশলৈ স্বচ্ছন্দে বিচৰণ কৰি ফুৰা ভূপেন হাজৰিকাৰ এই ভ্ৰাম্যমাণ জীৱন পৰিক্ৰমা যেন বহুমুখী প্ৰতিভাৰ এক জীৱন্ত শোভাযাত্ৰাহে।"[১]

সৃষ্টিৰ কঠীয়াতলীত নিতৌ নন বীজ সিঁচাৰ এক বিনম্ৰ প্ৰয়াস আৰু প্ৰতিশ্ৰুতি লৈ বিশাল ভাৰতভূমিৰ পূৰ্বদিশৰ সূৰ্য উঠা দেশ অসমৰ শদিয়াত ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত ভূপেন হাজৰিকাৰ জন্ম হয়। পিতৃ প্ৰয়াত নীলকান্ত হাজৰিকা আৰু মাতৃ শান্তিপ্ৰিয়া হাজৰিকা। মামাক অনাথ বন্ধু দাস, ককাদেউতাক ৰতিকান্ত দাস আৰু মাহীয়েক ভৱপ্ৰিয়া দাসৰ ছত্ৰছায়াত শৈশৱ অতিবাহিত হৈছিল ভূপেন হাজৰিকাৰ। সেই সময়ত ব্ৰাহ্ম সমাজত বাংলা গান প্ৰচলিত আছিল। মোমায়েকৰ ঘৰতো সদায় সন্ধিয়া ব্ৰাহ্ম সংগীতৰ সাংগীতিক পৰিৱেশ। মাহীয়েকক তেতিয়াই আবদাৰ ধৰিছিল— 'গান শিকাই দিয়ানা'— শিকাইছিল মাহীয়েকে। সহজ শব্দ চয়নৰ এটি গীত— 'হে ভগৱান হে ভগৱান, চাহিনা মৰিতে আমি এই

বিশ্বজগতে'— সেয়াই আৰম্ভণি, আঢ়ৈ বছৰীয়া ভূপেন্দ্ৰৰ সংগীতৰ দীঘলীয়া বাটত প্ৰথম খোজ।

"সেইদিনা আছিল ১৯৩০ চনৰ ৩০ জানুৱাৰী। গুৱাহাটীৰ কটন কলেজিয়েট হাইস্কুলত আয়োজিত এখন সভাত এটি পাঁচ বছৰীয়া শিশুৱে গীত গাইছিল। সেই সময়ত তাত উপস্থিত আছিল অসমীয়া সাহিত্য জগতৰ এজন প্ৰাতঃস্মৰণীয় ব্যক্তি লক্ষ্মীনাথ বেজবৰুৱা। কণমানিটিৰ গীতত মুগ্ধ হৈ তামোল খোৱা মুখখন ধুই চুমা খাই কৈছিল— 'নীল হাজৰিকাৰ ল'ৰা এই ভূপেন মইনাৰ গীত ইমান পৱিত্ৰ লাগিল যে মোৰ অপৱিত্ৰ মুখখন ধুই নিকা কৰিহে মই তাক চুমা খাই যোৱা উচিত বুলি ভাবিলোঁ। বৰ ডাঙৰ শিল্পী হ'ব এওঁ'— বেজবৰুৱাৰ আশিস ব্যৰ্থ নহ'ল। দেশ-কালৰ পৰিধি অতিক্ৰমি এই শিশু ভূপেন্দ্ৰ হৈ পৰিল বিশ্ব বিশ্ৰুত এক যুগজয়ী শিল্পী।"[২]

নিজৰ ঘৰখনৰ মাহীয়েক-মোমায়েকৰ পিছতেই তেওঁৰ সংগীত চৰ্চাই উৎকৰ্ষ লাভ কৰিছিল দুজন শিল্পী মনীষাৰ নিবিড় সান্নিধ্যত— ১৯৩৫ চনত জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সান্নিধ্য লাভ কৰাৰ পিছতেই গঢ় লৈ উঠিছিল তেওঁৰ সাংস্কৃতিক জীৱনৰ ৰবভেটিটো। উন্নতমানৰ ৰুচিবোধ, বিশ্বমুখী দৃষ্টিভংগী আৰু গভীৰ জীৱন দৰ্শন লাভ কৰিছিল তেওঁলোকৰ পৰা।

সুৰ আৰু সংগীতকে জীৱন ৰূপে আঁকোৱালি লোৱা ভূপেন হাজৰিকাৰ গীতিকাৰ জীৱনৰ সূচনা হয় ১৯৩৭ চনত— 'কুসুম্বৰ পুত্ৰ শ্ৰীশংকৰ গুৰুৱে' গীতটি ৰচনাৰ দ্বাৰা।

তেজপুৰ হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ, কটন কলেজৰ পৰা ইণ্টাৰমিডিয়েট, বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা বি. এ., একে বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞান বিষয়ত ভূপেন হাজৰিকাই এম. এ. ডিগ্ৰী লাভ কৰে। ১৯৫০ চনত শিক্ষা বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা। লগতে এই চনতে পূব আফ্ৰিকাৰ উগাণ্ডাৰ বাসিন্দা ব্ৰাহ্মণ সম্প্ৰদায়ৰ কন্যা স্নাতকোত্তৰ ডিগ্ৰীধাৰী শ্ৰীমতী প্ৰিয়ম্বদা এম পেটেলক বিয়া কৰায় নিউয়ৰ্ক চহৰত। ভূপেন হাজৰিকাৰ বিদ্যায়তনিক ক্ষেত্ৰ অতি বিস্তৃত। লোক-জীৱনৰ সৈতে থকা অবিচ্ছেদ্য নিবিড় সম্পৰ্ক আৰু একাত্মতাৰ সৈতে তেওঁৰ এই বিদ্যায়তনিক জ্ঞানৰাশি মিলি গৈ তেওঁৰ ব্যক্তিত্বক কৰি তুলিছে বিশাল, ব্যাপ্ত আৰু ঐশ্বৰ্যমণ্ডিত। তেওঁৰ এই অতুল বৈভৱ আৰু সঞ্চিত অভিজ্ঞতা উৎসৰ্গীকৃত হৈছে জগতবাসীৰ কল্যাণত, মানুহৰ

মহৎ উজ্জীৱনত। আমাৰ দেশৰ বাবে বিভিন্ন ক্ষেত্ৰত হাজৰিকা আধুনিকতাৰ অগ্ৰদূত বুলি ক'লেও অত্যুক্তি কৰা নহ'ব যেন লাগে। চল্লিশৰ দশকতে মাৰ্কিন যুক্তৰাষ্ট্ৰলৈ গৈ গণসংযোগৰ দৰে বিষয়ত গৱেষণা কৰাটোৱেই তাৰ জ্বলন্ত দৃষ্টান্ত। বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰূপে কৰ্মজীৱনৰ পাতনি মেলা ভূপেন হাজৰিকাৰ যুগোপযোগী ধ্যান-ধাৰণাই বিভিন্ন সময়ত বিশ্বৰ বিদ্বৎ সমাজত গুৰুত্ব লাভ কৰি আহিছে।

এন্ধাৰৰ ভেটা ভাঙি লুইতৰ পাৰ জিলিকাই তুলিবলৈ মন মেলা ভূপেন হাজৰিকাই ১৯৫৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বাবে লিখিলে এক যুগান্তকাৰী গীত— 'জিলিকাব লুইতৰে পাৰ...'।

দেশ-বিদেশৰ হাজাৰ হাজাৰ শ্ৰোতা জনতাৰ 'বুকুৰ তপত উমৰ উদগনি' পাই জীৱনৰ বিয়লি পৰলৈকে নাট ঘৰে ঘৰে কণ্ঠ সুধা নিগৰোৱা ভূপেন হাজৰিকাৰ গীতৰ কথা অলপ ক'ব বিচাৰিছোঁ। আজীৱন সুৰৰ মায়াত বন্দী হৈ থকা এই সুৰৰ যাদুকৰৰ 'অ' মইনা কেতিয়া আহিলি তই' শীৰ্ষক এটি গীতত সুৰ দি গোৱা দিনৰে পৰা আৰম্ভ হৈছিল তেওঁৰ সুৰকাৰৰ জীৱন। তাৰ পিছৰে পৰা আজীৱন তেওঁ ব্ৰতী হৈ আছিল মাটিৰ সুগন্ধি সনা নানা ৰহণীয়া সুৰৰ সাধনাত।

ভূপেন হাজৰিকাৰ গীতত ভাবৰ জটিলতা, শব্দৰ দুৰ্বোধ্যতা আৰু অৰ্থৰ অস্পষ্টতা নাই। ইমান সুন্দৰকৈ গায় যে গীতৰ কথা ছবি হৈ দৰ্শক শ্ৰোতাৰ মানসপটত দোলা দি যায়। নৱকান্ত বৰুৱাৰ ভাষাত— 'শব্দ আৰু ভাৱক কণ্ঠৰে নিখুঁতভাৱে প্ৰকাশ কৰি শ্ৰোতাৰ হৃদয় উদ্বাউল কৰাৰ মন্ত্ৰ ভূপেন হাজৰিকাৰ যেন নখদৰ্পণত। ভূপেন হাজৰিকা নিজে কবি, নিজে সুৰকাৰ, গীতিকাৰ, গায়ক— সকলো। সেইবাবেই এয়া সম্ভৱ হৈছে।

শৈশৱৰ পৰা দেখি অহা ব্ৰহ্মপুত্ৰৰ বিশালতাই হাজৰিকাৰ মনটোকো বিশাল আৰু বহমান কৰি তুলিছিল। তেওঁ নিজে কৈছে— 'লুইতৰ পানী যিদৰে বৈ যায় সাগৰলৈ, সময়ৰ লগে লগে মোৰ উপলব্ধি অনুভৱবোৰো বিয়পি গ'ল সাগৰ মহাসাগৰলৈ। লুইত মোৰ প্ৰেৰণা...'। তাৰেই ফলত যেন তেওঁৰ কাপৰ পৰা নিগৰি নিগৰি ওলাল— 'মহাবাহু ব্ৰহ্মপুত্ৰ / মহামিলনৰ তীৰ্থ / কত যুগ ধৰি আহিছে প্ৰকাশী / সমন্বয়ৰ অৰ্ঘ্য... ।' আনহাতে তেওঁ এগৰাকী ভাৰতীয়, এগৰাকী বিশ্বনাগৰিক। জ্যোতিপ্ৰসাদে কোৱাৰ দৰেই চৰণীয়া পথাৰৰ পৰা গাঁৱৰ আলিয়েদি বিশ্বৰ বৰসভালৈ যাব পৰা তেওঁ এগৰাকী বিশ্বনাগৰিক। সেইবাবেই তেওঁ পদ্মাপৰীয়াৰ কথাও কয়— 'পদ্মানদীৰ ধুমুহাত পৰি কত শতজন আহিলে, লুইতৰ

দুয়োপাৰে কতনা অতিথি আদৰিলে।' সঁচাকৈয়ে ব্ৰহ্মপুত্ৰৰ দৰেই যুগ যুগ ধৰি পুৰুষত্বৰ পৰিচয় দি অহা লুইতপৰীয়া ডেকা-গাভৰু অৰ্থাৎ অনাগত দিনত জাগ্ৰত প্ৰহৰীস্বৰূপ নতুন পুৰুষক লৈ তেওঁ ৰচনা কৰিছে বহুকেইটা সংগ্ৰামী গীত— নতুন পুৰুষৰ বাবে প্ৰেৰণাদায়ক গীত, প্ৰতিবাদী আৰু প্ৰগতিবাদী গীত—

অগ্নিযুগৰ ফিৰিঙতি মই
নতুন অসম গঢ়িম।

যুগজয়ী গীতিকবি ভূপেন হাজৰিকাৰ গীতি-সাহিত্যৰ অন্যতম এক প্ৰধান বিষয় হৈছে মানুহ আৰু মানুহৰ সমাজ। তেওঁৰ অধিকাংশ গীতৰ মাজেদি প্ৰকাশ পাইছে সৰু মানুহৰ সুখ-দুখ, হাঁহি-কান্দোনেৰে ভৰা জীৱনৰ গূঢ় সংবাদ প্ৰকাশ পাইছে জীৱনৰ নানা ছন্দ আৰু আশাৰ বতৰা— 'মানুহে মানুহৰ বাবে, যদিহে অকণো নাভাবে, অকণি সহানুভূতিৰে ভাবিব কোনেনো কোৱা সমনীয়া।'

দৰিদ্ৰ, নিষ্পেষিত, পদদলিত শ্ৰেণীটোৰ বাবে মনটোৱে হাহাকাৰ কৰি উঠিছিল আৰু সৰ্বস্ব ওভতাই দিয়াৰ প্ৰতিশ্ৰুতিৰে গাইছিল— 'সৰ্বহাৰাৰ সৰ্বস্ব পুনৰ ফিৰাই আনিম'।

শিল্পীগৰাকীৰ গীত সৃষ্টিৰ বহমান সোঁতত আছে যৌৱনোচ্ছল প্ৰেমৰ প্লাৱন। তেওঁৰ জীৱনলৈও প্ৰেম আহিছিল। কিছুমান গীতৰ ভাষাত আছে প্ৰেমিক প্ৰাণত জাগি উঠা ৰঙীন কল্পনাৰ এক বাংময় ৰূপ— সুৰত আছে অন্তৰ পৰশা কোমলতা। তেওঁৰ জীৱনত বিৰহ বেদনাও নথকা নহয়। তেওঁৰ প্ৰেমৰ গীতত নোপোৱাৰ বেদনা আছে, ক্ষোভ আৰু অভিমান আছে— 'হয়তো তুমি তোমাৰ মৰমবোৰ, থৈছা সাঁচি কাৰোবালে গুপুতে গুপুতে, তাত মোৰ ভাগেই নাই।' কিন্তু হতাশা নাই। হতাশাৰ ওচৰত আত্মসমৰ্পণ কৰি হেৰাই যোৱাৰ দৰে কোনো নেতিবাচক কথা তেওঁ কোৱা নাই— 'তোমাৰ অবিহনে চিপজৰী ল'ম বুলি যদি তুমি ভাবিছা, ভুল কৰিছা সোণজনী মোৰ অলীক সপোন দেখিছা।' বৰং বিৰহ বেদনাক মিঠা বেদনা ৰূপে গ্ৰহণ কৰা এই শিল্পীয়ে জীয়াই থাকি এখন সমাজ গঢ়াৰ পণ কৰিছে, য'ত সোণতকৈও মানুহৰ দাম অলপ হ'লেও বেছি আছে।'

ভূপেন হাজৰিকাই কৈছে— 'মই প্ৰেমিক। সেয়ে নৰ-নাৰীৰ প্ৰেম, পৃথিৱীৰ প্ৰেম, মানৱ প্ৰেম, দেশপ্ৰেম, সৌন্দৰ্য প্ৰেম, এই সকলোকে মই সন্মান কৰোঁ। সেই কাৰণেই মই ভাল পাইছোঁ মাছলৈ যোৱা ৰংমনক, এন্ধাৰ ৰাতিৰ নিশা পুত্ৰশোকত উচুপি উঠা দুখুনী মাতৃগৰাকীক, দিচাংমুখৰ মিচিং ডেকাটিক, ফুটগধূলিতে গাই

খীৰোৱা গোৰ্খালী গাভৰুজনীক, মোক সাবটি ধৰা মনপা কাইটিক। ভাল পাইছোঁ লুইতক, ভাল পাইছোঁ মৰমী অসমী আইক। সেইবাবেইতো গাইছোঁ— 'লৌহিত্যৰে বহল পাৰক প্ৰণিপাত কৰোঁ, জন্ম ল'লোঁ ইয়াতেই ইয়াতেই যেন মৰোঁ।'

দেশৰ ভৱিষ্যৎ নাগৰিক শিশুসকলৰ কথাও তেওঁ পাহৰি যোৱা নাই। শিশুসকলৰ বাবেও তেওঁ ৰচনা কৰিছে সুন্দৰ সুন্দৰ গীত। শিশুৰ উপযোগীকৈ তেওঁ ৰচনা কৰিছে 'ভূপেন মামাৰ গীতে মাতে অ আ ক খ' নামৰ এখন সুখপাঠ্য গীতি-কবিতাৰ পুথি। এই পুথিখনে ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ পাবলৈ সক্ষম হৈছে।

কলা-সংস্কৃতিৰ সাধনাত আজীৱন ব্ৰতী হৈ থকা শিল্পীগৰাকীৰ অন্য এক বিচৰণ ক্ষেত্ৰ হৈছে চলচ্চিত্ৰ জগত। ১৯৩৯ চনত জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰা 'ইন্দ্ৰমালতী' নামৰ অসমীয়া বোলছবিত তেওঁ গীত গাইছিল, শিশুশিল্পী ৰূপে অভিনয়ো কৰিছিল। ১৯৪৮ চনত 'বিপ্লৱী' নামৰ বোলছবিখনৰ বাবে গীত গায়। তেওঁ বোলছবি জগতত সংগীত পৰিচালক ৰূপে আত্মপ্ৰকাশ কৰে ১৯৫৫ চনত নটসূৰ্য ফণী শৰ্মাৰ 'পিয়লি ফুকন'ৰ জৰিয়তে। তেতিয়াৰে পৰা অসমীয়াৰ উপৰি হিন্দী, বাংলা, ভোজপুৰী আদি বিভিন্ন ভাষাৰ বোলছবিৰ সংগীত পৰিচালনা কৰি জনপ্ৰিয়তাৰ উচ্চতম শিখৰত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছিল কেইবাখনো অসমীয়া বোলছবিৰ সংগীত পৰিচালনা কৰি লাভ কৰিছে ৰাষ্ট্ৰীয় পুৰস্কাৰ।

মনোৰম গদ্য সাহিত্যৰো এগৰাকী কৃতবিদ্য সাহিত্যিক ৰূপে তেওঁৰ সুকীয়া পৰিচয় আছে। বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ ছাত্ৰ হৈ থাকোঁতেই 'অমৃত বাজাৰ' পত্ৰিকাৰ এলাহাবাদ সংস্কৰণত তেওঁ প্ৰথমবাৰৰ বাবে লিখিছিল কলা বিষয়ৰ প্ৰবন্ধ। পৰৱৰ্তী সময়ত কলম্বিয়া বিশ্ববিদ্যালয়ত ডক্টৰেটৰ ছাত্ৰ হৈ থাকোঁতে 'নিউ ইণ্ডিয়া' নামৰ ভাৰতীয় ছাত্ৰসকলৰ মুখপত্ৰখনৰ দায়িত্ব ন্যস্ত কৰা হৈছিল তেওঁৰ ওপৰত। এইখিনিতে উল্লেখ কৰিব লাগিব যে ১৯৫২ চনত 'Role of mass communication in indias adult education' শীৰ্ষক গৱেষণা গ্ৰন্থ প্ৰস্তুত কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰে। সেই সময়তে তেওঁৰ কৃষ্ণাংগ গায়ক পল ৰবছন, হাৰ্বাৰ্ড ফাষ্ট, পালবাৰ্ক, চাৰ্লি চেপলিন, ৰুজভেল্ট আদি গুণী-জ্ঞানী ব্যক্তিৰ সান্নিধ্যলৈ আহিছিল আৰু ন-সৃষ্টিৰ বাবে অনুপ্ৰাণিত হৈছিল। ১৯৬৫ চনৰ মাজভাগৰ পৰা গ্ৰহণ কৰিবলগীয়া হৈছিল 'আমাৰ প্ৰতিনিধি' নামৰ মাহেকীয়া আলোচনীখনৰ সম্পাদকৰ গুৰু দায়িত্ব। এইবোৰৰ উপৰি শিল্পীগৰাকীয়ে স্বকীয় দৃষ্টিভংগীৰে অসমৰ জাতীয় উৎসৱ বিহু সম্পৰ্কীয় এলানি সুন্দৰ আৰু অৰ্থৱহ

প্ৰবন্ধ ৰচনা কৰি গৈছে। তেওঁৰ দৃষ্টিত— 'ব'হাগ মাথোঁ এটি ঋতু নহয়, নহয় ব'হাগ এটি মাহ, অসমীয়া জাতিৰ ই আয়ুসৰেখা, গণ জীৱনৰ ই সাহ...'।

তেওঁৰ যাযাবৰী জীৱন কাহিনী বৰ্ণাই ৰচনা কৰিছে সাৱলীল আৰু প্ৰাঞ্জল ভ্ৰমণ কাহিনী। কবি হিচাপেও তেওঁ কেইটামান সুন্দৰ কবিতা আমাক উপহাৰ দি গৈছে— প্ৰশ্ন, অচিনাকি, বন্ধু, বিন্দু, মগ্ন ইত্যাদি।

এইজনা মহান শিল্পীৰ জীৱন গান, সুৰ, ছবিজগততে আবদ্ধ হৈ থকা নাই। ৰাজনৈতিক জীৱনত তেওঁৰ প্ৰৱেশ ঘটে ১৯৬৭ চনত। নিৰ্দলীয় প্ৰাৰ্থী ৰূপে নাওবৈচা সমষ্টিৰ পৰা তেওঁ এম এল এ নিৰ্বাচিত হৈছিল। ২০০৪ চনত ভাৰতীয় জনতা দলত যোগদান কৰে আৰু লোকসভা নিৰ্বাচনত প্ৰাৰ্থিত্ব আগবঢ়ায়।

অসমী আইৰ সুযোগ্য সন্তান ভূপেন হাজৰিকাই বিভিন্ন পদক, সন্মানেৰে বিভূষিত হৈ অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। ১৯৬৮ চনত অসম সাহিত্য সভাৰ সভাপতি অতুল চন্দ্ৰ বৰুৱাৰ 'সুধাকণ্ঠ' উপাধি প্ৰদান, ১৯৭৩ চনত আন্তৰ্জাতিক যুৱ মহোৎসৱত বিশেষ আমন্ত্ৰিত প্ৰতিনিধি ৰূপে বাৰ্লিনত যোগদান, সংগীত পৰিৱেশন আৰু স্বৰ্ণপদক লাভ, ১৯৭৬ চনত 'চামেলি মেমচাব' ছবিৰ সংগীত পৰিচালক ৰূপে ২৩সংখ্যক নেচনেল এৱাৰ্ড ফেষ্টিভেল (বছৰৰ শ্ৰেষ্ঠ সংগীত পৰিচালক ৰূপে)ত ৰাষ্ট্ৰপতিৰ পৰা স্বৰ্ণ কমল বঁটা লাভ, ১৯৭৭ চনত বাংলা ছবি 'মহুৱা'ৰ সংগীত পৰিচালক ৰূপে ইণ্ডিয়ান কালচাৰেল ফ'ৰামৰ দ্বাৰা শ্ৰেষ্ঠ পুৰস্কাৰ লাভ, ১৯৮১ চনৰ ২৭ ছেপ্টেম্বৰত কলিকতাত এছিয়ান ইনষ্টিটিউট অৱ টেকনল'জীৰ দ্বাৰা সন্মানিত, ১৯৮৮ চনত কলিকতাৰ ৰবীন্দ্ৰ সদনত সংগীত একাডেমীৰ পুৰস্কাৰ গ্ৰহণ, ১৯৯০ চনত National Film Dev. Corpnৰ Board of Directorৰ সদস্য, ১৯ ডিচেম্বৰত All India Critic Associationৰ দ্বাৰা কলা শিৰোমণি উপাধি দান (কলিকতাৰ বিৰলা একাডেমী হলত), ২০০১ চনত পদ্মভূষণ উপাধি লাভ, ২০০২ চনত দেশৰত্ন বঁটা, ২০০৩ চনত অসম সত্ৰ মহাসভাৰ পৰা 'সংগীত চূড়ামণি' উপাধি লাভ, ২০০৪ চনত প্ৰচাৰ ভাৰতীৰ পৰা National Artist Award লাভ, ২০০৭ চনত Gurukul Grammar Senior Secondary Schoolৰ পৰা অসম ৰত্ন বঁটা লাভ, ২০০৮ চনত অসম সাহিত্য সভাৰ পৰা সাহিত্যাচাৰ্য উপাধি লাভ, ২০০৯ চনত অসম চৰকাৰে প্ৰথমবাৰৰ বাবে প্ৰৱৰ্তন কৰা অসম ৰত্ন বঁটা লাভ।

ভূপেন হাজৰিকা— অসমীয়া কলা-সংস্কৃতিৰ আকাশৰ এটি উজ্জ্বল নক্ষত্ৰ সৰি পৰিল ২০১১ চনৰ ৫ নৱেম্বৰৰ দিনা। লগে লগে অন্ত পৰিল এটা স্বৰ্ণিল

যুগৰ, এটা বৰ্ণিল জীৱনৰ। অসমৰ কলা-সংস্কৃতিক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰি সমন্বয়ৰ অৰ্ঘ্য সজোৱা এটি গান হেৰাই গ'ল। তথাপি এই মৃত্যু অপৰাজেয়। আমাৰ জীৱনৰ কোঁহে কোঁহে, আমাৰ জীৱনৰ ৰন্ধ্ৰে ৰন্ধ্ৰে সোমাই আছে ভূপেন হাজৰিকা, আমি তেওঁক জীয়াই ৰাখিব লাগিব। কবি নীলিম কুমাৰৰ ভাষাত—

তেওঁ আমাৰ স্থায়ী বাসিন্দা
তেওঁক বিদায় দিব নোৱাৰি

তেওঁক বিদায় দিব নোৱাৰি
অনুপস্থিতি মানে জানো বিদায়?
বৰং তেওঁ বেছিকৈ শিপাই গ'ল
আমাৰ ঘৰবোৰলৈ
বিয়পি গ'ল সমস্ত নদীলৈ
মিহলি হৈ গ'ল আমাৰ ধূলি মাটিত
এতিয়া আমাৰ হৃদয়ৰ
চাৰিওটা কোঠালিতেই
তেওঁৰ তেজাল অস্তিত্ব
তেওঁক বিদায় দিব নোৱাৰি
তেওঁ এক ৰক্তিম উত্তাপৰ দৰে
আমাৰ তেজত বৈ আছে
আজি তেওঁ সত্তাৰ পিছত সত্তালৈ বিয়পি গৈছে
নিজৰ শৰীৰ এৰি তেওঁ আজি
আমাৰ হৃদয়ৰ স্থায়ী বাসিন্দা হৈছে।

প্ৰসংগ পুথি ঃ
১। ড° প্ৰাণেশ্বৰ নাথ ঃ ড° ভূপেন হাজৰিকাৰ জীৱন আৰু দৰ্শন

প্ৰসংগ টোকা ঃ
১। ড° ভূপেন হাজৰিকাৰ ৰচনাৱলী (দ্বিতীয় খণ্ড) পৃ. ১১
২। ড° ভূপেন হাজৰিকা ৰচনাৱলী (দ্বিতীয় খণ্ড)

*****

# বিনীতা বৰা দেৱচৌধুৰীৰ কবিতা ঃ এক সম্যক আলোচনা

জীৱন আৰু জগতৰ নিৰ্মোহ বিশ্লেষণেৰে আধুনিক অসমীয়া কবিতাক সমৃদ্ধিশালী কৰা সাম্প্ৰতিক সময়ৰ কবিসকলৰ ভিতৰত এটি অন্যতম নাম হৈছে বিনীতা বৰা দেৱচৌধুৰী। পেছাত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা বিনীতা বৰা দেৱচৌধুৰীয়ে ছাত্ৰী অৱস্থাতে অসমীয়া কবিতাৰ ওপৰত দেশ-বিদেশৰ কবিতা অধ্যয়ন আৰু চৰ্চাৰ জৰিয়তে কবিতাৰ যাত্ৰা পথত বলিষ্ঠ খোজ পেলাবলৈ সক্ষম হোৱাৰ উপৰি প্ৰবন্ধ, গল্প আদি গদ্য শিল্পৰ বিশাল পথাৰখনতো মাজে-সময়ে সোণগুটি সিঁচিছে।

দেৱচৌধুৰীৰ প্ৰথম প্ৰকাশিত পুথি হ'ল "প্ৰেম আৰু নিঃসংগতাৰ আলাপ।" ই এখন কথা কবিতাৰ পুথি। এটি এটি স্তৱকত ব্যঞ্জনাময়ী ভাষাৰে কবিয়ে "বিন্দুৰ বুকুতে যেন সিন্ধুৰ আভাস" দিবলৈ চেষ্টা কৰিছে। "তোমাৰ চকুলৈ চালেই হৃদয়ত বৈ যায় গুলপীয়া বতাহ"— প্ৰেমানুভূতিৰে সিক্ত কবি হৃদয়ে কাকো জোৰকৈ বান্ধি ৰাখিব বিচৰা নাই তেওঁৰ হৃদয়ত বা তেওঁ কাৰো হৃদয়ত জোৰকৈ থিতাপি ল'ব বিচৰা নাই। "যোৱাৰ সময় হ'লে নিঃশব্দে আঁতৰি যাব পাৰা, অহাৰ সময় হ'লে আকৌ আহিব পাৰা দুহাতত বসন্তৰ উচ্ছল উলাহ লৈ, অহা যোৱাৰ দুয়োটা প্ৰশস্ত বাটেই মুকলি তোমাৰ বাবে"... প্ৰেমৰ দৰে স্বৰ্গীয় অনুভূতিক কবিয়ে কোনো ধৰণৰ চৰ্ত বা আপোচৰ গণ্ডীলৈ আনিব বিচৰা নাই। সেয়ে কৈছে, "নাজানো কিমান লাখ টকাত বেচা-কিনা কৰা হয় হৃদয়, মোৰ বাবে ভালপোৱাৰ ৰং সেউজীয়া।" মানুহ, জীৱন আৰু প্ৰকৃতিক

মূল উপজীব্য হিচাপে লৈ কবিতা লিখা কবিৰ বাবে ভালপোৱাৰ ৰং সেউজীয়া। হাঁহিৰ আঁৰত কাহানিবা বেদনা লুকুৱাবলগীয়া হোৱা কবিয়ে মানুহৰ বাবে সৰ্বস্ব উজাৰি দিয়াৰ পিছতো যেন বুকুত লৈ আছে এবুকু ভালপোৱা, ভালপোৱাৰে কবি যেন ঐশ্বৰ্যশালী—

"কলিজাৰ বেঙুনীয়া
নাজানো কেনেকৈ মোৰ বুকুত সোমাল
তাৰ উমতেই নহয় এপলকো
ভালপোৱাৰ আকাল" *(তুমি এজাক বৰষুণ আনন্দ বিষাদৰ)*

প্ৰেমৰ অনুভূতিৰে হিয়া উজাৰি দিয়া কবিৰ মনটি বসন্তৰ আগমনৰ দৰে। নতুনৰ সমাগমে কবিৰ মনটিক কেতিয়াও কৈ দিব নালাগে বসন্ত আহিল বুলি। বসন্তৰ আগমনৰ দৰেই মানুহৰ জীৱনলৈ প্ৰেম আহে, প্ৰেম আহে কবিৰ জীৱনলৈ, কাকো নোকোৱাকৈ, কোনেও নজনাকৈ, অজ্ঞাতে, গোপনে প্ৰেম আহে—

তুমি ক'ৰ পৰা আহি
কেনেকৈ সোমাই পৰিলা দুচকুত
নীৰৱ সময়তো স্পন্দন হৈ ৰোৱা
মোৰেই বুকুত...

নাজানো কি বাটে ব'হাগ আহে
যি বাটত তোমাৰ হাঁহিৰ মুকুতা সৰে
মোৰ ব'হাগ উজায় ফুলৰ পাহে পাহে *(তুমি এজাক বৰষুণ আনন্দ বিষাদৰ)*

কিন্তু প্ৰেম মানে কেৱল দৈহিক মিলন নহয়, শেষ কথা হ'ল প্ৰেমৰ অবিনশ্বৰতা। এযাৰি মৌ-সনা মাতত কবিয়ে বিচাৰে পায় জীৱন জীয়াৰ অনাবিল প্ৰেৰণা। সেয়ে—

মাতত মিচিকিয়াই হাঁহি উঠে কাঁচিজোন
মেঘৰ স'তে ধেমালি কৰে তোমাৰ মাতে
মাতে কি বিয়পাব পাৰে বিজুলী সিৰে সিৰে
মাত, তোমাৰ মাত
মাতে ভৰাব পাৰে বুকু
মাতে তিয়াব পাৰে চকু

মাতে সিঁচিব পাৰে আবিৰ
তিয়াব পাৰে তৃষ্ণাতুৰ শৰীৰ।

কবিৰ ব্যক্তিগত জীৱনৰ অভিজ্ঞতাই সাৰ্বজনীন ৰূপ লাভ কৰিছে তেওঁৰ কবিতাবোৰত। সকলো নাৰীয়ে সপোন দেখাৰ দৰেই কবিয়েও সপোন দেখে কাৰোবাৰ বুকুৰ ঘাঁহনি ডৰাত আটোমটোকাৰিকৈ এটা প্ৰেমৰ ঘৰ সজাৰ, মেঘ হৈ চুব খোজে আকাশ, জোনাকৰ বৰষুণ হৈ তিয়াব খোজে মনে বিচৰাজনক। পুনৰ কবিয়ে ওভতাই বিচাৰে তেওঁৰ ল'ৰালি, কবি হৈ পৰে নষ্টালজিক —

সপোনত মই দেও দি নাচো
তোমাৰ বুকুৰ ঘাঁহনিডৰাত
সপোনতে মই এটা সপোন দেখো
য'ত সাজি লওঁ বুকুৰ মাজত এটা
সপোনৰ ঘৰ আটোমটোকাৰিকৈ।।

আকৌ

ৰ'দ হৈ তিৰবিৰাব খুজিছিলোঁ তোমাৰ দুচকুত
মেঘ হৈ চুব খুজিছিলোঁ আকাশ
বৰষুণ হৈ তিয়াব খুজিছিলোঁ তোমাক।
জোনাকৰ বৰষুণ।

সপোনত এবাৰ মাথোঁ মই ঘূৰাই বিচাৰোঁ
মোৰ ল'ৰালি, দেও দি খেলিম
তোমাৰ উমাল বুকুত
"ৰজাই হুকুম দিছে...
সপোনতে মই এটা সপোন দেখোঁ। *(কিছু পদ্য কিছু গদ্য) "সপোনতে মই"*

বিষাদবোধ কবিৰ কবিতাৰ এটি অন্যতম বৈশিষ্ট্য। "Our Sweetest Songs are those that tell of saddest thought" শ্বেলীৰ এই উক্তি যেন বিনীতা বৰা দেৱচৌধুৰীৰ কবিতাত যোল্ল অনাই প্ৰতীয়মাণ হয়—

অজানিতে কেতিয়াবা বিষাদ
জীৱনৰ ইমান কাষ চাপি আহে

হাতত লৈ শূন্যতাৰ পাণ্ডুলিপি
দুখৰ হালধীয়া পখিলাটি পলকতে থৈ যায়
কলিজাৰ সিয়নিত সি।। *(তুমি এজাক বৰষুণ আনন্দ বিষাদৰ)।*

কিন্তু এই বিষাদক অতিক্ৰমি কবিয়ে জীৱনক ভাল পাবলৈ শিকিছে। সেয়ে—

আজিকালি শূন্যৰ ভিতৰতে ভৰাই থওঁ অনুভৱৰ আকাশখন
তোমাৰ গৰখীয়া হেঁপাহবোৰ সুমুৱাই থওঁ শূন্য ভিতৰতে।

অসমীয়া কাব্য সাহিত্যৰ পৃষ্ঠা লুটিয়ালে দেখা যায় যে একোগৰাকী কবিয়ে য'তেই নাৰীৰ ক্ষেত্ৰত অসমতা দেখিবলৈ পাইছে, তাতেই কবিতাৰ মাধ্যমেৰে নিজৰ অনুভৱক প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে, আমাৰ কবিও ইয়াৰ ব্যতিক্ৰম নহয়।

নাৰী মনৰ সূক্ষ্মাতিসূক্ষ্ম অনুভূতি প্ৰকাশ হৈছে তেওঁৰ "নাৰীৰ কোনো দেশ নাই কবিতাত।" কেতিয়াবা নাৰীক ব্যৱহাৰ কৰে পণ্য সামগ্ৰীৰ ৰূপত। কোনো সময়ত নাৰীৰ বাবে নিষিদ্ধ মুকলি আকাশ, সুবাসিত বতাহ, জোনৰ জোনাক, নাৰীয়ে পিন্ধিব নোৱাৰে সুখৰ পোছাক —

তথাপি নাৰী অনন্যা
নাৰী জীয়াই থাকিব নাৰীৰ ৰূপত
জীয়াই থাকিব খৰিকাজাঁইৰ সুবাসত
জীয়াই থাকিব সন্তানৰ গাখীৰতি গোন্ধত
নাড়ীকাটি ডোঙা বন্ধা তেজৰ মাজত।

শেষত কবিয়ে নাৰীৰ ন্যায্য প্ৰাপ্তিৰ বাবে কৈ উঠিছে—
নাৰী জীয়াই থাকিব লাগিব
পৃথিৱীৰ সুবাস ল'বলৈ
ছিঙিব লাগিব সমাজৰ শিকলি
স্তোকনম্ৰা নদীৰ দৰে হৈয়ো

ভাঙিব লাগিব বাধাৰ প্ৰাচীৰ
বুজিব লাগিব জীৱন নিজৰ বাবে
জীৱন জীৱনৰ বাবে
বাটৰ শিল ভঙা বনুৱা নাৰী
এটি কলি দুটি পাতেৰে সেউজীয়া
সপোন দেখা নাৰী
অট্টালিকাত নিদ্ৰামগ্ন অলস
দুপৰীয়াৰ নাৰী
সকলোৰে জীৱন আছে।
নাৰী, তুমি জীয়াই থাকিব লাগিব
মংগলময় সপোনৰ হাত ধৰি
সুন্দৰতা বিচাৰি।

ৰাধাকেন্দ্ৰিক ঐকান্তিক প্ৰেমৰ কবিতাই কবিৰ কবিতাক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। কবিয়ে নিজকে ব্ৰজধামৰ চিৰন্তন প্ৰেমিকা ৰাধাৰ সৈতে একাত্মীয়তাৰ ভাব প্ৰকাশ কৰিছে। স্বৰূপাৰ্থত সৃষ্টিৰ অন্তৰ্নিহিত শক্তিয়েই ৰাধা, যাৰ অবিহনে কৃষ্ণৰ বাঁহীত সুৰ নাবাজে। ৰাধাকেন্দ্ৰিক প্ৰেমৰ অনিৰ্বচনীয় কল্পনা আৰু আনুভূতিক গভীৰতাই কবিকো কানাইৰ বাঁহীৰ সুৰৰ প্ৰতি ধাৱমান কৰি তোলে—

ৰাধাৰ উদাসী বুকুত কৃষ্ণৰ হাঁহি
উকা বৃন্দাবনতো মিলনৰ বাঁহী
ৰুণজুনকৈ ৰাধাৰ নূপুৰে মাতে
বাঁহী হৈ থাকে ৰাধা কৃষ্ণৰ ওঁঠতে। *(উকা বৃন্দাবন, ৰাধাৰ মন)*

গাঁৱৰ চহা, সৰল জীৱনক আধুনিক যান্ত্ৰিক জগতৰ যন্ত্ৰপ্ৰায় সভ্যতাই গ্ৰাস কৰি পেলোৱা সেই মৰ্মন্তুদ ব্যথা কবিয়ে যেন গভীৰভাৱে উপলব্ধি কৰিব পাৰিছে। সকলোতে কেৱল যেন কৃত্ৰিমতা, যান্ত্ৰিকতা—

ভালে নাই তুমি
যান্ত্ৰিকতাত হেৰুৱাই পেলাইছা

বুকুৰ সেউজীয়া ভূমি
গাঁৱৰ ল'ৰা
মাটিৰ ৰস চুমি লানি লানিকৈ ৰুইছিলা
ক'লা জহাৰ দৰে সুগন্ধি শব্দৰ কঠীয়া
যন্ত্ৰণাৰ পৃথিৱীত অনুভৱ আবদ্ধ এতিয়া
শব্দত এতিয়া ফুলি নুঠে বকুল
বুকুত নীৰৱে পৰি ৰয় যন্ত্ৰণাৰ হুল। *(ভালে নাই তুমি)*

জীৱনৰ জটিলতাৰ মুখামুখি হৈ পলায়ন নকৰি জীৱনৰ স্থিতিৰ প্ৰতি এক সবল প্ৰত্যাহ্বান ঘোষিত হৈছে কবিৰ কণ্ঠত। নিৰাশাৰ আৱৰণে সাময়িকভাৱে ছানি ধৰিলেও এক দৃঢ় প্ৰত্যাশাৰে কবিয়ে মূৰ দাঙি উঠিছে বহুবাৰ। আশাবাদ— আধুনিক কবিতাৰ এই বিশেষ লক্ষণে সুষমামণ্ডিত কৰিছে কবিৰ বহু কবিতাক। তাৰে এটি কবিতাৰ কেইটিমান পংক্তি—

সুখ অথবা দুঃখ নিশাৰ সংগী হয়
দুঃখৰ পোছাকতো সুখৰ ৰং সানি
ৰঙীন হৈ পৰে আবেলিৰ হেঙুলীয়া বেলি
ভাগৰুৱা আকাশত জীৱন বিচাৰি
এন্ধাৰতো দিব পাৰি পোহৰলৈ দুহাত মেলি। *(এন্ধাৰবোৰ নিঃসংগ নহয়)*

লোকগীত, লোককথা আদিৰ সঘন উল্লেখে আৰু লোক-সংস্কৃতিৰ সমলৰাজিৰ সাৰ্থক প্ৰতিফলনে কবিৰ কবিতাসমূহক জীৱন ৰসেৰে সমৃদ্ধ কৰি তুলিছে—

চম্পাৱতী হৈ ধান তই নৰখিবি
অজগৰে গিলিবি তোৰ সপোন
কেনেকৈ বুজ ল'বি কাঁইটৰ পৃথিৱীত
কোননো তোৰ বুকুৰ আপোন! *(কন্যাকাল পোৱাৰ পিছৰ পৰাই)*

যান্ত্ৰিক জীৱনৰ বিপৰীতে লোক-জীৱনৰ হাবিয়াসে কবিৰ কবিতাত পাঠকক ঐতিহ্যক, পৰম্পৰাক উপলব্ধি কৰোৱাবলৈ সক্ষম হৈছে—

পঞ্চতাৰকা হোটেলত খুৱাব নোৱাৰোঁ
কণ্টিনেণ্টেল ডিছ
পোৰা গৰৈমাছৰ পিটিকা আৰু খৰিচাৰে
গাহৰি মাংসৰ লগত ৰঙা আহুধানৰ চাউলত
সিঁচি দি পাৰোঁ আটোমটোকাৰি মৰমৰ বীজ। *(তুমি তোমাৰ দৰেই)*

আধুনিক নাগৰিক সভ্যতাই আত্মীয়ৰ এনাজৰীডাল ক্ষত-বিক্ষত কৰা দেখি কবি শংকিত হৈ পৰিছে। মানুহৰ প্ৰতি মানুহৰ বিশ্বাসৰ অভাৱ, মূল্যবোধৰ অৱক্ষয়ে যেন কবিক ম্ৰিয়মাণ কৰি তুলিছে—

অচিনাকি হৈ পৰিছে বুকুৰ বঙহ
মজিয়া ভকেভকাই বঙহৰ তেজেৰে
কলিজা ঢপেঢপাই চেঁচাপৰা উশাহেৰে
বঙহে খামুচিব খোজে বঙহৰ মঙহ *(এন্ধাৰ দুপৰৰ সাধু)*

প্ৰতীকধৰ্মিতা আৰু ব্যঞ্জনাময়ী ভাষাই কবিৰ কবিতাক অধিক সুষমা প্ৰদান কৰিছে—

জীৱন মানেনো কি?
এটা চকুত হাঁহি
আনটোত চকুপানী *(ৰ'দৰ কবিতা)*

আকৌ

"সাৰে থকা শব্দবোৰ" কবিতাত গোটেই কবিতাটিৰ মূলভাৱ শেষৰ পাঁচোটা শাৰীত মূৰ্তমান হৈ উঠিছে। ব্যঞ্জনাধৰ্মী ভাষাৰ চমৎকাৰিত্বই কবিতাটিক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে —

জলকুঁৱৰীৰ সপোনত সপোন ভৰুণ হয়
শব্দবোৰ সাৰ পাই বুকুত উচুপি ৰয়
জলকোঁৱৰক বিচাৰি নদীখন বাউলী হয়
টোপনিয়ে এঙামূৰি দিলে শব্দবোৰ
শিল হৈ দেওপাহাৰৰ বুকুত পৰি ৰয়।

কবি বিনীতা বৰা দেৱচৌধুৰীৰ "ৰজা আছে ৰজা নাই" কবিতাত সমকাল চেতনা সুন্দৰভাৱে প্ৰতিফলিত হৈছে। বৰগছৰ দৰে ৰজা, যি ছায়া হৈ প্ৰজাক আৱৰে, সেই ৰজা আজি সাৰে থাকিও টোপনি যায়। আজি আইৰ মুখৰ মাত হেৰুওৱাৰ উপক্ৰম হৈছে। কবি শংকিত হৈ পৰিছে।

থাকিবৰ সময় যে নাই শুই
চৌদিশে জ্বলিছে প্ৰতিবাদৰ জুই
..............................................
..............................................
ঘৰ বিভীষণে শত্ৰু আনিছে মাতি।
শংকা, হেৰায় যদি আইৰ মুখৰ মাত
হেৰায় যদি আকালৰ ভাত
হেৰায় যদি সাতামপুৰুষীয় সংস্কৃতিৰ ভঁৰাল।

কবিৰ কবিতাত পৌৰাণিক প্ৰসংগৰ উপস্থাপনো বাদ পৰি যোৱা নাই।

কাক ভালপোৱা তুমি?
বসন্তসেনা নে কাদম্বৰী? (সপোনতে মই)

কবিৰ কবিতাত সততে দুটা শব্দৰ সঘন প্ৰয়োগ মন কৰিবলগীয়া— আকাশ আৰু অনুৰাগ। মানুহৰ মনৰ অনুভূতিৰ আকাশৰ বিভিন্ন ৰূপৰ লগত মিল আছে বাবেই 'আকাশ' কবিৰ প্ৰিয় শব্দ আৰু কবিতাত তাৰ সঘন ব্যৱহাৰ হৈছে।

আনহাতে, 'অনুৰাগ' কোনো তেজ-মঙহৰ মানুহ নহয়। কিন্তু অনুৰাগ অবিহনে জীৱনত একোৱেই সম্ভৱ নহয়। অনুৰাগেই কবিৰ জীৱন জীয়াই থকাৰ প্ৰেৰণা, সেয়ে প্ৰায়বোৰ কবিতাত 'অনুৰাগ' শব্দ বিদ্যমান। মনত লুকাই থকা এখন ছবিৰ প্ৰতীকী ৰূপ এই 'অনুৰাগ'। যি আধা বাস্তৱ, আধা কল্পনা।

সাংগীতিক ব্যঞ্জনা, যেনে বিভিন্ন ৰাগৰ উল্লেখে কবিৰ কবিতাক এক স্বকীয় মৰ্যাদা প্ৰদান কৰিছে—

'তোমাক ভাল পাওঁ বাবেই মই
ৰাগ গাব পাৰোঁ মেঘমল্লাৰ'...

তদুপৰি ভৈৰৱ পুৱা, ভূপালী সন্ধা আদি শব্দই তেওঁৰ কবিতাক দান কৰিছে এক সাংগীতিক লয়, বিষয়বস্তুক দান কৰিছে এক সুকীয়া মধুৰতা।

কবি বিনীতা বৰা দেৱচৌধুৰীৰ কবিতা গুণগত মানৰ ফালৰ পৰাই হওক বা সংখ্যাগত মানৰ ফালৰ পৰাই হওক, এটা মাত্ৰ প্ৰবন্ধতে সামৰাটো কঠিন। কবিয়ে ৩০ বছৰকাল নিৰন্তৰে কাব্য চৰ্চাত ব্ৰতী হৈ আহিছে। সুকীয়াকৈ কাব্য প্ৰকাশৰ উপৰি বিভিন্ন কাকত-আলোচনীত কবিতা লিখি কাব্যপিপাসুক ৰসাপ্লুত কৰি আহিছে। তছলিমা নাছৰিনৰ "স্ব-নিৰ্বাচিত কবিতা" শীৰ্ষক কবিতা অনুবাদ কৰি কবিগৰাকীয়ে ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। জাপানী হাইকু কবিতাৰ ঠাঁচত লিখা কবিতা পুথি "তুমি এজাক বৰষুণ আনন্দ বিষাদৰ" অসমীয়া কাব্য সাহিত্য জগতলৈ কবিৰ এক অনবদ্য উপহাৰ।

সাম্প্ৰতিক অসমীয়া কবিসকলৰ ভিতৰত বিনীতা বৰা দেৱচৌধুৰী নিৰ্বিবাদে এগৰাকী সফল কবি। কবিৰ বাখৰুৱা শব্দৰ প্ৰয়োগে, এক সুস্থ বিষয়বস্তু নিৰ্বাচনে তথা কবিৰ প্ৰেমে শত শত বাধা-বিঘিনি অতিক্ৰম কৰিও যে অৱশেষত বিজয়ৰ জয়মাল্য শিৰত ল'বলৈ সক্ষম হ'ব, সেয়া নিশ্চিত। আমি আশা ৰাখিছোঁ কবিৰ কাপেৰে নিগৰি আৰু অজস্ৰ কালজয়ী কবিতাই জন্ম লাভ কৰক আৰু অসমীয়া কাব্য সাহিত্যৰ ভঁৰাল অধিক চহকী কৰক— কবিৰ দৰে আমিও আশাবাদী। আশাত ব'ঠা মাৰি আমিও জীয়াই থাকিম, ঘাত-প্ৰতিঘাতে ক্ষত-বিক্ষত হিয়াৰেই ভাল পাবলৈ শিকিম জীৱনক। কবিৰ ভাষাৰেই কওঁ—

আজি মোৰ চোতালত ইমান জোনাক
বননিৰ সেউজীয়া আঁচলত মুখ গুঁজি
ক'ম যেন
জীৱন ভাল পাওঁ তোমাক
ভাল পাওঁ,
ভাল পাওঁ তোমাক।

*****

## ঐতিহ্য আৰু আধুনিকতাৰ যৌগিক সংশ্লেষণৰ পৰিণতিত বৰ্তমানৰ অসমীয়া সংস্কৃতি

সংস্কৃতি হৈছে কোনো এটা জাতি-জনজাতি বা সম্প্ৰদায়ৰ প্ৰতিবিম্বস্বৰূপ। সংস্কৃতিৰ মাধ্যমেৰে এটা জাতিৰ কলা-কৃষ্টি, ৰীতি-নীতি, সাজপাৰ, খাদ্য-পৰম্পৰা আদি প্ৰতিফলিত হয়। বিশ্বৰ সকলো দেশ, জাতি-জনজাতিৰ একোটা সুকীয়া সংস্কৃতি থাকে। আমাৰ অসমো ব্যতিক্ৰম নহয়। অসমৰ সংস্কৃতিও হৈছে বিশ্বপ্ৰসিদ্ধ, আকৰ্ষণীয় আৰু সুন্দৰ। অসমৰ সংস্কৃতি দৰাচলতে গঢ়ি উঠিছে থলুৱা গীত-নৃত্য, খাদ্য, সাজপাৰ, ৰীতি-নীতিৰ মাধ্যমেৰে। প্ৰকৃতিপ্ৰদত্ত মনোৰম সৌন্দৰ্যৰ প্ৰভাৱো অসমৰ সংস্কৃতিত পৰিছে। সেয়েহে ইয়াৰ নানা উৎসৱ-পাৰ্বণ প্ৰকৃতিৰ নানা ঋতু বা কালৰ লগত জড়িত।

গছৰ খোৰোং, পৰ্বতৰ গুহাৰ জীৱন এৰি, কেঁচা মঙহৰ জুতি ত্যাগ কৰি আদিম মানৱে যেতিয়া উৰ্বৰ ধৰিত্ৰীৰ বক্ষ বিদাৰি শইচ ৰোপণ কৰি পেটৰ ক্ষুধা নিবাৰণ কৰিবলৈ শিকিলে, প্ৰকৃততে তেতিয়াই মানৱ জাতিৰ ইতিহাসত কৃষ্টিৰ কঠীয়া গজিল। কালক্ৰমত সেই কঠীয়া লহপহকৈ বাঢ়ি আহিল আৰু সোণসেৰীয়া হৈ গজি উঠিল। যেতিয়া গাইগুটীয়াকৈ বসবাস কৰা মানৱে স্বতন্ত্ৰ জীৱন এৰি সমাজ পাতি জীৱন যাপন কৰিবলৈ শিকিলে, তেতিয়াই প্ৰতিকূল পৰিৱেশত কৃষি উৎসৱ বিহুৰ বীজৰ অংকুৰণ ঘটিল। প্ৰকৃতিৰ বুকুতেই মানুহে পাইছিল অমৃতময় সংগীতৰ সন্ধান। কুলি-কেতেকীৰ মাত, বতাহত হালিজালি পৰা গছ-গছনিৰ অৱলীলা ক্ৰমেই যে বিহুগীত-বিহুনাচৰ সৰ্বাত্মক প্ৰেৰণা আছিল, সেই কথা সহজেই অনুমেয়।

ব'হাগত অসমলৈ বৰদৈচিলাৰ আগমন ঘটে। উখৰ পৃথিৱী জীপাল হৈ উঠে। ধৰিত্ৰী উৰ্বৰা হয়, শস্য-শ্যামলা হয়। সেই একে প্ৰতীকী অৰ্থত ডেকা-গাভৰুসকলেও ব'হাগ বিহুৰ সময়তে মনৰ ভাব আদান-প্ৰদান কৰে, ভৱিষ্যতৰ স্বপ্ন ৰচে। বিহুগীতৰ ভাবাৰ্থ, নৃত্যৰ মুদ্ৰা বা অংগি-ভংগিত এই বাসনাৰ প্ৰকাশ ঘটে। অতীতত ডেকা-গাভৰুৱে মুকলি পথাৰত আঁহতৰ তলত বিহু মাৰিছিল, পথাৰত বিহু মৰা ডেকা-গাভৰুৰ মিলন বাসনাই পৃথিৱীক উৰ্বৰ কৰে বুলি বিশ্বাস কৰা হয়। কৃষিভিত্তিক অসমীয়া সমাজখনৰ লোকসকলৰ দ্বাৰা পৰিৱেশিত হুঁচৰিৰ জাকটো যেতিয়া গৃহস্থৰ মংগল কামনা কৰি কাৰোবাৰ পদূলি গচকে, তেতিয়া গৃহস্থই হুঁচৰি গোৱা দলটোৰ আগত আঁঠু লয়, তামোল-পাণৰ বঁটাত সামৰ্থ্য অনুসৰি মাননি আগবঢ়াই হুঁচৰি দলটো বিদায় দিয়ে। সৰুৱে ডাঙৰক সেৱা কৰে, মৰম-চেনেহৰ চিনস্বৰূপে বিহুৱান যাচে। বিহুৰ প্ৰথম দিনা গৰুক গা ধুৱাই 'লাউ খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা' বুলি গৰুৰ শ্ৰীবৃদ্ধি কামনা কৰে। কিন্তু ব'হাগৰ এই ছবি বৰ্তমান যান্ত্ৰিক জগতৰ যন্ত্ৰপ্ৰায় সভ্যতাৰ সৈতে সহাৱস্থান কৰি যন্ত্ৰ হৈ পৰা মানুহৰ মনত লাহে লাহে ধূসৰ হৈ আহিল। হুঁচৰি, বিহুৱান, লাউ খা, বেঙেনা খা— আদি বৰ্তমান প্ৰজন্মৰ বাবে জাতিস্মৰৰ সাধু। ১৯৫২ চনত গুৱাহাটীৰ লতাশিল খেলপথাৰত বিহুৱে মঞ্চত স্থান পালে। এতিয়া পৃথিৱীক উৰ্বৰা কৰিবলৈ বিহুৱা ডেকাই বিহু নাগায়, বিহুৱতীয়ে বিহু নানাচে। মঞ্চৰ বিহুত দলীয় বিহু প্ৰতিযোগিতা, বিহুৰাণী, বিহু কুঁৱৰী, বিহু সম্ৰাজ্ঞী আদি প্ৰতিযোগিতাৰ দৰে সামন্ত ধ্যান-ধাৰণাৰ আগমন ঘটিল। এনেদৰে ব'হাগৰ স্বতঃস্ফূৰ্ত বিহু ব্যৱসায়িক দৃষ্টিভংগীৰ পৰিধিলৈ সোমাই আহিল। সম্প্ৰতি ব্যৱসায়িক দৃষ্টিভংগীৰে উলিওৱা সৰহসংখ্যক বিহু কেছেটত অসমৰ সমাজ জীৱনৰ কোনো ধৰণৰ ছবি নাই। ইলেকট্ৰনিক মাধ্যম বা পশ্চিমীয়া বাদ্যযন্ত্ৰৰ প্ৰয়োগে বিহুৰ স্বকীয়তাত যেন আঘাত কৰিছে। ভোগৰ বিহু ভোগালীৰো বৰ্তমান একেই দুৰৱস্থা। নগৰীয়া আৱহাৱাৰে ডাঙৰ হোৱা বৰ্তমানৰ প্ৰজন্মৰ দেৱালীৰ আতচবাজীৰ শিখাৰ তুলনাত ভোগালীৰ মেজিৰ জুইৰ শিখা তেনেই ম্লান পৰি যোৱা। আজিৰ ডেকা-গাভৰুৱে ভেলাঘৰ সাজি লগ-ভাত খাই আমোদ নাপায়, পিঠা-লাডু খালে পেটৰ অসুখ হয়। তাৰ ঠাইত বন্ধুৰ লগত ৰেষ্টুৰেণ্টত বহি বাৰ্গাৰ, পেষ্ট্ৰি, ম'ম' খালে একো অপকাৰ নহয়, বৰং অলপ ৰিলেক্সহে হোৱা যায়, বিহুৰ নামত ঘোষণা কৰা চৰকাৰী বন্ধটোও সাৰ্থক হয়। পূৰ্বৰ কণীযুঁজ, হাতীযুঁজ, ম'হযুঁজ, কুকুৰা যুঁজ বিস্মৃতিৰ গৰ্ভত প্ৰায়। ঠিক তেনেদৰে কাতি বিহুৰ তুলসী তল আৰু খেতিপথাৰত জ্বলোৱা

চাকিগছিৰ তাৎপৰ্য বৰ্তমান অৰ্থহীন। ভঁৰাল, আকাশবন্তি আদি পূৰ্বতে শুনা কিছুমান শব্দ মাত্ৰ। কাৰ্যক্ষেত্ৰত তাৰ প্ৰয়োগ তেনেই সীমিত।

অসমৰ অন্যান্য সৰু-বৰ নানা উৎসৱ আছে, যিবোৰ বৰ্তমান নিৰ্দিষ্ট কিছুমান অঞ্চলৰ বাহিৰে লাহে লাহে বিলুপ্তিৰ দিশলৈ আগবাঢ়িছে, যেনে— মহ খেদা উৎসৱ, নাও খেলা উৎসৱ, সুৱৰী, বিভিন্ন পূজা-পাৰ্বণ আদি। বৰ্তমান এইসমূহৰ ঠাই লৈছে Friendship day, Valentines day, Mothers day, ৰাখীবন্ধন আদিয়ে। এইবোৰৰ পয়োভৰে আমাৰ সংস্কৃতিৰ স্বকীয়তাত মোক্ষম আঘাত হানিছে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সংস্কৃতিৰ অন্যতম এটা উপাদান হৈছে থলুৱা কলা-কৃষ্টিবোৰ। অসমৰ থলুৱা কলা-কৃষ্টিবোৰ অতি মনোৰম। অসমীয়াৰ জাপি, নাঙল-যুৱলিৰ মাজত ইয়াৰ কাৰিকৰী কলা প্ৰদৰ্শিত হয়। অসমৰ গাঁৱে-ভূঞে লুকাই থকা লোকনৃত্যসমূহ, যেনে- ৰাভা নৃত্য, বড়ো নৃত্য আদিৰ এটা সুকীয়া মৰ্যাদা আছে। পিছে আজিৰ সময়ত কিছুমান সস্তীয়া মনোবৃত্তিৰ লোকৰ উদাসীন দৃষ্টিভংগীৰ কৰালগ্ৰাসত অসমীয়া সংস্কৃতিৰ এই আপুৰুগীয়া সম্পদসমূহ হেৰাই যাবৰ উপক্ৰম হৈছে। ইয়াৰ গুৰিতে হৈছে এইবোৰ সংৰক্ষণ কৰোঁতাৰ অভাৱ। আধুনিকতাই আমাক এনেকৈ আচ্ছন্ন কৰি ৰাখিছে যে আমি আমাৰ ঐতিহ্যক, আমাৰ পৰম্পৰাক আধুনিকতাৰ কৰালগ্ৰাসৰ পৰা উদ্ধাৰ কৰিবলৈ অকণো চেষ্টা কৰা নাই। সেয়ে বোধহয় কবিয়ে কৈছে—

ধিক্ অসমীয়া মানুহ নহয়
অসম শ্মশান নোহে কোনে কয়?

এসময়ৰ অসমীয়া মানুহৰ হিয়াৰ আমঠু, অসমীয়াৰ আদৰৰ প্ৰতীকস্বৰূপ তাঁতশালখন আজিৰ কেইগৰাকী ডেকা-গাভৰুৱে চিনি পায়? অতীতত মহিলাসকলে তাঁতত কাপোৰ বৈ নিজেও পিন্ধিছিল, আনকো পিন্ধাইছিল। পিছে বৰ্তমান ব্যৱসায়ভিত্তিত ইয়াৰ ব্যৱহাৰ হয় যদিও আধুনিক সমাজত তাঁতশাল বা ইয়াৰ লগত সংলগ্ন অন্যান্য সামগ্ৰী যেনে- যতৰ, মাকো, গাৰি, বাঁহ আদিৰ সম্পৰ্কে নতুন প্ৰজন্মই নাজানে। তদুপৰি অসমীয়া নাৰীৰ মূল সাজ মেখেলা-চাদৰৰ ঠাই অধিকাৰ কৰিছে চুৰিদাৰ, শাৰী, লেহেংগা-চোলী, ঘাগ্ৰা আৰু আজিৰ আধুনিকাৰ ভাষাত — Most comfortable dress - Jeans pant and T-shirt. মাজে মাজে কিছুমান সাজে শালীনতাৰ শিকলি ছিগিব খোজে। ঠিক তেনেদৰে পুৰুষৰ চুৰিয়া চোলাটোও কিছুমান বিশেষ সময়ৰ বাহিৰে বাকী সময়ত অনাদৃত হৈয়ে পৰি থাকে।

আজিকালি আনকি অসমীয়া দৰায়ো দৰাৰ সাজত শ্বেৰৱানীহে পৰিধান কৰা পৰিলক্ষিত হয়। হায় অসমীয়া সংস্কৃতি। কবিয়ে এনেয়ে কোৱা নাই—

কুটুমেই ৰান্ধে কুটুমেই বাঢ়ে
কুটুমেই কুটুমক খায়
কুটুমৰ তেজেৰে বন্তি জ্বলালে
মজিয়া ভকেভকায়।

অসমীয়াৰ সুস্বাদু, সুষম পুষ্টিকৰ খাদ্যৰ তালিকাখনো এইখিনিতে উল্লেখ কৰা হ'ল— চিৰা, সান্দহ, এঠা দৈ, নানাবিধ পিঠা-পনাৰ লগতে থেকেৰা দিয়া মাছৰ জোল, মাটিমাহৰ দাইল, খাৰলি-কাঁহুদী, বাঁহগাজ, নানাবিধ শাক ভাজি, খাৰ আদিৰ সোৱাদ পাহৰি আপোন কৰি লৈছে ৰোল, ম'ম', চাওমিন, ফ্ৰাইড ৰাইচ, পিজ্জা, বাৰ্গাৰ আদিক।

আই, পিতা, খুৰা-খুৰী আদি মিঠা অসমীয়া শব্দবোৰ প্ৰায় হেৰাই গৈছে। Mom, Papa, Dad, Uncle, Aunty আদি বিদেশী শব্দই অসমীয়া সম্বোধনবাচক শব্দবোৰ নোহোৱা কৰিছে। তদুপৰি অসমীয়া ডেকা-গাভৰুৰ (কোনো কোনো ক্ষেত্ৰত আদহীয়া লোকৰ) বাক্য-গঠন পদ্ধতিও উল্লেখ কৰিবলগীয়া— '<u>তো</u> সি মোক <u>তেনেকা</u> ক'লে, But মই ক'লোঁ <u>ভাতটো</u> <u>বনাই</u> দেনা। আকৌ, মোক <u>যাব</u> ক'লে <u>But</u> মই ক'লোঁ <u>পেহলে</u> আপুনি যাওক, মই <u>হমেশা</u> <u>এনেকা</u> <u>Problem</u>ত ফঁচি থাকোঁ ইত্যাদি। লক্ষ্মীনাথ বেজবৰুৱাই কোৱা— 'অ' মোৰ সুৰীয়া মাত, অসমৰ সুৱদি মাত'ৰ এই পুতৌলগা মুহূৰ্তত আমি প্ৰত্যেক অসমীয়াই আমাৰ অস্তিত্বক জীয়াই ৰাখিবলৈ সাজু হ'বৰ হ'ল। নহ'লে হয়তো বিজতৰীয়া সংস্কৃতিৰ ধামখুমীয়াত উটি-ভাহি গৈ আমি নিজৰ পৰিচয় হেৰুৱাই ইকুলো নাপাম সিকুলো নাপাম।

বিয়াই-সবাহে আজিকালি বেঞ্চত বা চকী-মেজত বহি বিলনীয়াই বিলাই দিয়া খাদ্য তৃপ্তিৰে গ্ৰহণ কৰাৰ পৰা আজি আমি বঞ্চিত, কাৰণ হাতত প্লেট লৈ শাৰী পাতি সজাই থোৱা খাদ্য নিজে প্লেটত লৈ থিয় হৈ খোৱা 'বুফে' ছিষ্টেম আজিকালি অধিক জনপ্ৰিয় হৈ উঠিছে। আমাৰ ককা-আইতা নালাগে, মা-দেউতাই আজিকালি ইচ্ছা থাকিলেও এনে অনুষ্ঠানত উপস্থিত থাকিবলৈ টান পায়। তেওঁলোকৰ মতে,— 'নেযাওঁ দে, মগনীয়াৰ দৰে হাতত থাল লৈ খাবলৈ শাৰী পতাৰ বয়স আমাৰ নাই।' ভাবিলে দুখ লাগে যে আনৰ সংস্কৃতি অনুসৰণ কৰিবলৈ গৈ আমি কিমান যে নিৰ্মল আনন্দ লাভ কৰাৰ পৰা নিজকে বঞ্চিত কৰিছোঁ।

বৰ্তমানৰ বহুতো অসমীয়া পৰিয়ালত দেখা যায় তেওঁলোকে দিনটোৰ ক্লান্তি, অৱসাদ দূৰ কৰিবলৈ পাৰ্টী কৰে, ক্লাবলৈ যায়। বৰ্তমান অসমত আধুনিকতাৰ এটা নতুন চৌৰ নাম হ'ল ৰক শ্ব'। পাৰ্টী, ক্লাব, ৰক শ্ব' আদিৰ নামত যি ব্যভিচাৰ অসমত গা কৰি উঠিছে সি সভ্যতাৰ নামত কলংক। অতীজতে বুঢ়া-মেথাসকলে নামঘৰৰ মাজিয়াত বহি কৰা আলোচনা, ডেকাসকলে কৰা নাট-ভাওনাৰ আখৰা, মহিলাসকলে কৰা বিয়নীমেল আদিৰে ৰূপান্তৰ এইক্লাব, পাৰ্টী, কিটি পাৰ্টী ইত্যাদি।

এতিয়া ডাঙৰ প্ৰশ্ন হ'ল আমি প্ৰকৃততে অসমীয়া সংস্কৃতিৰ ধ্বজাবহনকাৰী অসমীয়া নে সংস্কৃতিৰ নামত এটা বিজতৰীয়া সংস্কৃতিৰ বোজা কঢ়িয়াই ফুৰা 'নামত অসমীয়া'। আমি ভাবোঁ আত্মবিশ্লেষণেই এই প্ৰশ্নৰ উত্তৰ পৰিষ্কাৰকৈ দিব। সংস্কৃতিৰ এই দুৰ্দশাৰ বাবে নৱপ্ৰজন্মক দোষ দি লাভ নাই। আমি অগ্ৰজসকলৰ কিমানে আমাৰ সংস্কৃতি যুগমীয়া কৰি ৰাখিবলৈ চেষ্টা কৰিছোঁ? আমি অভিভাৱকসকলে যদি আমাৰ সন্তানক মামা, পাপা ক'বলৈ শিকাওঁ তেন্তে তেওঁলোকে মা, দেউতা শব্দৰ আমেজটো পাব কেনেকৈ? সহজতে হয় বুলিয়ে ল'ৰা-ছোৱালীক 'মেগী' বনাই দিয়া মাতৃয়ে কেনেকৈ সন্তানক লাডু পিঠাৰ সোৱাদ বুজাব? প্ৰতিযোগিতাৰ জগতত ফেৰ মাৰিব পৰাকৈ সন্তানক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত নাম লগাই দিয়ক, আপত্তি নাই, তাৰ লগে লগে মাতৃভাষাৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিব পৰাকৈ এটা অসমীয়া পৰিৱেশ (কথা পাতোতে শুদ্ধ অসমীয়া শব্দ ব্যৱহাৰ কৰি, মিশ্ৰ শব্দৰে মিশ্ৰ ভাষাৰ সৃষ্টি নকৰি) ঘৰতে সৃষ্টি কৰিব পাৰিব লাগিব। মেখেলাযোৰক আমি অগ্ৰজসকলে আদৰ কৰিলে অনুজসকলেও তাক হয়তো উপেক্ষা নকৰিব বা সেই সাজ পৰিধান কৰিবলৈ অনীহা প্ৰকাশ নকৰিব। আমি এটা কথা অন্তৰেৰে উপলব্ধি কৰা উচিত যে আমি কি সাংস্কৃতিক, কি প্ৰাকৃতিক সকলো ফালৰ পৰা চহকী এটা জাতি। আমাৰ এটা নিজৰ ভাষা আছে, নিজা সংস্কৃতি আছে, যি সংস্কৃতিয়ে আমাক বিশ্বৰ দৰবাৰত এটা সুকীয়া মৰ্যাদাৰে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম কৰি তুলিছে। তেনেস্থলত আমি পশ্চিমীয়া সংস্কৃতিক এনেদৰে অন্ধভাৱে অনুকৰণ কৰিছোঁ কিয়? বিভিন্ন দেশৰ সংস্কৃতিৰ দ্বাৰা এখন দেশ প্ৰভাৱান্বিত হোৱাটো স্বাভাৱিক। সেইবুলি নিজৰ অস্তিত্বক বিসৰ্জন দি আনৰ সংস্কৃতিক অন্ধভাৱে অনুকৰণ কৰাটো অতি লজ্জাজনক কথা। আমি যে মাইকেল জেকচন, পল ৰবচন বুলিলে বলিয়া হওঁ, পশ্চিমৰ দেশৰ কেইজনে শংকৰদেৱক জানে যিয়ে আমাৰ সংস্কৃতিৰ ৰবঘৰটো নিৰ্মাণ কৰি থৈ গ'ল? কেইজনে জ্যোতি,

বিষ্ণুক জানে যিয়ে আমাৰ সংস্কৃতিক এটা সুকীয়া মৰ্যাদা দান কৰি থৈ গ'ল? কেইটা জাতিৰ কেইগৰাকী ভদ্ৰ মহিলাই অসমীয়া মেখেলা-চাদৰ পৰিধান কৰি এটা সুকীয়া আমেজ পায়? আমি ভাবোঁ, অসমীয়াই যিদৰে পপ ছং, চুৰিদাৰ-কামিজ, জীনছ পেণ্ট, ৰোল, ম'ম', পিজ্জা আদিক মৰমেৰে আঁকোৱালি লৈছে, আন কোনো জাতিয়ে হয়তো বিহু, মেখেলা-চাদৰ, বৰগীত, জ্যোতি সংগীত, খাৰলি-কাঁহুদী আদিক ইমান মৰমেৰে বুকুত আঁকোৱালি লোৱা নাই।

শেষত, আমাৰ সীমিত জ্ঞানৰ উপলব্ধিৰে ক'ব খোজোঁ যে আনৰ সংস্কৃতিক নিজৰ সংস্কৃতিলৈ আমন্ত্ৰণ জনাওক, তাত বাধা নাই, মাত্ৰ চাব লাগিব যাতে আনৰ সংস্কৃতিৰ পয়োভৰত আমাৰ বাৰেবৰণীয়া সম্পদশালী অসমীয়া সংস্কৃতি যাতে বিজতৰীয়া সংস্কৃতিলৈ পৰিৱৰ্তন নহয়। আমাৰ কৰ্মব্যস্ত জীৱনৰ মাজতে আমি সময় উলিয়াই সন্তানক টাইম পাছ কৰিবলৈ পগ', হাংগামা আদি কাৰ্টুন চেনেলত ব্যস্ত নাৰাখি আমাৰ সাধুকথাকে কৈ শুনাওচোন, সিহঁতে যে কিমান আনন্দ পাব লগতে আমাৰ লোক-সংস্কৃতিও জীয়াই থাকিব, শুবলৈ লওঁতে সন্তানক চিডি বজাই 'লোৰী' শুনোৱাতকৈ আমিয়ে নিচুকনি গীত গাই শুনাওচোন, সিহঁতৰ স্বপ্নালু চকুৰ আৱেশে সিহঁতক এনে এখন ঐন্দ্ৰজালিক জগতলৈ লৈ যাব, য'ত সিহঁতে শিয়ালীক চিনি পাব, বাৰীৰ বগৰী বুটলি খোৱাৰ সপোন ৰচিব পাৰিব। আজি পাপন অংগৰাগ মহন্তই লোক-সংগীতৰ জৰিয়তে বিশ্বৰ দৰবাৰত নিজৰ স্থিতি সবল কৰিবলৈ সক্ষম হৈছে। আজিৰ প্ৰজন্মৰ হাৰ্টথ্ৰব হৈছে পাপন। আমি তেওঁৰ লগতে অসমীয়া বিহুগীতৰ মুকুটবিহীন সম্ৰাট খগেন মহন্তৰ কথাও আজিৰ তৰুণ-তৰুণীক ক'ব লাগিব, গোৱালপৰীয়া লোকগীতৰ মুকুটবিহীন সম্ৰাজ্ঞী প্ৰতিমা পাণ্ডেকো চিনাকি কৰি দিব লাগিব, আমাৰ সংস্কৃতিৰ পথাৰখন চহ কৰি সেউজ কৰা সংস্কৃতিৰ এই পূজাৰীসকলৰ অৱদানৰ কথা তেওঁলোকক ক'ব লাগিব, বুজাব পাৰিব লাগিব যে অতীতত তেওঁলোকে সিঁচি যোৱা সংস্কৃতিৰ পথাৰখনৰ বীজেই বৰ্তমানৰ সংস্কৃতিক জীপাল কৰি তুলিছে, নতুনৰ ৰং ৰহণে মাথোঁ তাক প্ৰৌজ্জ্বল কৰি তুলিছে। আজিৰ তৰুণ-তৰুণীয়েও অন্তৰেৰে উপলব্ধি কৰা উচিত যে অসমীয়া সংস্কৃতিৰ ভেটিটো বৰ চহকী, ইয়াক অক্ষুণ্ণ ৰখাৰ গুৰুভাৰ তেওঁলোকৰে। গতিকে আমি অগ্ৰজ-অনুজ সকলোৱে মিলি আমাৰ সংস্কৃতিক বিজতৰীয়া নকৰি এটা উচ্চ মানবিশিষ্ট সংস্কৃতিমান জাতি হিচাপে, 'অসমীয়া জাতি' হিচাপে নিজকে বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠিত কৰিবলৈ যত্ন কৰা উচিত। নহ'লে অস্তিত্বৰ সংকটত আমি দিশহাৰা হৈ

হয়তো নিজকে নিজে প্ৰশ্ন কৰিবলৈ বাধ্য হ'ম— প্ৰকৃততে আমাৰ ভুলটো কোনখিনিত? গীতিকবি পাৰ্বতিপ্ৰসাদে কোৱাৰ দৰে—

'আপোন হাতে ঘৰ ভাঙিলি অ' অঘৰী।
আৰুনো তই কিহৰ আশাত ফুৰিছ ঘূৰি।।
নিজৰ ভেটি কাকনো বেচি কৰিলি ধনী।
হেৰাই হাতৰ সোণ বিচাৰ পৰশমণি।।

আমি অংগীকাৰবদ্ধ হোৱা উচিত— আমাৰ সোণৰ দৰে সংস্কৃতিক আমি হেৰাই যাবলৈ নিদিওঁ। শ্ৰদ্ধাৰ নিৰ্মলপ্ৰভা বৰদলৈ বাইদেউৰ এটি কালজয়ী কবিতাৰে আমাৰ লেখা সামৰিছোঁ।

আহিনৰ পথাৰৰ গোন্ধ
কেনেবাকে নাকত আহি লাগিলে
মই হেৰা পাওঁ মোৰ দেউতাক।
দোকানৰ জাপ ভগা গামোচাৰ সুবাসত
মই হেৰা পাওঁ মোৰ আইক।
মই মোক মোৰ সন্তানৰ বাবে
ক'ত থৈ যাম? ক'ত???

আমি চেষ্টা কৰা উচিত যাতে আমাৰ সন্তানে আমাক ভৱিষ্যতে বিচাৰি পায় আহিনৰ সেউজীয়া পথাৰৰ মাজত, তাঁতশালৰ মাজত, বিহুগীত, আইনাম, বিয়ানাম, নিচুকনি গীতৰ মাজত, ঢোল, পেঁপা, গগনাৰ মাজত, মেখেলা-চাদৰ, কেৰুমণি, থুৰীয়াৰ মাজত, দৈ-চিৰা, পিঠাপনাৰ মাজত, ছুইমিং পুল, বেডমিণ্টন, কাৰ্টুন, ৰক শ্ব', ভেলেণ্টাইন ডে', ক্লাব, পাৰ্টী, চাওমিন, ম'ম'ৰ মাজত নহয়— কাৰণ এই আটাইবোৰ ক্ষণস্থায়ী। সময়ৰ লগে লগে এইবোৰ নোহোৱা হৈ যাব, পুনৰ নতুনৰ পৰশত নতুনে সাৰ পাই উঠিব আৰু আমিবোৰ? জাতিষ্মৰৰ এটা হাঁহি উঠা সাধুলৈ ৰূপান্তৰিত হৈ কালৰ বুকুত হেৰাই যাম।

**প্ৰসংগ পুথি ঃ**

**সংমিশ্ৰণত অসমীয়া সংস্কৃতি ঃ আব্দুছ ছাত্তাৰ**

*****

# গোৱালপৰীয়া লোকগীতত সমাজৰ চিত্ৰ

মানৱ সভ্যতা আৰু সংস্কৃতিৰ কঠীয়াতলীতেই লোকগীতৰ জন্ম আৰু বিকাশ সাধন হৈছে, ই হ'ল চহা প্ৰাণৰ মুক্ত পৰিস্ফুৰণ আৰু মৌলিক ভাবাৱেগৰ অকৃত্ৰিম প্ৰকাশ। জনসাধাৰণৰ বাস্তৱ অভিজ্ঞতা, প্ৰকৃতিৰ পৰা পোৱা শিক্ষা আৰু ব্যৱহাৰিক জীৱনৰ লগত সম্বন্ধ থকা বিষয়ক কেন্দ্ৰ কৰিয়েই চহা কবিসকলে লোকগীত ৰচনা কৰে। সেয়েহে ইয়াত লোক-সমাজখন স্বতঃস্ফূৰ্তভাৱে পৰিস্ফুট হয়।

গোৱালপৰীয়া লোক-সাহিত্যৰ পথাৰখন বৰ বিচিত্ৰ তথা বিশাল। বিভিন্ন ধৰণৰ সাধুকথা, সাঁথৰ, ফকৰা যোজনা, পটন্তৰ আদিৰ লগতে বিচিত্ৰ লোকগীতৰ সম্ভাৰে গোৱালপৰীয়া লোক-সাহিত্যক জাকতজিলিকা কৰি ৰাখিছে। ইয়াৰ ভিতৰত আমি আলোচনা কৰিবলৈ লোৱা লোকগীতৰ ক্ষেত্ৰখনেই অতি বিচিত্ৰ। বিভিন্ন পূজা-পাৰ্বণৰ গীত, যেনে- কাতি পূজা, ঘকা পূজা, মশান পূজাৰ গীত আদিৰে গোৱালপৰীয়া লোকগীত সমৃদ্ধ। প্ৰেমমূলক গীত, মাছধৰা গীত, মইষালী গীত, নাইয়া গীত আদি বিভিন্ন লোকগীতেৰে গোৱালপৰীয়া লোকগীতৰ পথাৰখন ঠাহ খাই আছে।

লোকগীতবোৰ বিভিন্ন সমাজৰ আচাৰ-বিচাৰ, ধৰম-কৰম, ৰীতি-নীতি, সমাজ ব্যৱস্থা, তদুপৰি সমাজৰ অৰ্থনীতি, ৰাজনীতি আদিৰো আংশিক ইতিহাসৰূপে ধৰা হয়। সমাজৰ আচাৰ-বিচাৰ, আহাৰ-বিহাৰ, আ-অলংকাৰ, পোছাক-পৰিচ্ছদ, মৰম-চেনেহ, শ্ৰদ্ধা-ভক্তিৰ ইংগিত গীতবোৰত পোৱা যায়। তলত উদ্ধৃত গীতৰ কলিটিত অলংকাৰৰ বৰ্ণনা এনেদৰে দিছে—

এখান শাৰী দিলেক হয়
হাতত ছুৰী দিলেক হয়

গলাত মালা দিলেক হয়
কাণত অন্তি দিলেক হয়
ঠেঙত খাৰু দিলেক হয়
নাকত নলো দিলেক হয়।

জীৱিকা নিৰ্বাহত কৃষিয়ে আছিল প্ৰধান অৱলম্বন। কুমাৰ, কমাৰ, সোণাৰি, জাতকৰ্ম ব্যৱসায় কৰি জীৱিকা উপাৰ্জন কৰিছিল। 'পিয়া গেইছে বণিজ কৰিবাৰে'— কথাষাৰৰ পৰা দেশ-দেশান্তৰে বেহা-বেপাৰ কৰাৰ কথা অনুমান কৰিব পাৰি। তদুপৰি ঘৰুৱা জীৱন বন্ধন প্ৰকৰণৰ কথাও গীতবোৰত পোৱা যায়। যেনে- ঘৰ চোতাল সৰা গীত—

আঁপিনা সামটং কুৰুত কুৰুত
বাঁশেৰ ঝাটা দিয়া
ও কি মা লো মা
এমন সময়ে আসিল
এক গাভুৰ সন্ন্যাসী
তাৰ হাতত লাঠী গাত দেৱা গজি
কি মা লো মা।

ৰন্ধা বঢ়া বিষয়ৰ গীত—

মোৰ মনত বৰ দুখ
ভাত খায়া নাপাং সুখ
ও মুই মৰোং ভোকতে
মোৰ বৌটা ৰান্ধোন জানে না।

প্ৰেমিকৰ সৈতে হোৱা বিচ্ছেদৰ জ্বালাত দগ্ধ হোৱা প্ৰেমিকাৰ মনৰ অৱস্থা কেনে হয়, তদুপৰি সমাজত বিধৱা নাৰীৰ ক্ষেত্ৰত থকা বাধ্যবাধকতা তলৰ গীতটোত প্ৰতিধ্বনিত হৈছে।

কি সোণা কি সোণা ৰে
এত নিষ্ঠুৰ হিয়া ৰে
পীৰিতি কৰিয়া ছাৰিয়া নাযাং মোকে

পীৰিতি গলাৰ মালা
তুই বন্ধু ছাৰিয়া গেইলে
আৰ না হ'ব দেখা
বিয়াৰ স্বামী মৰিয়া গেইলে
খায় না মাছ্ ভাত
তুই বন্ধু ছাৰিয়া গেইলে
দিম উপবাস।

জেঠীৰ মাত, কাউৰীৰ চিঞৰ, ফেঁচাৰ কুৰুলিয়ে ভৱিষ্যৎ বিপদৰ ইংগিত দিয়ে, এনে লোক-বিশ্বাসৰ কথাও গীতবোৰত পোৱা যায়।

পাতিৰা কৰিয়া হস্তীৰ
বাৰেয়া দিলং পাও
মাথাৰ উপৰ কাল জিঠি
কৰে পঞ্চ ৰাও।।

আৰ্থিক অসমতা সকলো দেশৰ, সকলো সমাজৰ প্ৰাচীন অৰ্বাচীন দুয়োটি যুগৰেই চিৰন্তন ৰীতি। গোৱালপৰীয়া লোকগীতৰ সমাজখনতো ইয়াৰ প্ৰতিফলন দেখা পোৱা যায়। আৰ্থিক সমস্যাই আনি দিয়া ব্যক্তিগত আৰু সামাজিক জীৱনৰ বিপৰ্যয়ৰ ইংগিত দেখিবলৈ পোৱা এটি গীত হ'ল—

দাদা দুইশ টাকা পোন নিয়া
বেচেয়া খালু দাদা বুঢ়া বৰ দেখিয়া
দুঃখেৰ কথা শোনবে দাদা
ৰাইত দিনে মোক বুঢ়াটা থাকে মাৰিয়া
এইবাৰ মাৰিলেক মুই আসিলং পালেয়া
যাবাৰ কইলে মুই মৰিম জলত ডুবিয়া।

কিছুমান খণ্ড-গীতত আকৌ একোটি ডাঙৰ ৰাজনৈতিক ঘটনাৰ আঁচোৰ লাগি আছে—

আৰে মোৰ ভাবেৰ দেওৰা

থুইয়া আইসেক মোক সোণাৰ হিন্দুস্তানে।।
হিন্দুস্তানে মোৰ বাপ ভাই
পাকিস্তানে মোৰ কেউ নাই
হিন্দুস্তানে চলিয়া যাবো
বাৰানি বানিয়া খাবো ৰে।

গীতাংশত ভাৰত বিভাজন হৈ হিন্দুস্তান-পাকিস্তান হোৱাৰ নিচিনা ৰাজনৈতিক কথাৰ উপৰি এই বিভাজনে সামাজিক জীৱনত সৃষ্টি কৰা বিপৰ্যয়ৰ বৰ্ণনা পোৱা যায়।

আধুনিকতাৰ বা লাগি গোৱালপৰীয়া লোকগীতবোৰ পৰিৱৰ্তন আৰু পৰিৱৰ্ধন হ'ব ধৰিছে। সমাজ আধুনিক হোৱাৰ লগে লগে লোকগীতবোৰেও আধুনিকতাৰ সা-সৰঞ্জামবোৰ এপদ-দুপদকৈ নিজৰ কৰি ল'বলৈ ধৰিলে। সেয়ে কিছুমান লোকগীতত মটৰচাইকেল, ৰে'ল, জাহাজ আদিৰ উল্লেখ পোৱা যায়। গণতন্ত্ৰ প্ৰতিষ্ঠা হোৱাৰে পৰা ভোটাধিকাৰ সাব্যস্ত কৰাত মানুহ তৎপৰ হৈ পৰিছে। এই ভোটৰ কথাও লোকগীতত সোমাই আছে—

ভাই মোৰ দেশেৰ জন্যে মায় না কৰে
ভোটেৰ জন্য উৱাই ধৰে ৰে
ওৰে নানা দলেৰ কথা শুনিয়া
ভাবিয়া তোমৰা ভোট দিবেন ৰে।।

গোৱালপৰীয়া সমাজত নানা প্ৰণালীৰে মাছ মৰা হয় যদিও সকলো ক্ষেত্ৰতে গীত গোৱা নহয়। অৱশ্যে বৰশী বোৱা, জাকৈ মৰা গীত দুই এফাঁকি শুনিবলৈ পোৱা যায়। যেনে—

উলকি নদীৰ ভুলকি মাছ ৰে
সদায় ভুলকায় ৰে
তোৰ ডুম ডুম মোৰ ডুম ডুম
সদায় ডুম ডুম সাৰ।
জাখা নাই খলাই নাই
গোলামেৰ বেটা ৰে
কি দিয়া মাৰিম মাছ।

সমাজৰ আচাৰ-বিচাৰবোৰক কেন্দ্ৰ কৰি ব্যক্তিগত আৰু সামূহিক আনন্দক সামাজিকভাৱে প্ৰকাশ কৰিবলৈ দেশে দেশে কিছুমান উৎসৱ উদ্‌যাপন কৰিবলৈ লোৱা হয়। এনে পটভূমিতেই গোৱালপাৰাতো কিছুমান সামাজিক উৎসৱৰ সৃষ্টি হয়। এনেবোৰ মাংগলিক অনুষ্ঠান সমাজত উদ্‌যাপন কৰাৰ সময়ত উৎসৱকেন্দ্ৰিক মানুহবোৰৰ অন্তৰত আনন্দ নধৰা হয়। আনন্দই প্ৰকাশ বিচাৰে, তাতেই গীতৰ সৃষ্টি হয়। এনেবোৰ সামাজিক উৎসৱত গোৱা গীতবোৰ তলত উল্লেখ কৰা হ'ল—

**বিয়া উৎসৱৰ গীত ঃ**

ও তুই বৰণ কৰিয়া নেও শাশুৰী হে
মাকলা বাঁশেৰ চাইলনৰে শাশুৰী ধুতুৰাৰে বাঁতি।
যতনে বৰিয়া নেও তোমাৰ গৌৰীৰ পাতিৰে
ও তুই বৰণ কৰিয়া নেও শশুৰী হে...।

**ধোৱনী উৎসৱৰ গীত ঃ**

ধোৱনী বিবাহ অনুষ্ঠানৰ সদৃশ। কোনো ছোৱালী পুষ্পিতা হ'লে তৃতীয় দিনৰ দিনা জ্যোতিষৰ দ্বাৰা গণনা কৰে। এই উৎসৱৰ গীত এনেধৰণৰ—

কলেৰ শাৰী শাৰী
মধ্যে ফুলেৰ বাৰী।
এই যে সীতাৰ বাৰী
আসে সীতা দেৱী
জনকেৰ জীয়াৰী
আজি শুভদিন হৈয়া
আজি সীতাৰ ঘৰে
ভাল যজ্ঞ কৰে
জোখাৰ পৰে ঘনে ঘনে।

কাব্য কবিতাত কবিৰ সমাজখনৰ ছাঁ পৰে। এই কথা গীতৰ ক্ষেত্ৰত যোল্ল অনাই অনুভৱ কৰিব পাৰি। লোকগীতত এই ছাঁ ঘন হৈ পৰে। চহা গীতিকাৰসকলৰ ৰচিত গোৱালপৰীয়া লোকগীতসমূহত গোৱালপৰীয়া সমাজখনৰ ছবি সুন্দৰকৈ প্ৰতিফলিত হোৱা দেখা যায়। এই গীতসমূহে আমাৰ ঐতিহ্যক, আমাৰ পৰম্পৰাক

বিস্মৃতিৰ গৰ্ভত হেৰাই নোযোৱাকৈ ধৰি ৰাখি গোৱালপৰীয়া সংস্কৃতিক জীপাল কৰি ৰাখিব।

প্ৰসংগ পুথি ঃ

১। গোৱালপৰীয়া সমাজ-সভ্যতা আৰু সংস্কৃতিৰ পৰিচয়, ১৯৭৯ ইং প্ৰভাত ৰায়

২। কাষ্ঠেৰ দোতাঁৰা কৰে ৰাও, ১৯৯২, শ্ৰীগৌৰীমোহন ৰায়।

৩। গোৱালপৰীয়া লোকগীত, প্ৰথম-দ্বিতীয়, তৃতীয় খণ্ড, ধীৰেন দাস।

৪। অসমীয়া লোক-সাহিত্য, ১৯৮৫ ইং অতুল চন্দ্ৰ বৰুৱা।

৫। ৰত্নপীঠ, গোৱালপাৰা জিলা সাহিত্য পৰিষদৰ মুখপত্ৰ, ১৯৮৭-৮৮ ইং, শ্ৰীসন্ধিয়া ৰাম ৰায়।

*****

# পৃথিৱীৰ অসুখ

বিনন্দীয়া ধৰা আজি ৰোগশয্যাত। ব্যস্ত পৃথিৱী আজি স্থবিৰ। এটা ভাইৰাছে মানৱ সভ্যতাক জোকাৰি যেন চিঞৰি চিঞৰি ক'ব ধৰিছে— "Corona is a bastille affair", ই এক পাশৱিক বস্তু। এই ভাইৰাছে বুজাই দিলে পৃথিৱীত কোনোৱেই সৰ্বশক্তিমান নহয়। ধন-জন, যৌৱনৰ গৰ্বত অন্ধ হোৱাজনৰ পৰা দৰিদ্ৰ, নিষ্পেষিত, পদদলিত সকলো আজি গৃহবন্দী। প্ৰকৃতিৰ বিৰুদ্ধাচৰণ কৰা মানৱ জাতি আজি মুকলি আকাশৰ তলত বিচৰণ কৰাৰ পৰা বঞ্চিত। প্ৰেমাস্পদৰ স্নেহালিংগন, আই-বোপাইৰ চেনেহৰ চুমা আজি নিষিদ্ধ। ধৰ্মৰ নামত গোড়ামিৰ চূড়ান্ত নিদৰ্শন দেখুওৱাসকলৰ বাবেও আজি মন্দিৰ, মছজিদ, গিৰ্জাৰ দুৱাৰ বন্ধ। প্ৰকৃতিৰ সন্মুখত জাতি-ধৰ্ম, উচ্চ-নীচ, ধনী-দুখীয়া, অহংকাৰ যে সকলো তুচ্ছ— বুজাই দিলে এটা ভাইৰাছে, ক'ৰোনা ভাইৰাছ। সমগ্ৰ পৃথিৱী আজি ভাইৰাছৰ কবলত। বিশ্বৰ ইমূৰৰ পৰা সিমূৰলৈ কেৱল প্ৰতিধ্বনিত হৈছে ক'ৰোনা ক'ৰোনা...। অসমো ইয়াৰ ব্যতিক্ৰম নহয়। এই ক'ৰোনা ভাইৰাছ বা ক'ভিড-১৯ মহামাৰীয়ে অসমত কেনেদৰে জোৰাৰভাতাৰ সৃষ্টি কৰিছে, তাৰেই এক সম্যক ধাৰণা এই আলোচনাৰ মাধ্যমেদি দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ল।

স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী পীয়ূষ হাজৰিকাৰ নিৰন্তৰ চেষ্টাত ২০২০ চনৰ মাৰ্চৰ শেষলৈকে অসমত এই ভাইৰাছে প্ৰৱেশ কৰিব পৰা নাছিল। কিন্তু সকলো চেষ্টাক অসাৰ প্ৰতিপন্ন কৰি সম্ভৱতঃ এপ্ৰিল মাহত মনীষ তিৱেৱাল নামৰ লোকজনৰ শৰীৰত কাল ক'ৰোনাই প্ৰৱেশ কৰে। অসমত প্ৰথম ক'ৰোনাৰ গ্ৰাসত পৰা এই লোকজন ঈশ্বৰৰ কৃপাত কোনোধৰণৰ অভাৱনীয়

পৰিস্থিতিৰ সন্মুখীন নোহোৱাকৈ চিকিৎসালয়ৰ পৰা উভতি আহে। তাৰ পাছত ক্ৰমে এজন-দুজনকৈ বৰ্তমান অৰ্থাৎ ছেপ্টেম্বৰ মাহৰ দ্বিতীয় সপ্তাহত (১১ ছেপ্টেম্বৰত) ক'ৰোনাত আক্ৰান্তৰ সংখ্যা হয়গৈ ১,৩৮,৩৩৯জন, মৃতকৰ সংখ্যা ৪৩৬জন।

যদিও মাৰ্চ মাহলৈকে অসমত ক'ৰোনাত আক্ৰান্ত ৰোগী পোৱা নগৈছিল, তথাপি সমগ্ৰ ভাৰতবৰ্ষত এই ভাইৰাছত আক্ৰান্ত হোৱা আৰু মৃত্যুৰ হাৰ দ্ৰুতগতিত বৃদ্ধি পোৱাৰ বাবে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তাৎক্ষণিক পদক্ষেপ হিচাপে ২৪ মাৰ্চ, ২০২০ৰ পৰা ১৯ এপ্ৰিল, ২০২০ তাৰিখলৈকে সমগ্ৰ দেশতে ঘোষণা কৰিছিল লকডাউন (তলাবন্ধ)।

লকডাউন বা তলাবন্ধ কোনো স্বাস্থ্য কৰ্তৃপক্ষৰ ব্যৱস্থা নহয়। ই এটা প্ৰশাসনিক বা আইনগত বা চৰকাৰী ব্যৱস্থা। ইয়াৰ উদ্দেশ্য হ'ল জনসাধাৰণে নিজকে স্ব-গৃহত আবদ্ধ কৰি ৰাখি সুৰক্ষিত হৈ থকা। এই সময়ত বাছ, ৰে'ল তথা বিমান সেৱা বন্ধ ৰখা হয়, এটা এলেকাৰ পৰা আন এটা এলেকা বিচ্ছিন্ন হৈ পৰে, কেৱল জৰুৰী সেৱা, যেনে— ফাৰ্মাচী আৰু চিকিৎসা সেৱাৰ সৈতে জড়িত সেৱাৰ বাহিৰে সকলো বন্ধ হৈ থাকে। ফলত মানৱ জীৱনৰ সকলো ক্ষেত্ৰতে আহি পৰে এক অকল্পনীয় স্থবিৰতা। এই স্থৱিৰতাই মানৱ প্ৰাণক কৰি তোলে হতাশগ্ৰস্ত আৰু দিকভ্ৰান্ত। কি কৰিব? পেটৰ ভাতমুঠিৰ যোগাৰ কেনেকৈ হ'ব? ৰোগশয্যাত ছট্‌ফটাই থকা আই-বোপাইৰ ঔষধৰ যোগান ধৰা দোকানী পুত্ৰৰ দোকান বন্ধ হৈ থাকিলে পইচা ক'ৰ পৰা আহিব? পইচা নাহিলে যে ঔষধো নাহে। হায়, চকুৰ আগতে আই-বোপাইক হেৰুৱাব নেকি এতিয়া পুত্ৰই? শংকা আৰু জীৱনৰ অনিশ্চয়তাই মানুহক কোঙা কৰি পেলাইছে। কোনেও আজি ভৱিষ্যতৰ একো সিদ্ধান্ত ল'ব নোৱাৰে। চকুত অলেখ সপোনৰ কাজল সানি প্ৰিয়জনৰ জীৱনসংগী হ'বলৈ বাট চাই থকা কইনাজনীয়ে মুখত মাস্ক পিন্ধি ৫০জন লোকৰ আশিস শিৰত লৈ, ক'ৰোনাৰ ভয়ত ভীতিগ্ৰস্ত হৈ আন এখন ঘৰত প্ৰৱেশ কৰেগৈ। ঘৰৰ লখিমী বুলি আদৰি লোৱা বোৱাৰীক শাহুআয়ে কপালত এটা চুমা আঁকি দিবলৈ আজি পত্নীৰ শংকা— জানোচা তেওঁৰ নিজৰেই দেহত ক'ৰোনাই সংগোপনে থিতাপি লৈছেহি, জানি-শুনি তেওঁ স্বামীৰ অন্যায় কৰে কেনেকৈ? আবাল-বৃদ্ধ-বনিতা, সকলো কেৱল এই ভাইৰাছৰ ত্ৰাসত কম্পমান। ইয়েই ক'ৰোনা ভাইৰাছ।

মহাভাৰতৰ যুদ্ধ, দ্বিতীয় বিশ্বযুদ্ধ আদিৰ দৰে এই ভাইৰাছৰ বিপক্ষে থিয়

দিয়া যুদ্ধয়ো হয়তো সময়ত ইতিহাসৰ সাক্ষ্য বহন কৰিব। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত যিদৰে পৃথিৱীত সামাজিক, অৰ্থনৈতিক আদি ক্ষেত্ৰত অস্থিৰতাই দেখা দিছিল, বৰ্তমানৰ এই যুদ্ধয়ো তেনে অস্থিৰতাৰ সৃষ্টি কৰা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব যেন লাগে। সমাজৰ মধ্যবিত্ত শ্ৰেণীটোৰ অৱস্থা আজি অতিকৈ শোচনীয়। দিনটো হাজিৰা কৰি খাটিখোৱা মানুহখিনিৰ অৱস্থা আজি অতিকৈ দুখলগা। ৰজাঘৰত, প্ৰজাঘৰত, ক'তো তেওঁলোকক কোনেও নিবিচাৰে, কাৰো বাৰীৰ ঢাপত আজি বনগুটি নগজে, কাৰো পকী চোতালত আজি যেন শেলুৱৈৰ চামনি নাথাকে, আনকি পুৱা ৬ বজাৰ পৰা গধূলি ৬ বজালৈ ৰান্ধি-বাঢ়ি, কাপোৰ ধুই, বাচন ধুই, ঘৰ সৰ-মোচা কৰি মাহৰ মূৰত পোৱা দৰমহাৰ পইচাকেইটাৰে ঘৰ চলোৱা মিনু, সীতা, ৰেহানাহঁতৰ দৰে বাইহঁতৰো আজি যেন প্ৰয়োজন নোহোৱা হৈ গৈছে। ঘৰৰ গৃহিণী আজি যেন সংসাৰ আঁজোৰাত অধিক সক্ৰিয় হৈ পৰিছে। পানী এগিলাচো নিজে ল'বলৈ এলাহ কৰা গৃহিণীগৰাকী আজি ৰীণাবাইৰ কাম কৰি কৰি যেন নিজেই বেমাৰী হৈ পৰিছে, গাটোত বিষ, দেহা অৱশ, ভাগৰে হেঁচা মাৰি ধৰে। তথাপি ৰীণাবাই আহিব নালাগে, কাৰণ তেওঁ এজনৰ পত্নী, সন্তানৰ মাতৃ ঘৰত ৯০ বছৰীয়া শহুৰ দেউতা, ৰীণাবায়ে যদি ক'ৰোনাৰ বীজ কঢ়িয়াই আনি তেওঁৰ ঘৰখনত সিঁচি দিয়ে? তেন্তে কি হ'ব? চকুৰ পলকতে গোটেই ঘৰখনে দুৰ্ভোগ ভুগিবলগীয়া নহ'বনে? পাৰিব জানো ৯০ বছৰীয়া শহুৰ দেউতাক ক'ৰোনাৰ কবলৰ পৰা মুক্ত কৰিব? যদি চিৰদিনৰ বাবে হেৰুৱাবলগীয়া হয়? শেষবাৰৰ বাবে এবাৰ চাই লোৱাৰ পৰাও বঞ্চিত হ'ব লাগিবচোন। সেয়ে দুৱাৰত, গে'টত তলা বন্ধ। কোনো আহিব নালাগে, ৰীণাবাই, ৰমেন ড্ৰাইভাৰ কাৰো আৱশ্যক নাই। ৰীণাবাই বা ৰমেন ড্ৰাইভাৰৰ পৰিয়ালটো কেনেকৈ চলে সেই কথা ভবাৰ অৱকাশ নাই, 'মানুহ পৰিস্থিতিৰ দাস' কথাষাৰ যেন আজি সকলোৱে মৰ্মে মৰ্মে উপলব্ধি কৰিলে। এইখিনিতে এষাৰ কথা উল্লেখ কৰিব লাগিব যে যদিও ক'ৰোনাৰ ভয়ত ৰীণাবাই বা ৰমেন ড্ৰাইভাৰৰ দৰে আনসকলে দৈনিক নিজ কৰ্তব্য সম্পাদন কৰিবলৈ যোৱাৰ পৰা বঞ্চিত হ'ব লগা হৈছে, তথাপি কিছু সদাশয় ব্যক্তিয়ে তেওঁলোকক মানৱীয়তাৰ খাটিৰতে দৰমহাৰ এটা অংশ হ'লেও দি কিছু আৰ্থিক সকাহ দি আছে। এইসকলৰ মহানুভৱতা প্ৰশংসনীয়।

কিন্তু শিল্পী সমাজ আজি আৰ্থিকভাৱে বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হৈছে। ক'ৰোনাৰ বাবে আজি বিহু, পূজা বা অন্যান্য সকলো সাংস্কৃতিক অনুষ্ঠান বাতিল কৰা হৈছে।

সংগীত শিল্পীসকল, নৃত্যশিল্পীসকল বা বাদ্যযন্ত্ৰীসকলৰ উপাৰ্জনৰ পথ ৰুদ্ধ বুলি ক'ব পাৰি। অনুষ্টুপীয়াকৈ আয়োজন কৰা বিয়া-বাৰুত বেণ্ডপাৰ্টীৰ কথা ভবাই নাযায়। ফলত অসমৰ এই থলুৱা কৃষ্টি-সংস্কৃতি বৰ্তাই ৰখাৰ লগতে নিজৰ পেটৰ ভাতমুঠি মোকলোৱা এইসকল লোকৰ আজি জীৱিকাৰ পথ ৰুদ্ধ। কোনো ৰাজহুৱা পূজা-পাতল অনুষ্ঠিত হ'ব নোৱাৰে, ফলত ওজাপালিৰ দৰে অসমৰ থলুৱা কৃষ্টিৰ লগত জড়িত এচাম ব্যক্তিৰ পানীত হাঁহ নচৰা অৱস্থা। এনেদৰে অসমৰ সাংস্কৃতিক জগতৰ বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত হৈ থকা সাংস্কৃতিক কৰ্মীসকলৰ বহুতে আজি আৰ্থিক দৈন্যৰ সৈতে সহাৱস্থান কৰিবলগীয়া হোৱাত হতাশ হৈ পৰিছে। অটোচালক, বাছ-ট্ৰেকাৰৰ মালিকসকলৰ জীৱিকাৰ পথ এটা সময়ত ৰুদ্ধ হৈ পৰিছিল। Unlock -4 পৰ্যায়ত বাছ আদি চলাচলত বাধা নাছিল যদিও সামাজিক দূৰত্ব বজাই ৰাখিবলগীয়া হোৱাত যাত্ৰীৰ সংখ্যা কম হয়। ফলত মালিকসকলৰ লাভৰ ঘৰত শূন্যই অৱস্থান কৰে। ভালেকেইখন হোটেল-ৰেষ্টুৰেণ্ট চিৰদিনলৈ বন্ধ হৈ গ'ল। হোটেলত মানুহৰ সমাগম নাই, কৰ্মচাৰীক দৰমহা দিবলৈ মালিকৰ সামৰ্থ্য নাই। গতিকে হোটেল বন্ধ কৰাৰ বাহিৰে গত্যন্তৰ নাই। এনেদৰে আৰ্থিক ক্ষেত্ৰত অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি কৰিছে এটা ভাইৰাছে— 'ক'ৰোনা ভাইৰাছ'।

শৈক্ষিক ক্ষেত্ৰখনতো এক প্ৰচণ্ড জোকাৰণি অনুভূত হৈছে। মাৰ্চ মাহৰ ২৪ তাৰিখৰ পৰা পৰ্যায়ক্ৰমে হোৱা লকডাউন আৰু Unlockৰ নীতি-নিৰ্দেশনাই বৰ্তমান ছেপ্টেম্বৰৰ দ্বিতীয় সপ্তাহলৈকে শিক্ষানুষ্ঠান খোলাৰ নিৰ্দেশনা জাৰি কৰা নাই। বছৰেকীয়া পৰীক্ষাত উত্তীৰ্ণ হৈ নতুন শ্ৰেণীত নতুন উদ্যমেৰে পঢ়া-শুনা কৰিবলৈ সাজু হোৱা ছাত্ৰ-ছাত্ৰীয়ে আজিৰ তাৰিখলৈকে (ছেপ্টেম্বৰৰ ২য় সপ্তাহ, ২০২০) পঢ়াশালিৰ পদূলি গচকিবলৈ পোৱা নাই। চৰকাৰী নিৰ্দেশনা অনুসৰি অনলাইন ক্লাছ কৰা হ'ল। কোনোজনে আয়ত্ত কৰিলে, কোনোজনে চকুৰে চাই থাকিলে, কাণত বা মগজুত একো নোসোমাল। কাৰণ এই ব্যৱস্থাৰ সৈতে ছাত্ৰ-ছাত্ৰী অভ্যস্ত নহয়, গতিকে শ্ৰেণীকোঠাৰ পাঠদানৰ সৈতে অভ্যস্ত হোৱা বহু ছাত্ৰ-ছাত্ৰীৰ বাবে এইনতুন ব্যৱস্থা কেৱল উপস্থিতিৰ হাৰ প্ৰদৰ্শনৰ মাধ্যমৰ বাদে আন একো নহ'ল। তদুপৰি গাঁৱৰ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে স্মাৰ্টফোন, অনলাইন ক্লাছ আদি এক অলীক সপোন হৈয়ে ৰ'ল। পৰীক্ষা হ'ব নে নহয়, হ'লে অনলাইন হ'ব নে অফলাইন, অফলাইন হ'লে আমি যাম কেনেকৈ? ক'ৰোনাৰ বীজাণু লাগি আহি আমি যদি মৰি যাওঁ? কোমল মনক ছাত্ৰ-ছাত্ৰীৰ মনত উদয় হোৱা এনেধৰণৰ প্ৰশ্নৰ সঠিক

সমিধান দিবলৈ আজি চৰকাৰ, অভিভাৱক, শিক্ষাগুৰু আদি সকলো অপাৰগ। আজিৰ তাৰিখত ক'ৰোনাত আক্ৰান্ত আৰু ক'ৰোনাত মৃত্যু হোৱা লোকৰ সংখ্যাই সকলোকে এক অনিশ্চিত ভৱিষ্যতলৈ ঠেলি দিছে, সকলোৰে মনত উদয় হয় বিভিন্ন প্ৰশ্ন, কিন্তু উচিত সমিধান দিওঁতা কোনো নাই।

নামঘৰ, মন্দিৰ-মছজিদ, গিৰ্জাৰ দুৱাৰ বন্ধ। পূজা-পাতল, নাম-প্ৰসংগ, বিয়া-সবাহ বা আন সকলো সামাজিক অনুষ্ঠান প্ৰথমে বাতিল যদিও পিছলৈ Unlockত ৫০জন লোকৰ উপস্থিতিত অনুমোদন জনায় চৰকাৰে। মৃতকৰ সৎকাৰ অনুষ্ঠানত ২০জন লোকৰ অনুমতি প্ৰদান। আটাইতকৈ হৃদয়বিদাৰক কথাটো হ'ল আপোনজনৰ যদি ক'ভিড-১৯ত মৃত্যু হয়, তেনে শেষবাৰৰ বাবে চুই চাবলৈও বা অন্তিম দৰ্শনৰ পৰাও আত্মীয়সকল বঞ্চিত হ'বলগীয়া হয়। পূজা কমিটীসমূহে সিদ্ধান্ত গ্ৰহণ কৰা মৰ্মে এইবাৰৰ শাৰদীয় দুৰ্গোৎসৱত হয় ঘট পূজা— নাথাকিল আৰতি, পুষ্পাঞ্জলি, আলোকসজ্জাৰ পয়োভৰ, পেঁপা-বেলুন, পিষ্টলৰ শব্দত সৃষ্টি হোৱা উছৱমুখৰ পৰিৱেশ। ফলত মৃৎশিল্পীসকলৰ উপাৰ্জনৰ পথ ৰুদ্ধ। সকলো ফালেই কেৱল যেন শূন্যতা, স্থবিৰতা। অৰ্থনৈতিক স্থবিৰতা, শৈক্ষিক স্থবিৰতা, সামাজিক স্থবিৰতা। ক'ৰোনাৰ কৱালগ্ৰাসৰ পৰা উদ্ধাৰ পাবলৈ মানি চলিবলগীয়া হৈছে সামাজিক দূৰত্বৰ বাধ্যবাধকতা। সেয়ে বিহুৰে-সংক্ৰান্তিয়েও বিয়া দিয়া জীয়াৰীজনীয়ে মাক-দেউতাকক কায়িকভাৱে গৈ সেৱা এটি যাচিব নোৱাৰা হ'ল, কাৰো সুখ-দুখৰ সমভাগী হ'বলৈ, একেলগে হাঁহিবলৈ, কান্দিবলৈ এজনে আনজনৰ ওচৰলৈ যাব নোৱাৰা হ'ল। দুৰভাষটোৱেই যেন মনৰ ভাব আদান-প্ৰদানৰ, সম্পৰ্কৰ এনাজৰী ছিগি নোযোৱাকৈ ৰখাৰ একমাত্ৰ মাধ্যম হৈ পৰিল। উস্ কি যে বিড়ম্বনা, এটা ভাইৰাছে সকলো নিজৰ হাতৰ মুঠিলৈ লৈ আহিল।

ক'ৰোনাৰ পৰা ৰক্ষা পাবলৈ, সামাজিক দূৰত্ব মানি চলিবলৈ বিভিন্ন সময়ত পৰ্যায়ক্ৰমে চৰকাৰে লকডাউন ঘোষণা কৰিবলগীয়া হৈছে। এই লকডাউনৰ ফলত অৰ্থনৈতিক, শৈক্ষিক বা সামাজিক ক্ষেত্ৰত কেনেধৰণৰ বিৰূপ প্ৰভাৱ পৰিছে, সেয়া সকলোৱে মৰ্মে মৰ্মে উপলব্ধি কৰিছে। কিন্তু তথাপি নিজৰ বাবে, দহৰ বাবে আজি সমগ্ৰ দেশৰ লগতে অসমৰ জনগণেও গৃহবন্দিত্বক মানি লৈছে। এইসকলৰ সংযম তথা ত্যাগৰ উদাহৰণ আজিৰ সময়ত দুৰ্লভ। চৰকাৰে দৰিদ্ৰ লোকসকলৰ বাবে যুগুত কৰা বিভিন্ন আঁচনি তথা তাৎক্ষণিকভাৱে ঘোষণা কৰা সা-সুবিধাবোৰে এইসকলক কিছু পৰিমাণে সকাহ দিছে।

আনহাতে, মানৱ সেৱাৰ নামত নিজকে উছৰ্গা কৰা চিকিৎসকসকল, নাৰ্ছসকল, চাফাই কৰ্মীসকল, আৰক্ষী তথা জৰুৰী সেৱাৰ লগত জড়িত কৰ্মীসকলৰ প্ৰকৃত ছবিখন এতিয়াহে জনসাধাৰণে স্পষ্টকৈ দেখিবলৈ পাইছে যেন অনুভৱ হৈছে। ইমান দিনে আমি যেন এইসকলক উপৰুৱা দৃষ্টিৰেহে চাই আহিছিলোঁ। "Service to man is service to God– এয়াই যেন এইসকল লোকৰ জীৱনৰ মূলমন্ত্ৰ হৈ পৰিছে। বৰ্তমান তেওঁলোকৰ নিজ বৃত্তিৰ প্ৰতি থকা নিষ্ঠা, সততা আৰু একাগ্ৰতাই আমাক এষাৰ কথাৰ সত্যতা বাৰুকৈয়ে উপলব্ধি কৰোৱাইছে— Sacrifice is the life giving force of Indian Civilisation.

গতিকে আহক আমি সকলোৰে ঐক্যবদ্ধ হৈ এই ভাইৰাছৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হওঁ— ঘৰতে থাকোঁ, সুৰক্ষিত থাকোঁ, নিজৰ লগতে আনকো সুৰক্ষিত কৰোঁ। অতি প্ৰয়োজন নহ'লে নিজক ঘৰতে আবদ্ধ কৰি ৰাখোঁ, জনসমাগম বৰ্জন কৰোঁ, মাস্কখনক আমাৰ পোছাকী সাজযোৰৰ এপদ অত্যাৱশ্যকীয় অংগ বুলি গ্ৰহণ কৰোঁ। কৰ্মব্যস্ত জীৱনৰ পৰা ক্ষন্তেক আহৰি পোৱাসকলে পৰিয়ালক দিব নোৱৰা মধুৰ সময়বোৰ মধুৰৰ পৰা মধুৰতম কৰি তোলোঁ। কেতিয়া ভেক্‌চিন ওলাব, কেতিয়া এই মহামাৰী বিনাশ হ'ব, এই সকলো এতিয়া অনিশ্চয়তাৰ আৱৰ্তত। গতিকে ক'ৰোনাৰ সৈতে সহাৱস্থান কৰাৰ মানসিকতাক গঢ় দি, পালন কৰিবলগীয়া সাৱধানতাখিনি সততে পালন কৰি জীৱনৰ স্থিতিৰ প্ৰতি এক সবল প্ৰত্যাহ্বান ঘোষণা কৰি জীৱনটোক আগবঢ়াই নিয়াটোৱেই উচিত হ'ব যেন বোধ হয়। হতাশগ্ৰস্ত নহৈ, নেতিবাচক চিন্তা পৰিহাৰ কৰি আশাত ব'ঠা মাৰি জীৱন নাও আগবঢ়াই নিলে আমি হয়তো আকৌ গাব পাৰিম—

'আকৌ নতুন প্ৰভাত হ'ব
কালৰাত্ৰিও নাথাকিব...'
মুঠতে আমি আশাবাদী।

বিঃদ্ৰঃ এই লেখা ২০২০ চনৰ লকডাউনৰ সময়ৰ। সেয়ে সেই সময়ৰ তথ্যহে ইয়াত দিবলৈ চেষ্টা কৰা হৈছে।

*****

# আত্মসন্মান

প্ৰতিজন মানুহৰ বাবেই আত্মসন্মান বা আত্মমৰ্যাদা এক গুৰুত্বপূৰ্ণ বিষয়। যাৰ আত্মমৰ্যাদা নাই তেওঁ আনকো মৰ্যাদা দিব নাজানে। আত্মসন্মান বা আত্মমৰ্যাদাই এজন ব্যক্তিক তেওঁৰ স্থিতিৰ প্ৰতি অধিক সচেতন কৰি তোলে। প্ৰতি পদক্ষেপতে আত্মসন্মানৰ প্ৰশ্ন জড়িত হৈ আছে। আত্মসন্মানবোধে এজন ব্যক্তিক সন্মান লাঘৱ হ'ব পৰা সকলো কাৰ্যৰ পৰা আঁতৰাই ৰাখে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও তেওঁৰ ভাষণত কৈছে— ব্যক্তিৰ আত্মসন্মান সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে তেওঁৰ কৰ্মৰ ওপৰত। যিহেতু আত্মসন্মানবোধ থকা এজন ব্যক্তিৰ নিজৰ সৎ কৰ্মৰ ওপৰত সম্পূৰ্ণ বিশ্বাস বা আস্থা থাকে, তেনে ক্ষেত্ৰত আনৰ দ্বাৰা অনাকাংক্ষিতভাৱে অপমানিত, অপদস্থ হ'লে বা অনাহক কুৎসা ৰটনাৰ সন্মুখীন হ'বলগীয়া হ'লে তেওঁৰ 'আত্মসন্মানবোধে' বিদ্ৰোহ ঘোষণা কৰে আৰু বহু ক্ষেত্ৰত সম্পৰ্ক আৰু আত্মসন্মানক তুলাচনীত ৰাখিবলৈ গৈ আত্মসন্মানৰ দগা থকা ফালটোহে তললৈ যোৱাৰ ফলত তেজৰ সম্পৰ্কও ত্যাজ্য হৈছে বা প্ৰেমক বলিদান দিয়া উদাহৰণো দেখিবলৈ পোৱা গৈছে। টকা বা ঐশ্বৰ্য-বিভূতিৰ সৈতে আত্মসন্মানৰ তুলনা নহয়। যেনেদৰে বিবেকহীন লোক এজনৰ নাম বিবেক, কৰ্কশ মাতৰ নাৰীৰ নাম সুবাদিনী হ'লে সেইনাম সেই ব্যক্তিৰ স'তে অকণো নিমিলিল বুলি আনৰ আলোচ্য বিষয় হৈ পৰে, ঠিক তেনেদৰে ঐশ্বৰ্য-প্ৰাচুৰ্যৰে ভৰপূৰ এজন লোকৰ যদি আত্মসন্মানবোধ নাথাকে, তেন্তে তেওঁৰ ধন-দৌলত ফুটুকাৰ ফেন বুলিহে আত্মসন্মান থকা 'ভিক্ষাৰী' এজনেও গণ্য কৰিব। আত্মসন্মানে মানুহক দিনে দিনে দায়িত্বশীল আৰু কৰ্তব্যপৰায়ণ কৰি গঢ়ি তোলে। আত্মমৰ্যাদাসম্পন্ন ব্যক্তি এজনে নিষ্ঠা, সততা আৰু একাগ্ৰতাৰে নিজৰ কৰ্তব্য পালন

কৰিব, কাৰণ কৰ্তব্যত গাফিলতি কৰাৰ স'তে তেওঁৰ সন্মানৰ প্ৰশ্নটো জড়িত হৈ আছে। অহংকাৰ হৈছে মিছা আশ্বাস বা ভৰসা। তাৰ বিপৰীতে আত্মবিশ্বাস হৈছে সঁচা বিশ্বাস আৰু আস্থাৰ স্থল, য'ত আত্মসন্মানে জন্মলাভ কৰে।

নিজৰ ওপৰত বিশ্বাস থাকিলে, নিজক ভাল পালে, আনক অন্ধ অনুকৰণ কৰাৰ পৰা বিৰত থাকিলে নাইবা আনৰ সহানুভূতি লাভ কৰিবলৈ বা আনৰ কৃপাধন্য হ'বলৈ নিজস্ব বিসৰ্জন দিয়া কামৰ পৰা বিৰত থাকিলেহে 'আত্মসন্মান' বোলা শব্দটোৰ প্ৰকৃত অধিকাৰী হ'বলৈ সক্ষম হয়। নিজক উন্নত কৰাৰ বাবেহে কাম কৰা উচিত, নিজক কাৰো ওচৰত প্ৰমাণ কৰাৰ বাবে নহয়। আনে আমাক গ্ৰহণ কৰক বা নকৰক, আমাৰ বিবেকে যদি আমাক গ্ৰহণ কৰে 'মানুহ' বা জীৱশ্ৰেষ্ঠ' হিচাপে সেয়াই আমাৰ বাবে যথেষ্ট। কাৰণ নিজৰ বিবেকক কোনেও ফাঁকি দিব নোৱাৰে। আৰু বিবেকৰ প্ৰমাণ-পত্ৰই হ'ল এজন ব্যক্তিৰ আত্মসন্মান মূল্যায়নৰ প্ৰকৃত মাপকাঠী।

শেষত ষ্টিভ ৱাল্টঅ'ৰ্থৰ এযাৰ উক্তিৰে আমাৰ এই লেখা সামৰিব বিচাৰিছোঁ— 'তোমাৰ জীৱনত থাকিবলৈ বা বৈ যাবলৈ কাকো অকণো জোৰ নকৰিবা। তোমাৰ আত্মমৰ্যাদা বুজিবলৈ শিকা। কাৰো দ্বাৰা উপেক্ষিত হ'বলৈ নাযাবা।' আন এজনে আৰু এঢাপ আগুৱাই গৈ ক'লে— 'Removing people from your life, who don't appreciate your presence is a symbol of self respect. ক'ত জানো পঢ়িছিলোঁ এযাৰ বাক্য— Sometimes you have to leave, not for ego, but for self respect. আমাৰো উপলব্ধি, 'আত্মসন্মানবোধে এজন মানুহক মানুহ ৰূপে পৰিচয় কৰায়, যিজনৰ আত্মসন্মানবোধ নাই তেওঁৰ একোৱে নাই। কাৰণ 'আত্মসন্মান শৰীৰ নহয়, তথাপি আঘাত লাগে'। শাৰীৰিক আঘাত এটা সময়ত নোহোৱা হয়, কিন্তু এই আঘাত আনে নেদেখিলেও মনত বৈ যায়।

*****

# শিল্পী তুমি তিনিওকালৰ

সুন্দৰে যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি মাতে
সেয়ে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে।

অসমীয়া সাহিত্য-সংস্কৃতিৰ যাদুকৰ ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আৰু সৈনিক শিল্পী বিষ্ণু ৰাভা অসমীয়াৰ প্ৰাণৰ আপোন, হিয়াৰ আমঠু। শিল্পী আছিল বিষ্ণু-জ্যোতি। জনতাৰ শিল্পী। দেশেই আই, ৰাইজেই ভাই। সেয়ে জনতাৰ হিয়াৰ খনিত চিৰদিনলৈ লুকাই থকাৰ হাবিয়াস কৰিছিল জ্যোতিপ্ৰসাদে—

জনতা তোৰ
প্ৰাণৰো প্ৰাণ মনৰো মনত
শিল্পী যে মই
লুকাই লুকাই আছোঁ
তোৰ সপোনৰ কত ছবিত
কত যে ফুল বাছোঁ
লুকাই লুকাই আছোঁ...।

শিল্পী তেওঁলোক, স্ৰষ্টা তেওঁলোক আৰু সৃষ্টিৰ বাবে তেওঁলোক এজন দ্ৰষ্টাও। সেয়েহে তেওঁলোকে সত্যৰ উদঘাটন কৰিছে আৰু জনগণৰ আগত সত্যৰ ৰূপ দাঙি ধৰিছে। গীত-নাট-গল্প-চিত্ৰ আদিত এওঁলোক দুয়োজনেই অপৰূপ ৰূপ দান কৰিছে আৰু সুন্দৰৰ জেউতি চৰাইছে।

সুৰৰ দেউলৰ ৰূপৰ শিকলি ভাঙি সোণোৱালী দুৱাৰ খোলাৰ বাবে বিষ্ণু

ৰাভাই যি গুৰুঘাট বাজনাৰ দৰে প্ৰথম শ্যামৰাগৰ ধ্বনি তুলিলে, সেয়া কেনে মনোমোহা কেনে চিত্ত বিনোদনকাৰী—

সুৰৰে দেউলৰে
ৰূপৰে শিকলি
ভাঙি দিলি খুলি
দুৱাৰ সোণোৱালী...
পূজাৰী....।

এইদৰে সুন্দৰৰ পূজাৰী জ্যোতিপ্ৰসাদেও এক নতুন প্ৰভাতক স্বাগতম জনাবলৈ, আলোকৰ সন্ধানত জঁপিয়াই পৰিবলৈ সতীৰ্থসকলক স্বাগতম জনালে—

'তোৰে মোৰে আলোকৰে যাত্ৰা
অব্যৰ্থ
আমি পালোঁ জীৱনৰ
অৰ্থ অভিনৱ
স্বাগত স্বাগত সতীৰ্থ।'

অসমৰ বৰ্ণাঢ্য সংস্কৃতিৰ বৰপথাৰত শংকৰদেৱ, জ্যোতিপ্ৰসাদৰ বিশিষ্ট প্ৰতিভাই যি যুগমীয়া সংস্কৃতিৰ বৰ আলি বান্ধিলে, গণশিল্পী বিষ্ণু ৰাভা সেই আলিৰে অনুগত সতীৰ্থ। পূৰ্বসূৰী সতীৰ্থৰ স্মৃতিৰেখাত বিষ্ণু ৰাভাই যথাৰ্থভাৱেই শংকৰদেৱৰ সাংস্কৃতিক প্ৰমূল্যক স্বীকৃতি দিছে।

'অ' গুৰু মোৰ শংকৰ
তৰিবৰে কিনো উপায়।'

এনেদৰে পূৰ্বসূৰীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ ভৱিষ্যতৰ কৰ্মপথত এক বলিষ্ঠ পদক্ষেপ আগবঢ়াবলৈ দৃঢ়প্ৰতিজ্ঞ হোৱা শিল্পীসৃষ্ট কলা, নিত্য নতুন আৰু চিৰযুগৰ বাবে সুন্দৰ বাৰ্তাবাহক তেতিয়া আৰু সেই শিল্পী বা কলাৰ কোনো ভৌগোলিক সীমা নাথাকে, সসীমৰ সীমা পাৰ হৈ অসীমলৈ গতি কৰে, ভূ-ভাৰত অতিক্ৰম কৰি বিশ্বৰ ছন্দে ছন্দে মহানন্দত মিলিবলৈ ধাৱমান হয়—

'বিশ্বৰে ছন্দে ছন্দে মহানন্দে
নাচা নাচা তমোহৰ দেউ নাচা।

বিশ্বৰ ছন্দে ছন্দে মহানন্দত মিলিবলৈ প্ৰয়াস কৰোঁতেই পৰাধীনতাৰ গ্লানি আৰু দাৰিদ্ৰ্যৰ হতাশাৰে ক্লেদাক্ত এখন দেশৰ সমস্যাই বিষ্ণু-জ্যোতিৰ মনক অহৰ্নিশে

পীড়ন কৰিছিল। গীতেৰে, কবিতাৰে তেওঁলোকে দুখীয়াৰ পৰিত্ৰাণৰ বাবে চেষ্টা কৰিছিল। আৰু শোষক চৰকাৰৰ বিৰুদ্ধে এক সবল প্ৰত্যাহ্বান ঘোষণা কৰিছিল—

মোৰ গানত জ্বলে শতযুগৰ কত অভিমান
মোৰ গানে বিচাৰে চিৰ দুখীয়াৰ চিৰ পৰিত্ৰাণ।

ভাৰত চৰকাৰ....
ধনী মহাজন ৰজা-মহাৰজা জমিদাৰ..
সিহঁতৰ শোষণৰ নিৰ্মম হাথিয়াৰ..
তিলে তিলে সৰা টুপি টুপি তেজপিয়া দুখীয়াৰ;...
স্বাধীন দেশৰ মহাভাৰতৰ এনে চৰকাৰ;...

স্বাধীনতাপিপাসু জনতাই ব্ৰিটিছ চৰকাৰৰ ওপৰত খঙত একো নাই হৈ ব্যাপকভাৱে চৰকাৰী ঘৰ-বাৰী পোৰা, ৰাস্তা-দলং ধ্বংস কৰা, ৰে'ললাইন উঠোৱা আদি হিংসাত্মক কাৰ্যত লিপ্ত হ'বলৈ বাধ্য হ'ল। ১৯৪২ চনৰ ২০ ছেপ্টেম্বৰত দৰঙৰ বিভিন্ন থানাৰ সন্মুখত ত্ৰিৰংগ পতাকা উত্তোলন কৰাৰ প্ৰতিশ্ৰুতি লৈ সংগ্ৰামী দল আগবাঢ়ি আহিল। অগ্নিযুগৰ ফিৰিঙিতি লুইতপৰীয়া ডেকাৰ যেন আজি মৰিবলৈ ভয় নাই।

লুইতৰ পাৰৰে আমি ডেকা ল'ৰা
মৰিবলে ভয় নাই।

ৰাজপথলৈ ওলাই আহিল জননীৰ সন্তান, হৈ শক্তিমান, ওলাই আহিল মুক্তিপ্ৰাণ, গাই বিপ্লৱৰ গান। কৰিবলৈ দুৰ্জেয় অভিযান—

'জননীৰ সন্তান জাগা
জাগা শক্তিমান জাগা মাতৃ প্ৰাণ
মৃত্যু গচকি আনা জয় জিনি
কৰি দুৰ্জেয় অভিযান
জাগা... মাতৃপ্ৰাণ।

আৰু গহপুৰত। ত্ৰিৰংগ পতাকা হাতত লৈ কনকলতা মাটিত ঢলি পৰিল, ঢলি পৰিল মুকুন্দ কাকতি।

'লুইতৰ আকাশত তৰাৰ তৰাৱলী
পাৰত দীপাৱলী তেজৰে মোৰ

আই নাকান্দিবি থাপনাত তেজৰে
বন্তি দিছেহি সন্তানে আজি তোৰ...।

বিষ্ণু ৰাভাৰ বিপ্লৱী গানে ভাৰতৰ পৰাধীনতাৰ গ্লানি সহিব নোৱাৰি ভাৰতক স্বাধীন কৰিবলৈ যি অগ্নিযুগৰ সৃষ্টি কৰিছিল, তাৰ উদ্দীপনাই ৰাভাৰ মনত গভীৰ ৰেখাপাত কৰিছিল। শ্বহীদ খুদিৰামৰ ফাঁচিৰ পিছত মুকুন্দ দাসে যাত্ৰাৰ মাজেদি যি প্ৰবল দেশপ্ৰেমৰ সোঁত বোৱাইছিল সেই সোঁতে ৰাভাৰ অন্তৰো প্লাৱিত কৰিছিল—

'বলি একবাৰ বিদায় দে মা ঘূৰে আসি
হাঁসি হাসি হৈবে ফাঁচি দেখবে ভাৰতবাসী।

এই গীতে ৰাভাৰ অন্তৰত হিল্লোল তুলিছিল।

দেশপ্ৰেমত উদ্বুদ্ধ হৈ গীত, নাট, কবিতা ৰচনা কৰা বিষ্ণু-জ্যোতিৰ জীৱন যে সহজাত মানৱীয় প্ৰেমেও বিধৌত কৰা নাছিল তেনে নহয়।

'লগন উকলি গ'ল তেওঁ যে নহ'ল কোৱা
মনৰ কথাটি মোৰ হিয়াত গুপুতে থোৱা।

প্ৰেমক ইমান মহান, চিৰসুন্দৰ ৰূপত অংকন কৰা সংগ্ৰামী শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাই প্ৰেয়সীৰ প্ৰেমক লৈয়ে ৰচনা কৰিছিল এই কালজয়ী গীত—

'পৰজনমৰ শুভলগনত
যদিহে আমাৰ হয় দেখা।

ইয়াত প্ৰকাশ পাইছিল প্ৰেমৰ এক চিৰসুন্দৰ, চিৰশাশ্বত ৰূপ। ইয়াৰ শক্তি ইমানেই প্ৰচণ্ড, ইমানেই দুৰ্বাৰ যে ই যেন জন্ম জন্মান্তৰৰ অনুভৱ।

পূৰাবানে প্ৰিয়ে এই জনমৰ
মোৰ হিয়াৰ অপূৰ্ণ আশা।

জ্যোতিপ্ৰসাদেও যেন তেওঁৰ জীৱনত ৰোমাণ্টিছিজমক উপেক্ষা কৰিব পৰা নাছিল। সেয়ে তেওঁৰ কাপৰ পৰা নিগৰি নিগৰি ওলাইছিল।—

'ৰূপহ কোঁৱৰৰ চুমা পৰশতে...
লাজুকী কুঁৱৰী মৰহি যায়।

ৰূপালীম নাটকৰ এটি গীতত দৰ্শক শ্ৰোতাই যেন সদ্যযৌৱনা গাভৰুৰ ৰূপ-সৌন্দৰ্যৰ সুধা আকণ্ঠ পান কৰিবলৈ সক্ষম হৈছিল। ইয়াত জ্যোতিপ্ৰসাদৰ অনন্য কবিত্ব শক্তি আৰু সূক্ষ্ম পৰ্যবেক্ষণ শক্তি অতি মোহনীয় ৰূপত প্ৰকাশ পাইছে।

'অ' সখী আজি যৌৱন বন জুৰি

বন বসন্ত মঞ্জৰি
পাতে বৰণৰে মেলা
হাঁহা সখী মোৰ
হাঁহিৰে ফাকু খেলা।

তদুপৰি জ্যোতিৰ লেখাত আৰু বিষ্ণুৰ কণ্ঠৰ সুৱদি সুৰে যেন সোণতে সুৱগা চৰাইছিল এটি গীতত, এক কথাত পুৰণি হৈয়ো চিৰনতুন এই গীতটিত বিষ্ণু-জ্যোতিৰ যেন মণিকাঞ্চন সংযোগহে ঘটিছিল—

'মোৰে জীৱনৰে সখা কৃষ্ণ
বজাব কি সুৰে বেণু
কপালতে তোৰ কোনে আঁকি দিলে
ইন্দ্ৰধনু...।

এনেদৰেই দেশপ্ৰেমেৰে, সাংস্কৃতিক প্ৰেমেৰে, মানৱীয় প্ৰেমেৰে জীৱন বিধৌত কৰি বিষ্ণু-জ্যোতিয়ে অসমীয়া কলা-সংস্কৃতিৰ বৰঘৰ চহকী কৰি থৈ গ'ল।

'এই মোৰ শেষ গান
মোৰ জীৱন নাটৰ
শেষ ৰাগিণী কল্যাণ খৰমান।

সেয়া বিষ্ণু ৰাভাৰ শেষ গান। কিন্তু সেই শেষ গানেই বিষ্ণু-জ্যোতিৰ দৰে শিল্পীক চিৰযুগমীয়া কৰি ৰাখিছে। এজন প্ৰকৃত শিল্পীক কোনো এটা যুগে, কোনো এটা জাতিয়ে, কোনো এটা ভৌগোলিক সীমাই আবদ্ধ কৰি ৰাখিব নোৱাৰে। শিল্পী তেওঁ তিনিওকালৰ, অতীতৰ, বৰ্তমানৰ, অনাগত ভৱিষ্যতৰ—

সেয়েহে জ্যোতিপ্ৰসাদে কৈ গৈছে—
শিল্পী মই তিনিওকালৰ
অতীতৰ বৰ্তমানৰ অনাগত ভৱিষ্যতৰ
আদিতেই যাত্ৰা কৰি অনাদিলৈ যাওঁ
ধ্বংসৰ মাজেদি আহি ৰূপান্তৰেদি মই
নৱতম সৃষ্টিৰ শলিতা জ্বলাওঁ।

এই নতুন সৃষ্টিৰ শলিতাৰে ভাৰতৰ সংস্কৃতিক, অসমৰ সংস্কৃতিক মহীয়ান কৰি তুলি বিষ্ণু-জ্যোতি আজিও জ্যোতিষ্মান হৈ আছে, ভৱিষ্যতলৈও থাকিব।

তেওঁলোকে চহ্ কৰি থৈ যোৱা ভাৰতৰ সংস্কৃতিৰ সদা সেউজ পথাৰখনত নৱ জনজীৱনৰ অভিনৱ জ্যোতি বিকশী প্ৰকাশী উঠিব, সেয়ে অসমৰ কলা-সংস্কৃতিৰ আকাশত ধ্ৰুৱতৰা হৈ জিলিকি থকা শিল্পীৰ সুৰতে সুৰ মিলাই আমিও গাওঁহঁক—

মোৰে ভাৰতৰে মোৰে সপোনৰে
চিৰ সুন্দৰ সংস্কৃতি
সেউজীয়া বনতে, সেউজীয়া মনতে
বিকশি প্ৰকাশি উঠা
নৱ জনজীৱনৰে অভিনৱ জ্যোতি,
আজি শিল্পী মনৰ প্ৰণতি
আজি শিল্পী প্ৰাণৰ ভকতি
জয় অজেয় আলোকময় বিশ্বৰূপী
অনন্ত বিজয়ী
জন গণ মন মুকুতি
প্ৰণতি... প্ৰণতি....
................।

*****

# যুগনায়ক স্বামী বিবেকানন্দ

'যদা যদাহি ধৰ্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানমধৰ্মস্য তদাত্মাং সৃজাম্যহম
পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্।
ধৰ্মসংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।।

"যেতিয়া ধৰ্মৰ গ্লানি হয়, অধৰ্মই প্ৰতিপত্তি লাভ কৰে, সেই সময়ত সাধুসকলক ৰক্ষা কৰিবলৈ, দুষ্টক বিনাশিবলৈ মই যুগে যুগে ধৰাধামত আৱিৰ্ভাব হওঁহি।" গীতাৰ এই অমোঘ বাণী ভাৰতবৰ্ষত যুগে যুগে সকলোৰে উপলব্ধি কৰি আহিছে।

অষ্টাদশ শতাব্দীৰ ভাৰতবৰ্ষ আদৰ্শভ্ৰষ্ট হৈ অধঃপতনৰ শেষ সীমা পাইছিলগৈ। মোগল ৰাজত্বৰ বেলি মাৰ গ'ল, মহাৰাষ্ট্ৰ জাতিৰ গৌৰৱ নিৰ্মূল হ'ল, শিখ সূৰ্য অস্তমিত হ'ল, ময়ূৰ সিংহাসন বিদেশীয়ে লুটি নিলে, এনে এটি সন্ধিক্ষণত পশ্চিমৰ ইংৰাজ জাতিয়ে ভাৰতবৰ্ষত বাণিজ্যৰ পাতনি মেলি এই দেশৰ সৰ্বসাধাৰণৰ দুৰ্বলতা আৰু গৃহকন্দলৰ চেলু লৈ, দেশীয় ৰজাসকলক হাতৰ মুঠিলৈ আনি ইংৰাজ ৰাজত্বৰ সূচনা কৰিলে।

এনে এটি সংকট মুহূৰ্তত আধুনিক ভাৰতৰ এজন দ্ৰষ্টা পুৰুষ স্বামী বিবেকানন্দৰ জন্ম হৈছিল। ১৮৬৩ চনৰ জানুৱাৰী মাহৰ ১২ তাৰিখ আছিল দিনটো। তেতিয়া একো উল্লেখযোগ্য নাছিল দিনটো বা বছৰটো। পিছে এতিয়া দেশজুৰি প্ৰতিবছৰে এই দিনতে এটি উৎসৱ পালন কৰিবলৈ লোৱা হৈছে। কাৰণ এই

তাৰিখত জন্মগ্ৰহণ কৰা সেই সাধাৰণ শিশুটিয়েই তেওঁৰ জীৱন কালত এক অসাধাৰণ প্ৰতিভাৰে নিজকে জগতৰ বুকুত প্ৰতিষ্ঠা কৰি গ'ল।

পিছলৈ স্বামী বিবেকানন্দ হোৱা নৰেন্দ্ৰনাথ দত্তৰ মাতৃ ভুবনেশ্বৰী দেৱীৰ ৰাজকন্যাৰ দৰে ৰূপ, শ্ৰদ্ধা উদ্দীপক ব্যক্তিত্ব, মধুৰ ব্যৱহাৰ আৰু আচৰিত সহনশীলতাই মানুহগৰাকীক এটা মোহনীয় সত্তা দিছিল, আৰু সেই সত্তাৰ স্পষ্ট প্ৰভাৱ দেখা গৈছিল পুতেক নৰেন্দ্ৰনাথৰ ব্যক্তিত্বত, দেউতাক বিশ্বনাথ দত্তৰ উদাৰতা, সাহিত্য আৰু দৰ্শনপ্ৰীতি, স্বাধীন প্ৰকৃতি, সত্যনিষ্ঠ আৰু যুক্তিনিষ্ঠ মনৰ প্ৰভাৱো নৰেন্দ্ৰনাথৰ ব্যক্তিত্বত প্ৰতিভাত হৈ উঠিছিল।

শৈশৱতে বিকশিত হৈছিল নৰেন্দ্ৰনাথৰ বাগ্মিতা প্ৰতিভা। স্কুল পাৰ হৈ নৰেন্দ্ৰনাথ প্ৰথমে প্ৰেছিডেন্সী কলেজত সোমাল। তাৰ পিছত স্কটিছ জেনেৰেল মিছনেৰী ব'ৰ্ডে স্থাপন কৰা জেনেৰেল এছেম্বলী ইনষ্টিটিউটলৈ। এই কলেজৰে অধ্যক্ষ উইলিয়াম হেষ্টিয়ে এদিন ইংৰাজী কবিতা এটি শ্ৰেণীত বুজাই থাকোঁতে কথা প্ৰসংগত আধ্যাত্মিক প্ৰশান্তি আৰু আত্ম-উপলব্ধিৰে মনৰ আকাশ আলোকিত কৰিব পৰা সাধক শ্ৰীশ্ৰীৰামকৃষ্ণ পৰমহংসৰ কথা কৈছিল।

ঈশ্বৰক বিচৰা হেঁপাহ সোমোৱা ওঠৰ বছৰীয়া ডেকা নৰেন্দ্ৰনাথৰ বাবে ই আছিল জীৱন উদ্ভাসিত কৰিব পৰা এটি পোহৰৰ কণিকা। সাধক পুৰুষক বিচাৰি নৰেন্দ্ৰনাথ পৰমহংসৰ কাষ চাপে। নৰেন্দ্ৰনাথ আৰু পৰমহংসৰ এই সাক্ষাতৰ পৰাই পৃথিৱী পোহৰাব পৰা এটি জ্যোতিৰ উদ্ভৱ হ'ল।

নৰেন্দ্ৰনাথ অভিভূত হৈ পৰে, সাধক পুৰুষৰ সমগ্ৰ অৱয়বৰ পৰা বিচ্ছুৰিত হোৱা আধ্যাত্মিক দ্যুতিয়ে তেওঁক বাক্‌ৰুদ্ধ কৰি পেলায়, হৃদয় গভীৰ প্ৰশান্তিৰে ভৰি পৰে আৰু নিজকে ৰামকৃষ্ণ পৰমহংসৰ চৰণত সঁপি দিয়ে। পৰমহংসয়ো নৰেন্দ্ৰনাথৰ মুখত এক অপূৰ্ব দিব্য জ্যোতি দেখা পাই বুজিলে যে তেৱেঁই হ'ব পৰমহংসৰ চিন্তাৰ বাহক, তেওঁৰ বিশ্বাসৰ উত্তৰাধিকাৰী। নৰেন্দ্ৰনাথ স্বামী বিবেকানন্দ হ'ল।

১৮৮৬ খ্ৰীষ্টাব্দৰ ১৬ আগষ্টত পৰমহংসই দেহ ত্যাগ কৰে। ভাৰতক স্বমহিমাৰে মহিমামণ্ডিত কৰি দুৰ্গত সন্তানৰ অশ্ৰু মচি দিয়াৰ ভাৰ, জগতত সৰ্বগ্লানি বিনিৰ্মুক্ত ধৰ্ম প্ৰতিষ্ঠাৰ গুৰুভাৰ বিবেকানন্দই কান্ধত তুলি ল'লে। ভাৰতাত্মাৰ সন্ধানত খোজ কাঢ়ি কাঢ়ি গয়া, কাশী, কাশ্মীৰ, গুজৰাট, ৰাজস্থান, মহাৰাষ্ট্ৰ, মহীশূৰ হৈ তেওঁ কন্যাকুমাৰীত উপস্থিত হ'লগৈ।

ভাৰতবৰ্ষ ভাৰতবৰ্ষ ভাৰতবৰ্ষ। ভাৰতবৰ্ষ যেন স্বামীজীৰ হৃদয়ৰ শোণিত, তেওঁৰ হৃদয়ৰ স্পন্দন। ভাৰত আছিল তেওঁৰ বাবে দেৱভূমি, পুণ্যভূমি। যি সুন্দৰ, যি মহান, যি পৱিত্ৰ, তাৰ প্ৰতীক ভাৰতবৰ্ষ। ভাৰতবৰ্ষ তেওঁৰ বাবে সত্যৰ প্ৰতীক, শান্তিৰ প্ৰতীক, ঐক্যৰ প্ৰতীক। স্বামীজীয়ে কৈছিল, ভাৰতবৰ্ষই এদিন পৃথিৱীকে জয় কৰিব, অৰ্থশক্তিৰে নহয়, আধ্যাত্মিক ঐশ্বৰ্যৰেহে। সেই বিজয় অভিযানৰ বলিষ্ঠ সূচনা কৰিছিল বিবেকানন্দই।

বিবেকানন্দৰ ভাৰত চিন্তাত সাম্প্ৰদায়িকতাৰ কোনো স্থান নাছিল। তেওঁ কৈছিল, 'সম্প্ৰদায় থাকক, সাম্প্ৰদায়িকতা দূৰ হওক।' তেওঁৰ সপোনৰ ভাৰতবৰ্ষখনৰ বিষয়ে কৈছিল, 'হিন্দু, খ্ৰীষ্টান, মুছলমান, বৌদ্ধ— সকলোৱে ভ্ৰাতৃভাৱে এক সাধাৰণ পতাকাৰ তলত সমৱেত হ'ব, আশা আৰু সমন্বয়বোধেৰে পূৰ্ণ হৈ ভাৰতবাসী অশ্ৰান্ত প্ৰয়াসেৰে অগ্ৰসৰ হ'ব জাতীয় আকাংক্ষা-পূৰ্তিৰ লক্ষ্যৰ দিশে।'

বিবেকানন্দই কৈছিল, 'পাশ্চাত্যৰ বিজ্ঞান অথবা প্ৰযুক্তিবিদ্যাক আমি গ্ৰহণ কৰা উচিত। কিন্তু স্বকীয়তা বিসৰ্জন দি নহয়, জাতীয় ঐতিহ্যক বৰ্জন কৰি নহয়। আমি নিশ্চয় ভিক্ষাপাত্ৰ লৈ পাশ্চাত্যৰ দ্বাৰত উপস্থিত হ'ব নালাগে। বিনিময়ত আমি তেওঁলোকক আমাৰ ধৰ্ম দিম, দৰ্শন-সংস্কৃতি আৰু আধ্যাত্মিকতা দিম। অনুকৰণ নহয়, সুস্থ আদান-প্ৰদান আৰু সমন্বয়ৰ ভিত্তিতে গঢ়িব লাগিব ভৱিষ্যৎ ভাৰতবৰ্ষ।

ইয়াৰ পিছতে স্বামীজীলৈ আহ্বান আহিল বিদেশ যাত্ৰাৰ। ১৮৯৩ চনৰ ছেপ্টেম্বৰ মাহৰ ১১ তাৰিখে চিকাগো মহানগৰীত বিশ্বধৰ্ম সংসদ বহে, আৰ্ট ইনষ্টিটিউটৰ বিশাল সভাঘৰত প্ৰায় ৭,০০০ লোকৰ সমাৱেশ হৈছিল। হিন্দুধৰ্মৰ প্ৰবক্তা প্ৰতিনিধি ৰূপে যোগ দি বিবেকানন্দই যেতিয়া সমৱেত সাত হাজাৰ লোকক 'আমেৰিকাৰ ভাই-ভনীসকল' বুলি সম্বোধন কৰিলে, সেই সম্বোধনত থকা সৰল আন্তৰিকতাই বিজুলীৰ দৰে গোটেই সভাঘৰক চমক খুৱাই দিলে। সেয়াই পশ্চিম বিজয়ৰ সূচনা। ভাৰতে যে গোটেই বিশ্বকে কুটুম্ব জ্ঞান কৰে, 'বসুধৈৱ কুটুম্বকম'— এই ধাৰণাটো অতি স্পষ্টকৈ বিশ্বই হৃদয়ংগম কৰিলে সেই দিনাৰ পৰা।

লণ্ডন, ৰোম, নেপ্লছ আদি পৃথিৱীৰ বিভিন্ন ঠাইত বেদান্তৰ দৰ্শন ব্যাখ্যা কৰি আধ্যাত্মিকতাৰে পৃথিৱী জয় কৰি স্বামীজী ভাৰতলৈ ঘূৰি আহিল। স্বদেশলৈ ওভতাৰ বাটত, তেওঁৰ ব্যক্তিত্বত মুগ্ধ হৈ তেওঁৰ সংগী হৈছিল আয়াৰলেণ্ডৰ

ভগ্নী নিবেদিতা, লণ্ডনৰ জে. এইচ. ছেভিয়াৰ দম্পতী আৰু নেপ্‌লছৰ মিঃ গুডউইনৰ দৰে মানৱপ্ৰেমীসকল।

নিজৰ ভ্ৰমণৰ অভিজ্ঞতাৰে প্ৰকৃত মানৱসেৱাৰ বাবে এটি আনুষ্ঠানিক মঞ্চৰ প্ৰয়োজনৰ কথা উপলব্ধি কৰি ১৮৯৭ চনৰ ১ মে' তাৰিখে ৰামকৃষ্ণ মিছন প্ৰতিষ্ঠা কৰে। ঠিক এবছৰ পিছতে কলিকতাত দেখা দিয়া প্লেগ মহামাৰীৰ সময়ত মানৱসেৱাৰ প্ৰতিভূ বিবেকানন্দই ভগ্নী নিবেদিতাৰ সৈতে বহুতো সেৱা প্ৰতিষ্ঠানৰ গুৰি ধৰে।

১৮৯৯ চনৰ জুন মাহত স্বামীজী আকৌ এবাৰ বিদেশলৈ যায়। এবছৰ ভ্ৰমণৰ অন্তত স্বদেশলৈ উভতি আহে। ১৯০১ চনত মাকক লগত লৈ বিবেকানন্দই অসম ভ্ৰমণ কৰি যায়। মাকৰ কামাখ্যা দৰ্শনৰ হেঁপাহক তেওঁ নেওচা দিব নোৱাৰিলে।

স্বামীজীয়ে শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। তেওঁ কৈছিল, 'শিক্ষা মুষ্টিমেয় লোকৰ কাৰণে নহয়, সৰ্বসাধাৰণৰ কাৰণে। শিক্ষা মানে কেৱল পুথিগত বিদ্যাই নহয়, নিজৰ ভৰিৰ ওপৰত থিয় হোৱা, আত্মবিশ্বাস, আত্মসন্মান, শৰীৰ আৰু মনৰ বিকাশ, দুখৰ স'তে যুদ্ধ কৰাৰ সাহস, 'প্ৰকৃত মানুহ' হোৱা— এই আটাইবোৰেই হ'ল শিক্ষা।

স্বামীজীয়ে ধৰ্ম আৰু বিজ্ঞানৰ সমন্বয় ঘটাবলৈ বিচাৰিছিল। তেওঁ কৈছিল, 'ধৰ্ম মানে অলৌকিকত্ব নহয়, ধৰ্ম মানে নিজকে গঢ়া, নিজৰ নৈতিক-আধ্যাত্মিক জীৱন উন্নত কৰা। 'প্ৰকৃত মানুহ'— সৎ, বুদ্ধিমান, কৰ্তব্যনিষ্ঠ, 'বহুজন হিতায়' স্বাৰ্থত্যাগত সদা প্ৰস্তুত— এনে মানুহ হোৱা। বিজ্ঞানৰ সহায়ত ভাৰতে এদিন দাৰিদ্ৰ্যক জয় কৰিব পাৰিব, কিন্তু যদি মানৱিক গুণৰ উন্নতি নঘটে, তেন্তে সুস্থ সমাজ সম্ভৱ নহয়।'

ইউৰোপ আৰু আমেৰিকাৰ নাৰী সমাজে তেওঁক মুগ্ধ কৰিছিল। নাৰীয়ে তাত পুৰুষৰ স'তে সম-অধিকাৰ লাভ কৰিছে। এই নাৰীক তেওঁ ভাৰততো চাবলৈ বিচাৰিছিল আৰু তাৰ বাবে আপ্ৰাণ চেষ্টাও কৰিছিল।

'যুৱ সমাজৰ ওপৰত স্বামীজীৰ আছিল গভীৰ আস্থা। স্বামীজীয়ে যুৱ সমাজক উদ্দেশ্যি কৈছিল, 'দৰিদ্ৰ, অজ্ঞৰ প্ৰতি সহানুভূতি, তেওঁলোকৰ উন্নতিৰ বাবে অবিৰাম চেষ্টা— মই তোমালোকৰ ওপৰত এই দায়িত্ব অৰ্পণ কৰিলোঁ। হে মহাপ্ৰাণ, উঠা, জাগা। আমৰণ কাম কৰি যোৱা, মোৰ শৰীৰ নোহোৱা হৈ গ'লেও, মোৰ শক্তিয়ে তোমালোকৰ কৰ্ম পথৰ সংগী হ'ব।'

দুকুৰিৰ ডেওনা পাৰ নৌহওঁতেই, এইজনা ঐশীশক্তিসম্পন্ন পুৰুষে সত্য সুন্দৰৰ জাগতিক মন্ত্ৰৰ জয়দৌল বান্ধি ১৯০২ চনৰ জুলাই মাহৰ ৪ তাৰিখে জীৱন নাটৰ যৱনিকা পেলালে। বিবেকানন্দই মৃত্যুৰ ছবছৰ আগতে লণ্ডনৰ মিঃ এৰিক হেমগুলৈ এখন চিঠিত লিখিছিল— 'মই হয়তো এই দেহা ত্যাগ কৰিব লাগিব, পুৰণি হৈ যোৱা কাপোৰ এসাজৰ দৰেই। সেইবুলি মোৰ কামৰ অন্ত নহয়। যেতিয়ালৈকে জগতে ঈশ্বৰৰ স'তে একাত্ম বুলি বোধ নকৰে, তেতিয়ালৈকে মই পৃথিৱীৰ মানুহক মোৰ কৰ্মৰাজিৰে প্ৰেৰণা দি যাম।'

এই প্ৰেৰণাৰ ফলতেই পৃথিৱীৰ নানা ঠাইত বিবেকানন্দৰ নামত নানা প্ৰতিষ্ঠানে মানৱসেৱাৰ কামত ব্ৰতী হৈ গ্ৰাম্য উন্নয়ন, শিক্ষাৰ প্ৰসাৰ, স্বাস্থ্য সেৱা আৰু যোগ শিক্ষা তথা বেদান্ত চৰ্চাৰ বহুমুখী আঁচনিৰ কাম চলাই আছে।

দেহ ত্যাগ কৰিলেও স্বামী বিবেকানন্দই জনসমাজত এটি প্ৰত্যয় এৰি থৈ গ'ল— নিজৰ ওপৰত বিশ্বাস, নিজৰ কৰ্মদক্ষতাৰ ওপৰত গভীৰ আস্থা, জগতৰ সন্মুখীন হ'ব পৰাকৈ আত্মবিশ্বাস আৰু উপনিষদৰ বাণীৰে এক নিৰ্ভীকতা।

কালৰ সোঁতত স্বামী বিবেকানন্দৰ জীৱন নাটৰ ওৰ পৰিল। মৃত্যুৰ আঁৰ কাপোৰেৰে নেপথ্য ভূমি ঢাক খালে। জ্যোতিপ্ৰসাদ আগৰৱালাৰ সুৰত সুৰ মিলাই আমিও গাওঁ আহক—

'আজি সেই মহামন, তোমাৰ, মৰণ পাৰৰ
চিৰজীৱন আদৰা গন্ধাৱলীৰে দিয়া
বন্তিৰূপী চিন্তাগ্নিৰ পোহৰত দীপ্ত হৈ
মানৱাদৰ্শ বিস্মৃতিৰ আন্ধাৰত
সনাতন সভ্যতাৰ পথ প্ৰদৰ্শক
জ্যোতি হৈ, জ্বলক বিশ্বত"।
ওঁ শান্তি! শান্তি! শান্তি।

ৰিঃদ্ৰঃ স্বামী বিবেকানন্দৰ জন্ম দিৱস উপলক্ষে গুৱাহাটী দূৰদৰ্শনে সম্প্ৰচাৰ কৰা তথ্যচিত্ৰ।

*****

# ঘৰখনেই শিক্ষাৰ কঠীয়াতলী

নিচিনো তোমাক ক'ত আছা প্ৰভু
আমি অতি সৰু ল'ৰা
চিঞৰি চিঞৰি মাতিলে তোমাক
নামাতা দূৰৈৰ পৰা।

ক'লৈ গ'ল সেই সোণোৱালী দিনবোৰ। আজি আৰু শুনিবলৈ নাপাওঁ গধূলি গোসাঁই ঘৰত চাকি গছি জ্বলাই আকুল হৈ কণ কণ শিশুহঁতে গোৱা সেই কাতৰ প্ৰাৰ্থনা। কাৰণ সেই সময়ত কণমানিটো বা কণমানিজনী ব্যস্ত থাকে টিউচন মাষ্টৰৰ ওচৰত হোমৱৰ্ক কৰা নাইবা ছুইমিং নাইবা ষ্টেডিয়ামৰ পৰা আহি ফ্ৰেচ হৈ টিভি, কম্পিউটাৰত হাংগামা বা পোগো চেনেলৰ কাৰ্টুন উপভোগ কৰাত। বৰ্তমানৰ যান্ত্ৰিক জগতৰ যন্ত্ৰপ্ৰায় সভ্যতাৰ সৈতে সহাৱস্থান কৰিবলৈ গৈ আমি মানুহবোৰ, আমাৰ জীৱনবোৰ যন্ত্ৰ হৈ গৈছে। হেৰাই গৈছে আমাৰ মাজত থকা প্ৰেম, ভালপোৱা, দয়া, ক্ষমা, ত্যাগ আদি মানৱীয় প্ৰমূল্যবোৰ। যৌথ পৰিয়ালত ভাঙোন আহি পৰাৰ লগে লগে নীলা আকাশৰ জোন জোনালী উপভোগ কৰি ককা-আইতাৰ মুখৰ সেই নীল পৰীৰ, বুঢ়া-বুঢ়ীৰ সাধু শুনাৰ পৰা কণ কণ শিশুহঁত বঞ্চিত হ'ল। তাৰ ঠাইত শিশুহঁতৰ হাতত তুলি দিয়া হ'ল টিংকল বা ৰেইনবো বুক্‌ছৰ লাভলী ষ্ট'ৰিজ ইত্যাদি। আহৰি সময়কণ শিশুহঁতে এনেদৰেই কটায়, কাৰণ মনৰ ভাব বিনিময় কৰিবলৈ মাক-দেউতাকো যে ঘৰত নাই। দুয়ো চাকৰি কৰিবলৈ ওলাই যায়। শিশুটিক চোৱা-চিতা কৰা বাইজনীৰ লগতনো কিমান সময়

কটাব আৰু? ভিতৰি ভিতৰি এক অনামী ক্ষোভত অভিমানী হৈ উঠে শিশুটি। যিটো সময়ত মাক-দেউতাকৰ বুকুৰ উমেৰে জীপাল হৈ উঠি ধুনীয়া ধৰণীৰ প্ৰতিটো বস্তুকে এক সুন্দৰ সন্ধানী দৃষ্টিৰে চাবলৈ-শিকিব লাগিছিল, সেইটো সময়ত অকলশৰীয়াভাৱে, কেৱল টিভি, বেডমিণ্টন, ছুইমিং, টিউচন, ষ্ট'ৰী বুকৰ মাজত থাকি শিশুটি হৈ পৰে আত্মকেন্দ্ৰিক। দিনকদিনে তেওঁলোকৰ চাহিদা বাঢ়ি যায়, অভিভাৱকেও তেওঁলোকৰ চাহিদা পূৰণত ব্যস্ত থাকে। অভিভাৱকসকলে যেন তেওঁলোকৰ বুকুৰ মৰমখিনি টকাৰে বজাৰৰ পৰা কিনি অনা সামগ্ৰীৰে পূৰণ কৰে। এইখিনিতে সমাজৰ দুটা শ্ৰেণীৰ মাজত প্ৰবল সংঘাত আৰম্ভ হৈ যায়। কাৰোবাৰ মাক-দেউতাকে লাগ বুলিলেই সন্তানক যি লাগে তাকে আনি দিয়ে, কাৰোবাৰ মাক-দেউতাক সেই ক্ষেত্ৰত অপাৰগ হয়। ফলত একে বয়সৰ দুটি শিশুৰ মাজত বিভেদৰ সৃষ্টি হয়। হীনমন্যতাত ভুগি শিশুৱে নানা বেয়া কামত লিপ্ত হয়, আনহাতে বেছিকৈ পোৱাৰ ফলত আনটি শিশু এটা সময়ত উদ্ধত হৈ পৰে। লাগে বুলি কোৱাৰ লগে লগে বস্তুটো নাপালে ঘৰত থকা বস্তু দলিয়াবলৈ আৰম্ভ কৰে, মাক-দেউতাকৰ লগত কাজিয়া কৰে, ঘৰৰ পৰা ওলাই যোৱাৰ ভাবুকি দিয়ে। এই পৰ্যায়ত এক কৌশলপূৰ্ণ দ্বৈত ভূমিকা পালন কৰিবলগীয়া হয় মাতৃগৰাকীয়ে। মাক যি পেছাতে জড়িত নহওক কিয়, তেওঁ সন্তানৰ বাবে সময় উলিয়াবই লাগিব। তেওঁ সন্তানৰ বন্ধু আৰু মাতৃ— এই দ্বৈত ভূমিকা পালন কৰিব লাগিব। সন্তানৰ প্ৰতিটো কথাতে সূক্ষ্ম দৃষ্টি নিক্ষেপ কৰিব লাগিব। মনোৰোগ বিশেষজ্ঞসকলেও কৈছে যে বয়ঃসন্ধিৰ সময়খিনি অতি জটিল সময়। এই সময়খিনি অত্যন্ত বিশৃংখলতাৰ সময়। সমস্যা যিমানেই গভীৰ নহওক কিয়, অভিভাৱকসকল বিচলিত নহৈ সময় থাকোঁতেই সন্তানৰ প্ৰতি কঠোৰ হোৱাৰ পৰিৱৰ্তে মৰমেৰে পৰিস্থিতিক নিয়ন্ত্ৰণৰ অধীনলৈ আনিবলৈ চেষ্টা কৰা উচিত। ইয়াৰ বিপৰীতে উদ্ধত সন্তানৰ প্ৰতি বেয়া ব্যৱহাৰ কৰি, প্ৰয়োজনতকৈ অধিক কঠোৰ হৈ, সন্তানক প্ৰয়োজনতকৈ অধিক শাসন কৰিবলৈ গ'লে হিতে বিপৰীতহে হ'ব। গতিকে এনে এটা বেয়া দিন নেদেখিবলৈকে অভিভাৱকসকল প্ৰথমাৱস্থাতেই সাৱধান হোৱা উচিত। পিতৃ-মাতৃয়ে সন্তান লাগে বাবেই জন্ম দি দায়িত্ব নাসামৰি, সন্তানৰ প্ৰতি থকা দায়িত্বক টকাৰে নুজুখি মৰমেৰে আৱৰি সিহঁতৰ সুখ-দুখৰ সমভাগী হ'ব লাগিব। দ্বিতীয়তে সামাজিক পৰিৱেশ বৃদ্ধি কৰিব লাগিব। ৰক্ত সম্পৰ্ক, ৰক্ত বহিৰ্ভূত সম্পৰ্কৰ স'তে সৰুৰে পৰা সিহঁতক অভ্যস্ত কৰিব লাগিব। তাৰ বাবে

আমি অভিভাৱকসকলে কিছুদিন পিছুৱাই গ'লেও আমাৰ একো লোকচান নহ'ব যেন বোধ হয়। আয়াৰ হাতত শিশুটি এৰি নিদি ককা-আইতা, খুৰা-খুৰী, পেহীৰ হাতত শিশুটিক ডাঙৰ হ'বলৈ দিলে শিশুটি হয়তো কোনোদিনেই 'আইছ'লেচন ষ্ট্ৰেছ'ৰ সন্মুখীন নহ'ব। ষ্টেডিয়ামলৈ গৈ খেলা-ধূলা কৰক, কিন্তু প্ৰতিৱেশীৰ সমবয়সীয়া ল'ৰা-ছোৱালীৰ স'তে কাৰো প্ৰশিক্ষণ নোলোৱাকৈ চিলা উৰুৱাই, ক্ৰিকেট খেলি বা কইনা দৰা খেলি যিটো আনন্দ পাব, সেই আনন্দ ষ্টেডিয়ামত কোনোবা প্ৰশিক্ষকে দিব পাৰিব বুলি আমাৰ সন্দেহ হয়। মনোবিজ্ঞানীসকলৰ মতেও এটি শিশুৰ আচৰণ বিধি নিৰ্ভৰ কৰে ডাঙৰ হোৱা পৰিৱেশ অৰ্থাৎ কিদৰে প্ৰতিপালিত হৈছে তাৰ ওপৰত। শিশুৰ মাতৃগৰাকী হ'ব লাগিব এখন প্লেটফৰ্ম, য'ত থিয় হৈ শিশুৱে ভৱিষ্যৎ জীৱনৰ সম্পূৰ্ণ মানুহ হোৱাৰ সপোন ৰচিব পাৰে বা পৰিকল্পনা কৰিব পাৰে। চাপ সৃষ্টিৰ জৰিয়তে শিশুক শাসন নকৰি মমতাময়ী মাতৃৰ স্নেহেৰে শিশুক প্ৰতিক্ষেত্ৰতে সহায়ৰ হাত আগবঢ়ালে বৰ্তমানৰ সমাজত দেখা দিয়া অপৰাধপ্ৰৱণতা, হত্যা, লুণ্ঠন, ধৰ্ষণ আদিৰ মাত্ৰা বহু পৰিমাণে হ্ৰাস পাব বুলি আমাৰ দৃঢ় বিশ্বাস।

এগৰাকী মাতৃয়ে তেওঁৰ মানৱীয় মূল্যবোধৰ আদৰ্শৰে সন্তানক অনুপ্ৰাণিত কৰি সমাজ তথা দেশৰ একোজন সম্পূৰ্ণ মানৱ গঢ়ি তোলাত যথেষ্ট অৰিহণা যোগায়। কিয়নো ঘৰখনেই হৈছে শিক্ষাৰ কঠীয়াতলী। আৰু এগৰাকী মাতৃ হৈছে শিশুৰ প্ৰথম আৰু প্ৰধান শিক্ষয়িত্ৰী।

*****

# প্ৰকৃতি ঃ সংৰক্ষণ আৰু সংবৰ্ধন

প্ৰকৃতিৰ মাজতে নিহিত হৈ আছে সমস্ত বিশ্বব্ৰহ্মাণ্ডৰ ৰহস্য আৰু সকলো দুশ্চিন্তাৰ পৰা মুক্তিৰ উপায় "মানুহ আৰু প্ৰকৃতি"— এটা আনটোৰ পৰিপূৰক। এটাৰ অবিহনে আনটোৰ অস্তিত্ব কল্পনাতীত। সেয়ে কোৱা হয় মানুহ প্ৰকৃতিৰ দাস। বিনন্দীয়া প্ৰকৃতিৰ বিপুল সম্ভাৰে আমাক দিয়ে জীয়াই থকাৰ আনন্দ। সেয়ে কবিৰ কল্পনাত প্ৰকৃতি এক সজীৱ সত্তা হৈ ধৰা দিছে এনেদৰে—

'মৰু প্ৰান্তৰত শ্ৰান্ত পথিকৰ
তুমিয়েহে পান্থ তৰু
কৰা সঞ্জীৱিত তৃষ্ণিতজনৰ
দগধ হৃদয় মৰু'। *(বৰ্ষা, ৰঘুনাথ চৌধাৰী)*

প্ৰকৃতি হৈছে জীৱজগতৰ প্ৰাণ। আমাৰ জীয়াই থকাৰ উপাদানসমূহ যেনে— খাদ্যশস্যৰ পৰা বসবাসৰ বাবে সজা ঘৰটোৰ প্ৰয়োজনীয় কাঠ-বাঁহলৈকে সকলো প্ৰকৃতিয়ে আমাক অকৃপণ হাতে দান কৰিছে। কিন্তু মানুহ নামৰ স্বাৰ্থান্বেষী জীৱটোৱে প্ৰকৃতিৰ ওপৰত নিৰ্মমভাৱে অত্যাচাৰ চলাই আহিছে। জীৱশ্ৰেষ্ঠৰ মুখা পিন্ধা আমি মানুহবোৰে প্ৰকৃতিৰ সেউজীয়া গছ-গছনিবোৰ জধেমধে ধ্বংস কৰাত লাগিছোঁ। বিচাৰ-বিবেচনাহীনভাৱে পাহাৰ খনন আৰু বনাঞ্চল ধ্বংস আদিৰ দৰে অমানৱীয় কাৰ্যৰ চূড়ান্ত পৰিণতিস্বৰূপে আমি মানুহবোৰেই কৃত্ৰিম বানপানীৰ দৰে সমস্যাৰ সৃষ্টি কৰা নাইনে? পাহাৰ ধ্বংস কৰাৰ সময়ত আমি এবাৰো ভাবি চোৱা নাই যে বৰষুণ পৰিলে পানী হুৰমূৰকৈ ভৈয়ামলৈ বৈ আহিব আৰু তাৰ লগে লগে এই পানীভাগে ইয়াৰ সৈতে মাটি আৰু আন জাবৰ-জোঁথৰসমূহে কঢ়িয়াই আনি নৈ বা

আন পৰিবাহী নলা-নৰ্দমাত জমা কৰি ভয়ংকৰ বিপদৰ সৃষ্টি কৰিব, ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ মানুহে জীয়াতু ভুগিব।

বৰ্তমান মানৱ সমাজলৈ অহা আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বানটো হৈছে প্ৰদূষণ। প্ৰদূষণৰ স'তে মোকাবিলা কৰিবলৈ হ'লে আমি ধৰাৰ বুকুত সেউজীয়া দলিচা পাৰি দিবলৈ চেষ্টা কৰিব লাগিব, অৰ্থাৎ প্ৰকৃতিক সেউজীয়া সাজ পৰিধান কৰাত সহযোগিতা আগবঢ়াব লাগিব। গছপুলি ৰোপণ অবিহনে এই কাৰ্য সম্ভৱ হৈ উঠা কঠিন হ'ব। মানৱ জাতি আৰু সমগ্ৰ জীৱকুলৰ নিৰাপত্তাৰ বাবেই আজি অতি প্ৰয়োজনীয় বিষয় হৈ পৰিছে বন সংৰক্ষণ আৰু গছপুলি ৰোপণ। গছপুলি ৰোপণ কাৰ্যসূচী মানৱ সমাজৰ এক প্ৰাণৱন্ত উৎসৱ। মানুহৰ কল্যাণৰ বাবেই আজি গছ-বিৰিখৰ ৰক্ষণাবেক্ষণ অতি প্ৰয়োজনীয় বিষয় হৈ পৰিছে। উত্তৰ পুৰুষক এখন যোগ্য-ভোগ্য-বসুন্ধৰা দি যাবলৈ হ'লে আমি প্ৰত্যেকেই প্ৰকৃতি সংৰক্ষণ আৰু সংবৰ্ধনৰ ওপৰত গুৰুত্ব দিব লাগিব। আমি প্ৰতিজন নাগৰিক প্ৰকৃতি বন্দনাত সৰৱ হৈ উঠি পৰিৱেশ সুৰক্ষা, সংৰক্ষণ, বনানীকৰণ আদি অভিযানবোৰক সফল অৰ্থত ৰূপায়ণ কৰিবলৈ শিকা উচিত, সময় থাকোঁতেই আমি সেউজীয়া পৃথিৱীখনৰ সুৰক্ষাৰ স্বাৰ্থত একেলগে হাত উজান দি ভৱিষ্যতে পৃথিৱীলৈ নামি আহিব পৰা ভয়ংকৰ প্ৰত্যাহ্বানৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিয়া উচিত। প্ৰকৃতি প্ৰেমিক বুলি নিজকে পৰিচয় দি কেৱল ছ'চিয়েল মিডিয়াত হৈ-চৈ কৰি থাকিলে যাদৱ পায়েঙৰ দৰে নিঃস্বাৰ্থ প্ৰকৃতি প্ৰেমিকক অপমান কৰা হ'ব। প্ৰকৃতিৰ স'তে সহবাস কৰা 'মানুহ' হিচাপে আমিও সেউজীয়া প্ৰকৃতিৰ লগতে প্ৰত্যেকে নিজে মনেৰে 'সেউজীয়া' হৈ থাকিব লাগিব। বিশ্ব পৰিৱেশ দিৱসত এডাল গছপুলি ৰুলেই প্ৰকৃতিৰ প্ৰতি আমাৰ দায়িত্ব শেষ হৈ নাযায়।

'প্ৰতিটো দিনতেই
যিদিনাখন প্ৰকৃতিক 'পৰিৱেশ দিৱস'ৰ
দিনটোৰ দৰে ভাল পাবলৈ শিকিম, সিদিনাখনহে
'পৰিৱেশ দিৱস'ৰ মূল মহত্ত্ব ৰক্ষা হ'ব। (প্ৰণৱ ভাগৱতী)

কিন্তু দুখৰ বিষয়, আজি যেন প্ৰকৃতিয়ে মানুহৰ ওচৰত প্ৰাণভিক্ষা মাগিছে। কবিৰ ভাষাত—

'মোক জীয়াবলৈ মাটি দিয়া
মই জগতখনক সেউজ কৰি দিম।'

গতিকে আহক, কৃত্ৰিমতা বিসৰ্জন দি সঁচা অৰ্থত আমি প্ৰকৃতিক ভাল পাবলৈ শিকোঁ। মহাপুৰুষ শংকৰদেৱৰ বাণীৰে আমি সংকল্পবদ্ধ হওঁ— 'এক বৃক্ষ দশ পুত্ৰ সম।' একোজোপা বৃক্ষক আমি অপত্য স্নেহদান কৰোঁ। দেখিব বিনন্দীয়া ধৰাৰ অকৃত্ৰিম সেউজীয়াই আমাৰো জীৱনবোৰক অকৃত্ৰিম কৰি তুলিছে, যন্ত্ৰৱৎ ঘড়ীৰ কাঁটাৰ নিৰ্দেশত চালিত নহৈ প্ৰকৃতিৰ শান্তিৰ কোলাত এখন্তেক জিৰাবলৈ আমাৰ মনবোৰক ব্যাকুল কৰি তুলিছে। শেষত মহাত্মা গান্ধীৰ এষাৰ উক্তিৰে আমাৰ লেখাৰ মোখনি মাৰিব বিচাৰিছোঁ— 'Nature has enough to fulfil the needs, not the greeds'।

ইয়াৰ পিছত আৰু আমাৰ ক'বলগীয়া একোৱে নাথাকে। মাথোঁ প্ৰকৃতিৰ অতুলনীয় বৈভৱ অক্ষুণ্ণ ৰাখি ইয়াৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ উদ্দেশ্যে কৰণীয়খিনি মানৱ সমাজে পালন কৰি গ'লেই আমাৰ ভৱিষ্যৎ প্ৰজন্মক এখন 'যোগ্য ভোগ্য বসুন্ধৰা'ৰ সৈতে পৰিচয় কৰি দিব পাৰিম আৰু 'ভোগ্য বসুন্ধৰা'ৰ 'যোগ্য'জন কৰি গঢ়ি তুলিবলৈও চেষ্টা কৰিব পাৰিম।

*****



মঞ্জিৰা শৰ্মা কৰ্মসূত্ৰে বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা। ১৯৯৩-৯৪ চনৰ স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত তেওঁ অসমীয়া বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানসহ স্বৰ্ণপদক লাভ কৰাৰ উপৰি বাণীকান্ত কাকতি বঁটা লাভ কৰিবলৈ সক্ষম হয়। সাহিত্যৰ লগতে সংগীত চৰ্চা অব্যাহত ৰখা মঞ্জিৰা শৰ্মাৰ ইতিমধ্যে অসমীয়া আধুনিক গীত আৰু আবৃত্তিৰ শ্ৰব্য চিডি প্ৰকাশ পাইছে। ব্যস্ততাৰ মাজতো তেওঁ সাহিত্য চৰ্চা অব্যাহত ৰাখিছে।

# সাহিত্য প্ৰসংগ

Purbayon
Publication
Guwahati | Assam | India
purbayonindia21@gmail.com
www.purbayonpublication.com

ISBN: 978-93-93881-74-8
9 789393 881748